# ASSAM LEGISLATIVE ASSEMBLY DEBATES

सत्यमेव जयते

REFERENCE
(NOT FOR ISSUE)

Reading Only Inside Library.

## OFFICIAL REPORT

EIGHTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE NINTH GENERAL ELECTIONS UNDER SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## BUDGET SESSION

**NO. 12**

**The 29th March, 1994**

**Price Rs. 30·00**

REFERENCE
(NOT FOR ISSUE)
Reading Only Inside Library

# CONTENTS

## BUDGET SESSION

## No 12.

**Dated, the 29th March, 1994**

| | | Page |
|---|---|---|
| 1. | Questions and Answers ... .... | 1 |
| 2. | Voting on Demands for Grants ... ... | 67 |
| 3. | Obituary Reference ... ... | 114 |
| 4. | Adjournment ... ... | 114 |
| 5. | Annexures – I, II, III, IV, V, VI, VII, VIII & IX | 115-159 |

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

Tuesday, 29th March, 1994

The House met at 9·00 A.M. of the clock in the Assembly Chamber at Dispur with Shri Debesh Chakrabarty, speaker in the Chair.

## STARRED

## QUESTIONS AND ANSWERS

( To which oral answers were given )

Hon'ble Speaker— The position of the Questions for 29.3.94 is as follows—

Oral— Serial Nos. 221 to 240

Written— Serial Nos. 551 to 600

Now, Question No. 221, Minister of State Education will reply.

### বিষয়ঃ— JUNIOR COLLEGE

শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীয়ে সুধিছে ঃ

★ ২২১। মাননীয় উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বৰ্ত্তমানলৈ কিমানখন Junior College স্থাপিত হৈছে ?

(খ) উক্ত কলেজ সমূহক প্ৰাদেশীকৰণ / চৰকাৰীকৰণ কৰা ব্যৱস্থা চৰকাৰে গ্ৰহণ কৰিছে নেকি ?

(গ) যদি কৰিছে তেতিয়াহলে কিমানখন কি নীতিৰ ভিত্তিত কেতিয়া কৰাৰ ব্যৱস্থা কৰা হৈছে আৰু যদি ব্যৱস্থা লোৱা নাই কেতিয়া প্ৰাদেশীকৰণ / চৰকাৰীকৰণৰ ব্যৱস্থা কি নীতিৰ ভিত্তিত লব ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে :—

(ক) ১৩০ খন ।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে ।

---

★ Speech not corrected

(গ) পুঁজি সাপেক্ষে উপযুক্ততা আৰু জেষ্ঠতাৰ ভিত্তিত প্ৰাদেশীকীকৰণ কৰা হব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীঃ— মাননীয় অধ্যক্ষ মহোদয়, মোৰ পৰিপূৰক প্ৰশ্নটো হ'ল যে— কিমান কলেজ লোৱা হব ? মন্ত্ৰীয়ে উত্তৰত উপযুক্ততা আৰু জেষ্ঠতাৰ ভিত্তিত লোৱা হব বুলি কৈছে। জেষ্ঠতাৰ কথাটো বুজি পাইছো- কিন্তু উপযুক্ততাই কি কি বুজাইছে— স্পষ্টীকৰণ দিবনে ?

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)ঃ— অধ্যক্ষ মহোদয়, উপযুক্ততা মানে - আমি জেষ্ঠতাৰ ভিত্তিত চোৱাৰ ওপৰিও যিবিলাক অঞ্চলত হায়াৰ চেকেণ্ডাৰী স্কুল কম থাকে সেইবিলাক এলেকাত যিখিনি জুনিয়ৰ কলেজ থাকে— সেইখিনিক অগ্ৰাধিকাৰ দিয়া হয়— সেইটোকে উপযুক্ততা বুলি কোৱা হৈছে।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰীঃ— অধ্যক্ষ মহোদয়, যদি সেইটোৱেই উপযুক্ততা হয়— তেতিয়াহলে যিবিলাক কলেজক 'পাৰমিচন' দিয়া হৈছে— তাত নিশ্চয় কিছুমান 'হেড ৰোল' আছে। গতিকে কিমান কলেজক 'পাৰমিচন' দিয়া হৈছে— যিহেতুকে সমগ্ৰ অসমত সকলো ঠাইতে হায়াৰ চেকেণ্ডাৰী স্কুল থকা স্বত্বেও কলেজ সমূহক কিয় 'পাৰমিচন' দিয়া হ'ল ?

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষামন্ত্ৰী)ঃ— অধ্যক্ষ মহোদয়, যেতিয়া 'পাৰমিচন' দিয়া হৈছিল— তেতিয়া জুনিয়ৰ কলেজ হিচাবে দিয়া নাছিল। পাৰমিচন দিয়াৰ বহুত দিনৰ পিছতহে জুনিয়ৰ কলেজৰ কথা আহিছে। কাৰণ এইবোৰ উপযুক্তাৰ ওপৰত নিৰ্ভৰ কৰাৰ ওপৰিও শিক্ষক ষ্টাফ, আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান আছে— সেইটোৰ ওপৰত নিৰ্ভৰ কৰিব।

★ শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈঃ— অধ্যক্ষ মহোদয়, আমাৰ মাননীয় সদস্য শ্ৰীপাটোৱাৰীয়ে কৈছে যে বহুতো অঞ্চলত 'হায়াৰ চেকেণ্ডাৰী' স্কুল থকাৰ ওপৰিও ওচৰা-ওচৰিকৈ বহুতো জুনিয়ৰ কলেজ কৰিছে। 'হায়াৰ চেকেণ্ডাৰী' আৰু জুনিয়ৰ কলেজৰ পাঠ্যক্ৰম একে। এই ক্ষেত্ৰত চৰকাৰে এটা স্পষ্ট নীতি বিবেচনা কৰিব নেকি যে- হায়াৰ চেকেণ্ডাৰী স্কুলৰ লগত জুনিয়ৰ কলেজৰ এটা এমালগেমেচন কৰিবৰ কাৰণে সিদিনা মাননীয় শিক্ষামন্ত্ৰী মহোদয়ে বিবেচনা কৰি আছে বুলি কৈছিল। কাৰণ নতুনকৈ বহুতো ঠাইত পেৰেলেল কলেজ চলি আছে— অথচ তাত জুনিয়ৰ কলেজ হোৱাৰ কোনো জাষ্টিফিকেচন নাই— গতিকে সেই সম্পৰ্কে এটা স্পষ্ট নীতি চৰকাৰে নিৰ্দ্ধাৰণ কৰিছে নেকি ?

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী)ঃ— এই বিষয়টোৰ এটা স্পষ্ট নীতি

★ Speech not corrected

নিদ্ধাৰণ কৰিবৰ কাৰণে চৰকাৰে বিবেচনা কৰি আছে।

★ শ্ৰীজয়নাথ শৰ্ম্মাঃ— অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই এটা ৰাজহুৱা সভাত ষ্টেট্‌মেণ্ট দিছিল যে— ২০ খন জুনিয়ৰ কলেজ অহা বিত্তীয় বছৰতে চৰকাৰে লোৱাৰ সিদ্ধান্ত কৰিছে— এইটো কথা সচাঁ নেকি ? যদি সচাঁ হয়— তেন্তে তাৰ তালিকা প্ৰস্তুত কৰিছে নেকি ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, ২০ খন জুনিয়ৰ কলেজ লোৱাৰ কথা কোৱা হৈছিল আৰু ইতিমধ্যে তালিকা প্ৰস্তুত কৰা হোৱা নাই। মই আগতেই কৈছো যে— এই গোটেইটো এটা বাস্তৱ বিবেচনাৰে বিচাৰ কৰি চৰকাৰে— ইন্‌ফ্ৰাষ্ট্ৰাক্‌চাৰেল নীতি সমূহ ভালকৈ নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে চিন্তা কৰি আছে।

★ শ্ৰীজয়নাথ শৰ্ম্মা ঃ- অধ্যক্ষ মহোদয়, এই ২০ খন যে লোৱা হব— এইখিনি এই ১৯৯৩-৯৪ বিত্তীয় বছৰতে নে ১৯৯৪-৯৫ চনত লোৱা হব ?

★ গৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে— এইবোৰ পূজি সাপেক্ষেহে বিবেচনা কৰা হব।

★ জয়নাথ শৰ্ম্মা ঃ- এইবাৰ বাজেটত ধৰিছে নেকি ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- এইবাৰ বাজেটত ধৰা নাই।

★ শ্ৰীহেতেশ ডেকা ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে— ১৩০ খন জুনিয়ৰ কলেজ স্থাপন হৈছে। তাৰ ভিতৰত চৰকাৰে কিমান খন কলেজ ৰিকমেণ্ডেচন দিছে ? দ্বিতীয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে ১৯৯৪-৯৫ চনত জুনিয়ৰ কলেজ সমূহ চৰকাৰীকৰণ কৰা হব বুলি ৰাজহুৱা সভাত ঘোষণা কৰিছে— কিন্তু মন্ত্ৰী মহোদয়ে উল্লেখ কৰিছে যে— এইটো বাজেটত ধৰা নাই— এইক্ষেত্ৰত চৰকাৰৰ স্পষ্ট নীতি কি ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, ১৩০ খন কলেজৰ ভিতৰত ৪৩ খনক ৰিকমেণ্ডেচন দিয়া হৈছে। বাকীবিলাকৰ কথাটো চৰকাৰে বিবেচনা কৰি থকা হৈছে।

★ নগেন শৰ্ম্মা ঃ- অধ্যক মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে যে- হাজাৰ হাজাৰ জুনিয়ৰ কলেজৰ শিক্ষক সন্থাৰ আগত শিক্ষামন্ত্ৰী ডাঙৰীয়াই ঘোষণা কৰিছিল যে— ২০ খন কলেজ লোৱা হব। এতিয়া শেহতীয়া ভাবে শিক্ষক সন্থাৰ তৰফৰ পৰা জুনিয়ৰ কলেজৰ কাৰণে ২৫ হেজাৰকৈ টকা লৈছে। এই টকা খিনি কোনে লৈছে — মন্ত্ৰী মহোদয়ে জানে নে ?

---

★ Speech not Corrected

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- সেইটো আমাৰ জ্ঞাত নহয় ।

★ শ্ৰীচন্দ্ৰ মোহন পাটুৱাৰী ঃ- অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে— ১৩০ খন কলেজ আছে— সেইবোৰ জ্যেষ্ঠতা আৰু উপযুক্ততাৰ ভিৰ্ত্তিত লোৱা হব । কিন্তু এতিয়ালৈকে দেখা গৈছে যে— তেখেতে যি উত্তৰ দিছে— তাত কৈছে যে— এইবাৰ বাজেটত তাৰ প্ৰভিজন নাই । মন্ত্ৰীয়ে কলেজ লব বুলি কৈছে — কিন্তু বাজেটত নাথাকিলে ক'ৰ পৰা লব ? তেখেতে সদনক বিপথে পৰিচালিত কৰিছে । গতিকে এই কলেজ সমূহ লব নে নাই স্পষ্টীকৰণ দিব লাগে ।

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- মই উত্তৰত ১৯৯৪-৯৫ বিত্তীয় বছৰতেই লম বুলি কোৱা নাই । মই কৈছো যে - জেষ্ঠ্যতা আৰু উপযুক্ততাৰ ভিৰ্ত্তিত লোৱা হব ।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ- অধ্যক্ষ মহোদয়, কেইবাটাও ৰাজহুৱা মিটিঙত তেখেত সকলৰ ভিতৰত মাননীয় মন্ত্ৰী শ্ৰীভূমিধৰ বৰ্ম্মণ, শ্ৰীশৰত বৰকটকী আৰু শ্ৰীগৌতম বৰাই ৰাইজক আস্বাস দিছিল যে— জুনিয়ৰ কলেজ সমূহ লোৱা হব । আজিও প্ৰশ্নোউত্তৰত কৈছে যে - বিবেচনা কৰি আছে আৰু উপযুক্ততাৰ ভিৰ্ত্তিত লব । এতিয়া কথা হ'ব- মাননীয় মন্ত্ৰীসকলৰ আস্বাস তেখেত সকলে কেতিয়া পূৰণ কৰিব ??

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ- অধ্যক্ষ মহোদয়, যিবিলাক আস্বাস দিয়া হৈছে — সেইবোৰ বিবেচনা কৰি থকা হৈছে ।

★ শ্ৰীজয়নাথ শৰ্ম্মা ঃ- অধ্যক্ষ মহোদয়, মাননীয় মুখ্যমন্ত্ৰীয়ে দিয়া ৰাজহুৱা ভাষণত নিশ্চয় কিবা ভিত্তি আছে — কিন্তু শিক্ষা মন্ত্ৰী দুজনে সেই কথা বিভিন্ন দিশত কৈছে—

### ইংৰাজীত—

মন্ত্ৰী সলনি হব— কিন্তু অৰ্থৰিটি বাঢ়ি থাকিব । গতিকে মই মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো তেখেতে এটা এচিউৰেন্চ্ দিয়ক যে— ১৩০ খনৰ ভিতৰত ৫ ভাগৰ ১ ভাগ কলেজ ৰিকমেনড্ কৰা হব ।

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ— এই বিষয়ে চেষ্টা কৰা হব ।

★ শ্ৰীচন্দ্ৰ মোহণ পাটুৱাৰী .— অধ্যক্ষ মহোদয়, মই এটা মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো যে— আচলতে বাজেটত প্ৰভিজ্ন নাই আৰু মন্ত্ৰী মহোদয়েও ১৯৯৪-৯৫ বিত্তীয় বছৰত লোৱা হব বুলি কোৱা নাই । কিন্তু

---

★ Speech not corrected

মোৰ প্ৰশ্ন হ'ল মন্ত্ৰী মহোদয়ে যিখিনি কথা কলে — তাৰ পৰা বুজা গল যে— তেখেতে ফেক কৰিছে কিয় ? তেখেতে স্পষ্ট ভাবে কব লাগে যে— এইবছৰ লোৱা হব বা লোৱা নহব । কিন্তু তেখেতৰ ফেক উত্তৰ পাবলৈ সদনে বা ৰাইজে ৰৈ থকা নাই । গতিকে এই ফেক উত্তৰ তেখেতৰ পৰা কিয় আহিছে ?

( উত্তৰ নাই )

★ আব্দুল জলিল ৰাগিবিঃ— মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যমুনামুখ সমষ্টিটো কেইবাখনো 'জুনিয়ৰ কলেজ' আছে । বৰ্ত্তমান চৰকাৰে যিখিনি 'জুনিয়ৰ কলেজ' প্ৰাদেশিকীকৰণ কৰাৰ বাবে চিন্তা কৰিছে, তাত আমাৰ যমুনামুখ সমষ্টিয়ে ভাগ পাবনে নাই ?

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : মাননীয় অধ্যক্ষ মহোদয়, অলপতে আমাৰ মাননীয় ৰাজ্যিক শিক্ষামন্ত্ৰী মহোদয়, বেলচৰলৈ গৈছিল আৰু তাত থকা 'শ্বহীদ স্মৃতি কলেজ' খন দেখি তেখেতে কৈছিল যে, এইখন বৰ ধুনীয়া কলেজ, এইখন লোৱাৰ ব্যৱস্থা কৰিম । তেখেতৰ লগত আগৰ শিক্ষা মন্ত্ৰী আৰু বৰ্ত্তমানৰ গড়কাপ্তানী মন্ত্ৰী মহোদয়ো গৈছিল । এতিয়া মন্ত্ৰী মহোদয়ে 'স্পেচিফিক' কব লাগে যে কিমান কলেজ প্ৰাদেশিকীকৰণ কৰা হব, কি নীতিত কৰা হব ? আৰু কেতিয়া কৰা হ'ব ?

★ শ্ৰীবদন বৰুৱাঃ— মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, আমাৰ যোৰহাটতো তিনিখন কলেজ আছে, সেইকেইখনো প্ৰাদেশিকীকৰণৰ ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষামন্ত্ৰী ):— অধ্যক্ষ মহোদয়, মই আগৰ উত্তৰত কৈছোৱেই যে, প্ৰয়োজনীয়তা আৰু জ্যেষ্ঠতাৰ ভিত্তিত আৰু পুজি সাপেক্ষে লোৱাৰ ব্যৱস্থা কৰা হ'ব ।

★ শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী : অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত পলিচি কি হ'ব ।

★ শ্ৰীগৌতম বৰা (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, পলিচি বনাই থকা হৈছে ।

মাননীয় অধ্যক্ষ :— তৰাচিহ্নত প্ৰশ্ন নং ২২২ মাননীয় শ্ৰীনজমুল হক

**বিষয়ঃ— প্ৰাথমিক বিদ্যালয়ৰ প্ৰাদেশীকৰণ—**

শ্ৰীনজমুল হকে সুধিছে :—

★ ২২২ মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১ চনত প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণৰ পিছত গোৱালপাৰা

★ Speech not corrected.

জিলাত চন ভিত্তিক মুঠতে কিমানখন অমঞ্জুৰী প্ৰাপ্ত প্ৰাথমিক বিদ্যালয় আছে ?

(খ) বিভাগীয় নীতি নিয়ম উলংঘা কৰি প্ৰাথমিক বিদ্যালয়বোৰ প্ৰাদেশীকৰণ কৰা সময়ত ২য় জন শিক্ষকৰ পদ মঞ্জুৰী নিদিয়াৰ কথাটো সত্য নেকি ?

(গ) বৰ্ত্তমানে প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৰণৰ ক্ষেত্ৰত ক্ষমতা হস্তান্তৰৰ প্ৰক্ৰিয়াটো আসোৱাহ মুক্ত নে ?

(ঘ) ১৯৯২-৯৩ আৰ্থিক বছৰত গোৱালপাৰা জিলাত কেইটা প্ৰাথমিক বিদ্যালয়ৰ ঘৰ নিৰ্মাণৰ টকা মঞ্জুৰী দিয়া হৈছে ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাপ্ত তথ্যমতে ৬৯২ খন (চন ভিত্তিত তালিকা পৰিশিষ্ট 'ক'ত দিয়া হল ) ( See the Annexure— I )

(খ) সত্য নহয় কিন্তু ২য় প্ৰতিষ্ঠাপক শিক্ষক পদ মঞ্জুৰী দিয়া হোৱা নাছিল ।

(গ) অৱগত নহয় ।

(ঘ) দিয়া হোৱা নাই ।

★ শ্ৰীনজমুল হক ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰাজ্যিক শিক্ষা মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ডি,আই সকলৰ পৰা প্ৰতিটো চিভিল চাব-ডিবিজনৰ পৰা ৪০ খনকৈ ভেকাৰ এল, পি স্কুলৰ তালিকা বিচৰা হৈছে । কিছুমান চিভিল চাব-ডিভিজন দুটা সমষ্টিত পৰে । যিটো সমষ্টিত বেচি অংশ পৰে তাত অনুপাতিক সংখ্যা বঢ়াই দিব পৰা ব্যৱস্থা কৰিব নেকি ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষামন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, আমি উচ্চ ন্যায়ালয়ৰ নিৰ্দ্দেশ মতে, প্ৰতিটো মহকুমাৰ পৰা ৪০ খনকৈ বিদ্যালয় জেষ্ঠতাৰ ভিত্তিত তালিকা কৰি পঠাবলৈ, স্কুল উপ পৰিদৰ্শক সকলক কোৱা হৈছিল । এতিয়া কিছুমান তালিকা আহি পাইছে আৰু কিছুমান এতিয়াওঁ আহি পোৱা নাই । আৰু সমষ্টিৰ ক্ষেত্ৰত যিটো কথা কোৱা হৈছে, সেইটো চিন্তা কৰি চোৱা হব ।

★ শ্ৰীফনীভূষণ চৌধুৰী ঃ অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো, প্ৰাদেশিকীকৰণৰ সময়ত যি সকল ২য় শিক্ষকৰ পদ মঞ্জুৰী দিয়া নাই, সেই সকলৰ মঞ্জুৰীৰ ব্যৱস্থা কেতিয়া কৰিব ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, জেষ্ঠ্যতা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত ২য় শিক্ষকৰ পদ মঞ্জুৰী দিয়াৰ ব্যৱস্থা কৰা হব ।

★ Speech not corrected

★ শ্ৰীদিলীপ শইকীয়া ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, প্ৰতিটো মহকুমাৰ পৰা ৪০ খনকৈ প্ৰাথমিক বিদ্যালয়ৰ তালিকা, প্ৰাদেশিকীকৰণ কৰিবৰ বাবে চৰকাৰে বিচৰা কথাটো সচা নেকি ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে, উচ্চ ন্যায়ালয়ে দিয়া ৰায় অনুসৰি, প্ৰতিটো মহকুমাৰ পৰা স্কুল উপ-পৰিদৰ্শক সকলৰ পৰা তালিকা বিচৰা হৈছেআৰু এই তালিকা' এলিমেণ্টৰী এডভাইচৰী বোৰ্ডৰ পৰা অনুমোদন কৰাই দিবলৈ কোৱা হৈছে।

★ শ্ৰীজয়নাথ শৰ্ম্মা ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰ ১৭৬০ খন প্ৰাইমেৰী স্কুল প্ৰাদেশিকীকৰণ কৰিবৰ কাৰণে আমাৰ বিধায়ক সকলৰ পৰা আগতে ১২খনকৈ স্কুলৰ তালিকা বিচাৰিছিল । এই বছৰ বিধায়ক সকলক নিবিচাৰি বিষয়া সকলক তালিকা দিবলৈ কিয় কোৱা হ'ল । প্ৰতিটো সমষ্টিৰ ক্ষেত্ৰত আমাৰ বিধায়ক সকলৰ সম্যক জ্ঞান বেচি। গতিকে মন্ত্ৰী মহোদয়ৰ পৰা মই এটা উত্তৰ বিচাৰিছো ।

★ গৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, আগতে স্কুল প্ৰাদেশিকীকৰণৰ কাৰণে বিধায়ক সকলৰ পৰা তালিকা বিচৰা হৈছিল হয়। কিন্তু সদৌ অসম অমঞ্জুৰী প্ৰাপ্ত শিক্ষক সন্থাই উচ্চ ন্যায়ালয়ত এটা গোচৰ তৰে । সেই গোচৰৰ ভিত্তিত উচ্চ ন্যায়ালয়ে নীতি নিৰ্দ্ধাৰণৰ বাবে ৰায় দিয়ে আৰু জেষ্ঠ্যতা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত প্ৰাদেশিকীকৰণ কৰিবলৈ নিৰ্দ্দেশ দিয়ে। সেইমতে জেষ্ঠ্যতাৰ আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত প্ৰাদেশিকীকৰণ কৰিবৰ কাৰণে আমাৰ ক্ষেত্ৰ বিষয়া-- স্কুল-উপপৰিদৰ্শক সকলৰ পৰা তালিকা বিচৰা হৈছে আৰু সেই 'এডভাইচৰী বোৰ্ডৰ'দ্বাৰা অনুমোদন কৰাই পঠাবলৈ নিৰ্দ্দেশ দিয়া হৈছে ।

★ শ্ৰীদিলীপ শইকীয়া ঃ অধ্যক্ষ মহোদয়, আমাৰ ধেমাজিৰ পৰা লিষ্ট জেষ্ঠ্যতাৰ ভিত্তিত অহা নাই । এই বিষয়ত মই মন্ত্ৰী মহোদয়ক এই সদনতে অভিযোগ দি থলো, এই ক্ষেত্ৰত ব্যৱস্থা লবৰ কাৰণে ।

★ শ্ৰীগৌতম বৰা ( মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, এই বিষয়ত সকলো বিলাক লিষ্ঠ আহি পোৱা নাই। যিবিলাক আহি পাইছে, সেইবিলাক পৰীক্ষা নিৰীক্ষা কৰি থকা হৈছে । যদি কিবা আসোৱাহ আছে, ব্যৱস্থা লোৱা হব ।

★ শ্ৰীশশ কমল সন্দিকৈ ঃ অধ্যক্ষ মহোদয়, বিষয়া সকলে যি বিলাক তালিকা পঠিয়াইছে সেই বিলাক শুদ্ধ বুলি আমি নাভাবো। কাৰণ ৭৮ চনতে স্থাপিত হোৱা স্কুল এখনক তেওঁলোকে ৮১ চনত স্থাপিত হোৱা বুলি

★ Speech not corrected

দেখুৱাইছে। তেওঁলোকৰ হাতত তথ্য নথকাৰ বাবে এই খেলিমেলি বিলাক হৈছে। এই ক্ষেত্ৰত আমাৰ বিধায়ক সকলৰ লগত যোগাযোগ কৰিলে ভাল। তেতিয়া খেলিমেলি বিলাক দূৰ হব। মই মন্ত্ৰী মহোদয়ৰ পৰা আশ্বাষ বিচাৰিছো, তেখেত সকলে আমাৰ বিধায়ক সকলৰ পৰা কিছু পৰামৰ্শ লব নেকি। অসম অৰুণাচলৰ সীমাত থকা স্কুল এখনলৈ এই বিষয়া সকল কোনোদিনে গৈ পোৱা নাই। তেওঁলোকে নাজানেই সেই স্কুলখন অসমৰ নে অৰুণাচলৰ, গতিকে সেই স্কুল বিলাক তালিকাৰ পৰা বাদ পৰি গৈছে। এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

★ শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা :— অধ্যক্ষ মহোদয়, চৰকাৰে যিটো নীতিৰ ভিত্তিত এই লিষ্টখন প্ৰস্তুত কৰিছে সেই ভিত্তিতে এম, এল, এ সকলে লিষ্টখন কিয় প্ৰস্তুত কৰিব নোৱাৰিব ? গতিকে এম, এল, এ সকলক এই ক্ষেত্ৰত জড়িত কৰিব নে নকৰে সেইটো মন্ত্ৰী মহোদয়ে স্পষ্টভাৱে জনাব লাগে।

★ শ্ৰীজয়নাথ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, হাইক'ৰ্টে যিটো অৰ্ডাৰ দিছে তাত এম, এল, এ সকলক জড়িত কৰিব নালাগে বুলি কোনো কথা উল্লেখ কৰা নাই। এতিয়া মন্ত্ৰী মহোদয়ে বিষয়াৰ ৰিপোৰ্টক বেছি গুৰুত্ব দিব নে এম, এল, এ ৰ ৰিপোৰ্টক বেছি গুৰুত্ব দিব ?

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰীঃ— অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই আমাৰ নলবাৰী জিলাৰে কথা কব খুজিছো যে চৰকাৰে যদিও জ্যেষ্ঠতা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত এই লিষ্ট বিচাৰিছে কিন্তু ডি, আই ক পইচা দিলেই লিষ্টত নাহিব লগা স্কুলৰ নামো অহা দেখা গৈছে। গতিকে দেখা গৈছে যে যিয়ে পইচা দিব সেইখনৰ নামটো আহিব আৰু যিয়ে নিদিয়ে তাৰ নামটো নাহে। এনে স্কুলৰ নাম মই মন্ত্ৰী মহোদয়ক দিব পাৰো। কিছুমান স্কুলত শিক্ষকৰ প্ৰয়োজন আছে কিন্তু তাত শিক্ষক দিয়া নাই। য'ত প্ৰয়োজন নাই তাতে আকৌ দিয়া হৈছে। গতিকে এই ক্ষেত্ৰত বিধায়ক সকলক জড়িত কৰাৰ ব্যৱস্থা লব নেকি মন্ত্ৰী মহোদয়ে কব লাগে।

★ শ্ৰীনজমুল হকঃ— অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ হাতৰ পৰা এই ক্ষমতাটো ডি, আই লৈ হস্তান্তৰ কৰি বিধায়ক সকলৰ মৰ্যদাত আঘাট কৰা হৈছে। সেই কাৰণে মই মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্ট ভাৱে জানিব বিচাৰিছো যে এইটো কৰাৰ ফলত বিধায়ক সকলৰ যি মৰ্য্যদাত আঘাট কৰা হৈছে সেইটো ঘূৰাই অনাৰ বাবে চেষ্টা কৰিব নে ?

★ Speech not corrected

★ শ্ৰীগৌতম বৰা ( ৰাঃ শিক্ষা মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, মই ইতিমধ্যে কৈছোৱেই যে এই স্কুল সমূহ জ্যেষ্ঠতা আৰু প্ৰয়োজনীয়তাৰ ভিত্তিত লোৱাৰ কাৰণে উপ-পৰিদৰ্শক সকলৰ পৰা আমি লিষ্ট বিচাৰিছো আৰু সেইমতে ইতিমধ্যে আমি কিছুমান লিষ্ট পাইছো আৰু সেইবোৰ পৰীক্ষা নিৰীক্ষা কৰি আছো। এই পৰীক্ষা নিৰীক্ষাৰ পিচত সেই লিষ্টবোৰত আমি যদি কিবা আসোঁৱাহ দেখা পাওঁ তেনেহলে নিশ্চয় আমি বিধায়ক সকলৰ পৰামৰ্শ লম।

★ শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত বিধায়ক সকলক ৰেচপেক্ট দিয়াত কি আপত্তি থাকিব পাৰে ? মই জনাত হাই ক'টৈ কোনো বাৰ বান্ধি দিয়া নাই।

★ শ্ৰীগৌতম বৰা ( ৰাঃ শিক্ষা মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, বিধায়ক সকলক ৰেচপেক্ট নিদিয়াৰ কোনো কথা নাই। আমি যিখন লিষ্ট বিচাৰিছো সেই খনত যদি কিবা আসোঁৱাহ ওলাই তেনেহলে আমি তেখেত সকলৰ পৰামৰ্শ নিশ্চয় লম।

★ শ্ৰীজয়নাথ শৰ্ম্মাঃ— অধ্যক্ষ মহোদয়, বিধায়ক সকলৰ পৰা ৰিকমেণ্ডেচন লওতে আপোনালোকৰ আপত্তি ক'ত ? যোৱা বাৰ স্কুল সমূহ লওতে আমাৰ পৰা ৰিকমেণ্ডেচন লোৱাৰ কাৰণে ক'তো বদনাম হোৱা নাই। গতিকে বিধায়ক সকলক জড়িত কৰাত আপোনালোকৰ আপত্তি ক'ত ?

★ শ্ৰীগৌতম বৰা (ৰাঃ শিক্ষা মন্ত্ৰী)ঃ— অধ্যক্ষ মহোদয়, যোৱাবাৰ বহুতো অমঞ্জুৰীপ্ৰাপ্ত স্কুলৰ শিক্ষকে স্কুল লোৱাৰ ক্ষেত্ৰত আপত্তি কৰিছে। সেই কাৰণে আমি বিভাগী ভাৱে এই কামটো কৰিবলৈ লৈছো আৰু প্ৰয়োজন হলে তেখেত সকলৰ পৰামৰ্শ আমি নিশ্চয় লম।

Mr. Speaker :— Now, Question No. 223

**বিষয় ঃ— শিক্ষক কৰ্ম্মচাৰীৰ দৰমহা।**

শ্ৰীগহীন চন্দ্ৰ দাসে সুধিছে ঃ

★ ২২৩। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কাৰ্বি আংলং জিলাৰ সকলো শ্ৰেণীৰ শিক্ষক, কৰ্মচাৰী সকলে

---

★ Speech not Corrected

১৯৯০ চনৰ পৰা বৰ্ত্তমানলৈকে দৰ্ম্মহা আৰু অন্যান্য পাব লগীয়া প্ৰাপ্যৰ পৰা বঞ্চিত হৈ থকাটো চৰকাৰ অৱগত নে ?

(খ) যদি অৱগত তেন্তে তেওঁলোকক দৰ্ম্মহা গ্ৰেচুইটি আদি দিয়াৰ ব্যৱস্থা চৰকাৰে সোনকালে কৰিবনে ?

শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ

(ক) কেৱল বকেয়া ধন ( Arrear pay ) ৰ কিছু পাবলৈহে বাকী থকাটো অৱগত ।

(খ) প্ৰশ্ন নুঠে ।

★ শ্ৰীগহীন চন্দ্ৰ দাস ঃ— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে এই বকেয়া ধনবোৰ কি কি বকেয়া ধন ?

★ শ্ৰীগোলোক ৰাজবংশী ( শিক্ষা মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, প্লেন আৰু নন্ প্লেন শিতানত যি মজুৰী দিয়া হয় সেই মজুৰীৰে কিছু টকা আমি দিব পৰা নাছিলো ।

★ শ্ৰীগহীন চন্দ্ৰ দাস :— অধ্যক্ষ মহোদয়, মই সুধিছো যে কি কি হেডত এই টকা দিবলৈ বাকী আছে সেইটো মন্ত্ৰী মহোদয়ে জনাবনে ?

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই বিষয়ত বিস্তৃত বিৱৰণ বৰ্ত্তমান মোৰ হাতত নাই । মই কেৱল এইটোৱেই কব পাৰো যে প্লেন আৰু নন্ প্লেন হেডৰ কিছু টকা দিবলৈ বাকী আছে ।

★ শ্ৰীগহীন চন্দ্ৰ দাস ঃ— অধ্যক্ষ মহোদয়, এই বিষয়ে মন্ত্ৰী মহোদয়ক বিভাগে স্পষ্টভাবে জনোৱা নাই আৰু সেই কাৰণে তেখেতে উত্তৰ দিব পৰা নাই । মই এই বিষয়টো তেখেতৰ দৃষ্টি গোচৰ কৰি কব খুজিছো যে এই শিক্ষক সকলৰ আৰ, ও, পি, ৰুল সংশোধনী হোৱাৰ কাৰণে ২৬ মাহৰ সংশোধিত দৰমহা, ১৯৯৩ চনৰ এপ্ৰিল মাহত দিয়া এক্স গ্ৰেচিয়াৰৰ টকা, ১৯৯৩ চনৰ ৮ মাহৰ মৰগীয়া বানচ, ১৯৯৩ চনৰ পাহাৰীয়া বানচ আদিৰ টকাবোৰ অনাদায়ী হৈ আছে । গতিকে এই অনাদায়ী ধনখিনি সোনকালে দিয়াৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়. এই টকাখিনি

---

★ Speech not corrected

ইতিমধ্যে আমি চাপ্‌লিমেণ্টৰী বাজেটত দিয়াৰ ব্যৱস্থা কৰিছো ।

★ শ্ৰীহলিৰাম টেৰাং :— অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে কাৰ্বি আংলং জিলাৰ শিক্ষক সকলক কোন হেডৰ পৰা দৰমহা দিয়া হয় ?

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) :— এইটো পে' স্কেলৰ পৰা দিয়া হয়।

★ শ্ৰীহলিৰাম টেৰাং :— অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে এইটো অসত্য তথ্য দিছে । কাৰ্বি আংলংৰ বাজেটত শিক্ষক সকলৰ বাবে স্কেলৰ হেডত কোনো টকা দিয়া নাই । এইটো গ্ৰেণ্ট ইন এইড হিচাবেহে দিয়া হৈছে আৰু পৃথিবীৰ ভিতৰত বোধকৰো এইটোৱেই এটা আচৰিত কথা । গতিকে মন্ত্ৰী মহোদয়ে এইটো স্পষ্ট কৰি দিব নেকি ?

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, আমি প্লেন্ হেডতে দৰমহাৰ কাৰণে কিছু টকা ধৰো আৰু তাৰ পৰা কিছু টকা চেলেৰী হিচাবে দিওঁ । সেইমতে নন্ প্লেন হেডতো কিছু টকা দেখুউৱা হয় আৰু এইটো জিলা পৰিষদৰ লগত আলোচনা কৰি দিয়া হয় । তাৰেই কিছু বকেয়াৰ ধন দিবলৈ বাকী আছে ।

★ শ্ৰীহলিৰাম টেৰাং :— অধ্যক্ষ মহোদয়, কাৰ্বি আংলং জিলাৰ শিক্ষক সকলক গ্ৰেণ্ট ইন এইড হিচাবে দৰমহা দিয়াৰ কাৰণে অন্য শিক্ষক সকলে যেতিয়া দৰমহা, গ্ৰেটুইটি আদি পায় তাৰ শিক্ষক সকলে নাপায় । আৰু এটা কথা হ'ল—

Is the Hon'ble Minister aware that there was a discussion between the District Council of Karbi Anglong and the Government of Assam where Hon'ble Chief Minister was also present and it was committed that from now onwards the salaries will be paid regularly including the arrear amounts.

★ শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এই গোটেই কথা

★ Speech not corrected

বিলাক আমি জিলা পৰিষদৰ লগত আলোচনা কৰাৰ কথা আছে আৰু সেই-মতে ব্যৱস্থা লোৱা হব ।

★ শ্ৰীমনচিং ৰংপি :- অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব বিচাৰিছো যে আমাৰ ডিষ্ট্ৰিক্ট কাউন্সিলৰ বাজেটৰ ক্ষেত্ৰত আমাক যিটো চিনপ্‌চিচ দিয়া হৈছে তাত এইবাৰৰ বাজেটত ২'৮ কোটি টকাহে ধৰা হৈছে । তেনে ক্ষেত্ৰত বকেয়া ধনকে আদি কৰি ইমানবোৰ টকা ক'ৰ পৰা দিব ? এই কথাবোৰ বিত্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰাত তেখেতে কিবা এটা কৰা হব বুলি আমাক আশ্বাস দিছে । গতিকে মন্ত্ৰী মহোদয়ে এই কথাবিলাক স্পষ্ট কৰি দিব নেকি ?

★ শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) :- অধ্যক্ষ মহোদয়, এইবাৰ কাৰ্বি আংলং ডিষ্ট্ৰিক্ট কাউন্সিলৰ বাজেট প্ৰপজেল ৬'১৫ কোটি টকা ধৰা হৈছে । তাৰ ভিতৰত প্ৰায় ৩ হাজাৰ শিক্ষকক যিটো দৰমহা দিব লাগিব সেইটোও ধৰা হৈছে । আৰু যিখিনি চৰ্টফল হয় সেইখিনি নন্‌প্লেন হেডৰ পৰা পূৰণ কৰিব লাগিব ।

★ হলিৰাম টেৰাং :— মাননীয় অধ্যক্ষ মহোদয়, এটা বছৰত শিক্ষক সকলক দৰমহা দিবলৈ হলে, ৬'৮ কোটি টকাৰ প্ৰয়োজন হয় । এইবাৰৰ বাজেটত ২'৮ কোটি টকাহে দিয়া হৈছে । এই এনমেলি বিলাক বিত্ত মন্ত্ৰী মহোদয়কো দেখুৱা হৈছিল আৰু বিত্তমন্ত্ৰী আৰু মুখ্যমন্ত্ৰী মহোদয়ে কমিট কৰিছিল যে চৰ্টফল আৰু এৰিয়াৰখিনি দিয়া হব । Sir, the budget is not prepared by the District Council. This is a wrong impression give to the House. The budget prepared is prepared by the Govt. of Assam.

★ শ্ৰীগোলোক ৰাজবংশী ( মন্ত্ৰী ) :- অধ্যক্ষ মহোদয়, যিটো চৰ্টফল আছে সেইটো আমি চাপলিমেণ্টৰী বাজেটৰ পৰা দিয়াৰ কথা চিন্তা কৰিছো ।

★ শ্ৰীহলিৰাম টেৰাং :— অধ্যক্ষ মহোদয়, This is the synopsis of the discuss that was held in the District Council's special session

---

★ Speech not corrected

to discuss the Assam budget. When the committed salary expenditure will be drawn from the non-plan budget for 1994-95. The committed expenditure has been Rs. 6.8 crores but the budget proposal is only Rs. 2.8 crores. বাজেটত টকা কম দিয়া হৈছে।

★ শ্ৰীগোলোক ৰাজবংশী : ( শিক্ষা মন্ত্ৰী ) :- অধ্যক্ষ মহোদয়, প্লেন আৰু ননপ্লেন ৰাজেটৰ পৰাই যিটো চৰ্টফল আছে সেইটো মেক আপ কৰা হব।

★ শ্ৰীগহীন চন্দ্ৰ দাস :- অধ্যক্ষ মহোদয়, কাৰবি আংলং জিলাৰ শিক্ষক কৰ্ম্মচাৰী সকলে তেওঁলোকৰ দৰমহা জিলা পৰিষদৰ অনুমোদন নোহোৱাকৈ জিলা কোষাগাৰৰ পৰা লব নোৱাৰে। কিন্তু অন্যান্য কেইটামান বিভাগে যেনে, পি, দব্লিও, দি, চিকিৎসা, উদ্যোগ আদি বিভাগ বিলাকে দাইৰেক্ট জিলা কোষাগাৰৰ পৰা দৰমহা পায়। এই সন্দৰ্ভত ১৯৯৩ চনৰ ১৫ আগষ্ট তাৰিখত এখন চৰম পত্ৰ চৰকাৰক দিয়া হৈছিল কিন্তু তাৰ কোনো বিবেচনা নহল। গতিকে ২২ নবেম্বৰত তেওঁলোক হাই কৰ্টৰ ওচৰ চাপিব লগা হল। গতিকে মন্ত্ৰী মহোদয়ে এটা স্পষ্ট ধাৰণা দিবলাগে যে, শিক্ষক কৰ্ম্মচাৰী সকলে জিলা পৰিষদৰ অনুমোদন নোহোৱা কৰি দাইৰেক্ট দহমহা পোৱাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীগোলোক ৰাজবংশী ( শিক্ষা মন্ত্ৰী ) :- অধ্যক্ষ মহোদয়, দিষ্ট্ৰিক্ট কাউন্সিলৰ বাজেট সম্পৰ্কত চৰকাৰৰ লগত আলোচনা হৈ আছে।

★ শ্ৰীগহীন চন্দ্ৰ দাস :- অধ্যক্ষ মহোদয়, শিক্ষক কৰ্ম্মচাৰী সকলে বাৰে বাৰে দাবী তুলিছে হাই কৰ্টৰ ওচৰলৈ যাবলগা হৈছে চৰকাৰকো চৰম পত্ৰ দিয়া হৈছে। গতিকে জিলা পৰিষদৰ অনুমোদন নোলোৱাকৈ জিলা কোষাগাৰৰ পৰা শিক্ষক সকলে দৰমহা লোৱাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীগোলোক ৰাজবংশী ( শিক্ষা মন্ত্ৰী ) :- অধ্যক্ষ মহোদয়, ইয়াৰ লগতে অন্যান্য কিছুমান আনুসংঙ্গিক বিষয় আছে এই সকলোখিনি একেলগে আহিব।

★ শ্ৰীগহিন চন্দ্ৰ দাস :- কিহৰ জৰিয়তে আহিব ?

---

★ Speech not corrected.

★ শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( শিক্ষা মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, কেনেকৈ কৰা হব এই সম্পৰ্কে চৰকাৰে আলোচনা কৰি আছে।

★ গহীন চন্দ্ৰ দাস :- অধ্যক্ষ মহোদয়, শিক্ষক সকলে যিটো দাবী তুলিছে সেই সম্পৰ্কত চৰকাৰে কি বিবেচনা কৰিছে তাৰ এটা স্পষ্ট ধাৰণা দিবনে ?

★ শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এনটায়াৰ বস্তুতো আহিছে— that will be included at the time of discussion.

Mr. Speaker : Starred question No. 224,
Questioner Shri Bhupen Roy,
Shri Gautam Bora, Minister State Education to reply.

## বিষয় :— বিদ্যালয় চৰকাৰী-কৰণ।

শ্ৰীভুপেন ৰায়ে সুধিছে :

★ ২২৪। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমান চৰকাৰে বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় সমূহ চৰকাৰীকৰণৰ কিবা ব্যৱস্থা লৈছেনে ?

(খ) এই সম্পৰ্কত মহকুমা পৰ্য্যায়ৰ পৰা স্কুলৰ তালিকা বিছাৰিছে নেকি আৰু যদি বিচাৰিছে তেনেহলে উক্ত তালিকা বিলাক আহিলেনে ?

(গ) এই ক্ষেত্ৰত উত্তৰ শালমাৰা মহকুমাৰ তালিকা খন জ্যেষ্ঠতাৰ ভিত্তিত যুগুতাইছেনে ?

( তালিকা খন সদনত দাখিল কৰিব )

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) লোৱা হৈছে।

(খ) হয়। কিছুমান মহকুমাৰ পৰা পোৱা হৈছে।

(গ) উত্তৰ শালমাৰা মহকুমাৰ পৰা তালিকা পোৱা হৈছে আৰু পৰীক্ষাধীন হৈ আছে।

---

★ Speech not corrected

★ শ্ৰীভূপেন ৰায় ঃ— অধ্যক্ষ মহোদয়, যিখন তালিকা প্ৰস্তুত কৰা হৈছে সেই তালিকাখন মই দি, আই অফিচত চাইছো। তাত বহুতো স্কুল বাদ পৰি গৈছে। বিধায়ক সকলে যিখিনি দিব সেইটো কি ব্যৱস্থা কৰিব জনালে ভাল হয়।

Mr. Speaker : The Question is disposed, the answer is disposed.

★ শ্ৰীজয়নাথ শৰ্ম্মা ঃ— অধ্যক্ষ মহোদয়, কোৰেশ্যনটো বাদ দিয়া হৈছে—

( সদনত গন্দগোল, একো শুনা নাযায় )

শ্ৰীঅতুল বৰা ঃ— অধ্যক্ষ মহোদয়, কামৰূপ মহা নগৰীত যিমান বিলাক স্কুলত নিযুক্তি শিক্ষক সকলক দিয়া হৈছে, সেই শিক্ষক সকলক নিযুক্তি নিদিলে প্ৰায় ২০০ খন মান স্কুল প্ৰভিনচিয়েলাইজ কৰিব পাৰিলেহেতেন। কিছুমান এম, ই স্কুল আছে যত মাত্ৰ ৪ জন শিক্ষক আছে তেওঁলোকৰ হয়তো ২ জনৰ চাকৰি চৰকাৰীকৰণ হোৱা নাই। কিছুমান অনাব্যশ্যকীয় এল, পি স্কুলত ১৮/১৯ জন শিক্ষক নিযুক্তি দিয়া হৈছে। এই বিলাক কাম আমাৰ শিক্ষা মন্ত্ৰীয়ে কৰা নাই চেয়াৰমেন গোপী দাসে কৰিছে। মালদহৰ পৰা এজন শিক্ষক দেৱাশীষ লাহিড়ি নামৰ আনি দিচপুৰৰ ওচৰতে কৃষলয় বিদ্যালয়ত নিযুক্তি দিছে। আজি ৬৩/৬৪ বছৰৰ মহিলাকো নিযুক্তি দিয়া হৈছে। তেনেস্থলত যুৱক যুৱতী সকলক চাকৰি যদি নিদিয়ে তেনেহলে নিৰনুৱা সমস্যা কেনেকৈ সমাধান হব ? এজন জইন্ট চেক্ৰেটৰিয়ে তেওঁৰ মিচেচক নিযুক্তি দিয়াৰ চেষ্টাত হাতীগাঁও স্কুললৈ অহা যোৱা কৰি আছে। দক্ষিণ বেলতলা স্কুলত ইমান শিক্ষক নিযুক্তি দিয়া হৈছে যে ১৫/১৬ জনৰো অধিক হব। গতিকে যিবিলাক স্কুলত শিক্ষকৰ সংখ্যা কম তালৈ এই শিক্ষক সকলক ট্ৰেন্সফাৰ কৰিব লাগে।

★ শ্ৰীগোপী দাস ( ৰাজ্যিক মন্ত্ৰী ) ঃ— অধ্যক্ষ মহোদয়, মই যিখিনি জানো মই চেয়াৰমেন থকা অৱস্থাত গুৱাহাটী চাব দিভিজনত ইমান শিক্ষক নিযুক্তি দিয়া হোৱা নাই। (সদনত গন্দগোল)

---

★ Speech not corrected

Mr. Speaker :— Since he is sitting there.

শ্ৰীঅতুল বৰা ঃ— অধ্যক্ষ মহোদয়, কুষলয় বিদ্যালয়ত যিজন শিক্ষক মালদহৰ পৰা আনি নিযুক্তি দিয়া হৈছে সেই সম্পৰ্কত আমি স্পষ্টীকৰণ বিচাৰিছো। তেওঁৰ নাম শ্ৰীদেৱাশীষ লাহিড়ি। অসমত বঙালী লৰা-ছোৱালীৰ অভাৱ আছিলনেকি ?

★ শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) ঃ— অধ্যক্ষ মহোদয়, এই বিষয়ে মই তদন্ত কৰি চাম।

★ শ্ৰীভুপেন ৰায় ঃ— এতিয়া বিধায়ক সকলে নতুনকৰি লিষ্ট প্ৰস্তুত কৰিবনেকি ?

★ শ্ৰীগোলোক ৰাজবংশী ঃ— উত্তৰ শালমৰাৰ পৰা যিখন তালিকা দিছে সেইখন পৰীক্ষাধীন হৈ আছে। আসোৱাহ থাকিলে মাননীয় সদস্যৰ পৰামৰ্শ লম।

(Starred Question No. 225 was lapsed)

Mr. Speaker :- Starred Question No. 226, Questioner Shri Jatin Mali, Minister, State, Education to reply.

**বিষয় ঃ— শিক্ষক শিক্ষয়িত্ৰী নিয়োগ।**

শ্ৰীযতীন মালিয়ে সুধিছে ঃ

★ ২২৬। মাননীয় শিক্ষা (প্ৰাথমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ ৩০ জুনৰ পৰা ১৯৯৪ চনৰ ৩১ জানুৱাৰীলৈ গুৱাহাটী মহকুমাৰ অন্তৰ্গত বিধান সভা সমষ্টি কেইটাত L.P., M.E. আৰু M.V. স্কুল সমূহত সৰ্ববমুঠ কিমানজন শিক্ষক শিক্ষয়িত্ৰী নিয়োগ কৰা হল ?
(সমষ্টি ভিত্তিত নিয়োগ কৰা শিক্ষকৰ সংখ্যা আৰু নাম দিয়ে যেন।)

(খ) নাৰেঙ্গী এম, ই স্কুলত বৰ্ত্তমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কিমান আৰু শিক্ষক শিক্ষয়িত্ৰীৰ সংখ্যা কিমান ?
(শিক্ষক-শিক্ষয়িত্ৰীৰ নাম আৰু যোগদানৰ তাৰিখ দিয়ে যেন।)

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী)য়ে উত্তৰ দিছে ঃ—

(ক) (১) প্ৰাইমাৰী স্কুলত নিয়োগ কৰা শিক্ষকৰ সংখ্যা — মহকুমা ভিত্তিত— ৮০৪ জন।

---

★ Speech not corrected

(২) মধ্য ইংৰাজী বিদ্যালয় আৰু এম, ভি, ( M.E./M.V. ) স্কুলত মহকুমা ভিত্তিত শিক্ষক নিয়োগৰ সংখ্যা— ৭৫৪ জন। ( শিক্ষকৰ তালিকা দিয়া হ'ল। ) ( সদনৰ মেজৰ বাবে তালিকা ৰখা হ'ল ) সমষ্টি ভিত্তিত তালিকা জিলা শিক্ষা বিষয়াৰ পৰা পোৱাৰ লগে লগে পঠোৱা হ'ব। ( See the Annexure— II )

(খ) নাৰেঙ্গী মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকৰ সংখ্যা— ১৯ জন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা— ২৪৫ জন। শিক্ষক-শিক্ষয়ত্ৰী সকলৰ নাম আৰু কামত যোগদানৰ তালিকা সংলগ্ন কৰা হৈছে। নাৰেঙ্গী মধ্য ইংৰাজী বিদ্যালয়ৰ পৰা দুইজন শিক্ষকক বেছি ছাত্ৰ-ছাত্ৰী থকা অইন বিদ্যালয়লৈকে বদলি কৰা হৈছে। ( See the Annexure— III )

★ শ্ৰীযতীন মালি ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে যে গুৱাহাটী মহকুমাত ১৯৯১ চনৰ পৰা ১৯৯৪ চনৰ জানুৱাৰী মাহলৈকে যি সকল শিক্ষক শিক্ষয়ত্ৰী নিয়োগ কৰা হৈছে তেখেত সকলৰ ভিতৰত সাক্ষাতকাৰ নিদিয়া প্ৰাৰ্থীকো নিযুক্তি দিয়া হৈছে, এই বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে ?

★ গৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, এই বিষয়ে মই অৱগত নহয়।

★ শ্ৰীযতীন মালি ঃ- অধ্যক্ষ মহোদয়, যদি সাক্ষাতকাৰত নবহা কোনো প্ৰাৰ্থীক শিক্ষক বা শিক্ষয়ত্ৰী হিচাবে নিয়োগ কৰা হৈছে তেন্তে মন্ত্ৰী মহোদয়ে তেনে লোকৰ ওপৰত তদন্ত কৰি ব্যৱস্থা লবনে ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, যদি এনে হৈছে তেন্তে ব্যৱস্থা লম।

★ শ্ৰীভূপেন ৰায় ঃ- অধ্যক্ষ মহোদয়, উত্তৰ শালমৰাতো যদি এনে হৈছে তেন্তে মন্ত্ৰী মহোদয়ে তদন্ত কৰাৰ ব্যৱস্থা কৰিবনে ?

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, এইটো মই চাম।

★ শ্ৰীমহিবুল হক ঃ- অধ্যক্ষ মহোদয়. মন্ত্ৰী মহোদয়ে ধুবুৰী মহকুমাৰ বিষয়টোও চাবনেকি ?

★ Speech not corrected

★ শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, এইটো মই চাম।

Mr. Speaker :- Now Question No. 227

**বিষয় ঃ- গ্ৰাম্য বৈদ্যুতিকৰণৰ উপ-সংমণ্ডল কেন্দ্ৰ।**

শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

★ ২২৭। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰ্ত্তমানলৈ কাছাৰ জিলাত কিমানটা REC Sub-Division আছে ?

(খ) এই Sub-Division বোৰ কোন কোন গাওঁত ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ অৰ্থ বছৰ অনুযায়ী গ্ৰামীন বৈদ্যুতিকৰণ কৰা হৈছে ?

( বিশদ তালিকা সদনৰ মেজত দাখিল কৰিব )

(গ) কোন কোন Sub-Division ত আয়ত্বাধীন, কিমানটা লাইন অৰ্ধ সমাপ্ত অৱস্থাত কিমান দিন পৰ্য্যন্ত কৰি আছে ?

( তাৰ তালিকা সদনৰ মেজত দাখিল কৰিব )

শ্ৰীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ ) য়ে উত্তৰ দিছে ঃ

(ক) কাছাৰ জিলাত বৰ্ত্তমানলৈকে মুঠ ৩টা REC Sub-Divisional কাৰ্য্যালয় আছে।

(খ) উক্ত Sub-Division বোৰৰ অধীনস্থ ১৯৯১-৯২, ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনৰ অৰ্থ বছৰটোত বৈদ্যুতিকৰণ কৰা গাওঁ সমূহৰ সংখ্যা এনেধৰণৰ ঃ-

১। উদাৰবন্দ গ্ৰাম্য বৈদ্যুতিকৰণ Sub-Division ১৪ খন।
২। সোনাই " " " ৪ খন।
৩। কালাইন " " " ৭ খন।

ইয়াৰ তালিকা সদনত দিয়া হল।

(গ) উক্ত Sub-Division অৰ অন্তৰ্গত বৈদ্যুতিকৰণ নোহোৱাৰ সংখ্যা এনে ধৰণৰ ঃ-

১। উদাৰবন্দ গ্ৰাম্য বৈদ্যুতিকৰণ Sub-Division ১০০ খন।
২। সোনাই " " " ৫২ খন।
৩। কলাই " " " ৫৪ খন।

এই গাওঁ সমূহৰ তালিকা সদনত দাখিল কৰা হ'ল।

---

★ Speech not corrected

★ শ্ৰীপৰিমল শুক্লবৈদ্য ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে কি উত্তৰ দিলে মই ভালকৈ নুশুনিলো, অনুগ্ৰহ কৰি তেখেতে পুনৰ উত্তৰটো দিবনেকি ?

মাননীয় অধ্যক্ষ ঃ- মিঃ দাস আপুনি পিচৰ মাইকটোলৈ গৈ কওক ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ ) ঃ- ( প্ৰশ্নৰ উত্তৰটো পুনৰ পঢ়ে । )

★ শ্ৰীপৰিমল শুক্লবৈদ্য ঃ- মাননীয় অধ্যক্ষ মহোদয়, মই 'গ' প্ৰশ্নত কোন কোন চাবডিভিজনত কিমানটা লাইন কিমান দিন ধৰি অৰ্দ্ধসমাপ্ত অৱস্থাত আছে জানিব খুজিছিলো । কিন্তু মন্ত্ৰী মহোদয়ে উত্তৰত কৈছে যে উদাৰবন্দত — ১০০ খন, সোনহিত — ৫২ খন আৰু কলাইত — ৫৪ খন । মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে কিমান দিন ধৰি এই লাইনবোৰ অৰ্দ্ধসমাপ্ত অৱস্থাত পৰি আছে আৰু ইয়াৰ কাৰণ কি ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ ) ঃ- অধ্যক্ষ মহোদয়, এই লাইনবোৰ বহুতদিন ধৰি অৰ্দ্ধসমাপ্ত হৈ পৰি আছে । প্ৰয়োজনীয় পুঁজি পালেই ইয়াক সম্পূৰ্ণ কৰি তোলা হব ।

★ শ্ৰীপৰিমল শুক্লবৈদ্য ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে বহুদিন বুলি কৈছে — আচলতে কেতিয়াৰ পৰা পৰি আছে জনাবনে ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, তাৰিখটো কব নোৱাৰিম কিন্তু ১৯৮৫-৮৬ চনৰ পৰাই পৰি আছে আজিলৈকে অৰ্দ্ধসমাপ্ত অৱস্থাত ।

★ পৰিমল শুক্লবৈদ্য ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ১৯৮৫-৮৬ চনৰ পৰাই পৰি আছে বুলি কৈছে । মই জনাত য'ত পোষ্ট আছে তাত ট্ৰেন্সফৰমাৰ নাই, ক'ৰবাত বা পোষ্ট আছে, ট্ৰেন্সফৰমাৰ আছে কিন্তু কৰ্ম্মচাৰী নাই, ক'ৰবাত বা একোৱেই নাই । মন্ত্ৰী মহোদয়ে জনাবনে এই লাইনবোৰ কেতিয়াকৈ সম্পূৰ্ণ হব ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, প্ৰয়োজনীয় পুঁজি পালেই এইবোৰ সোনকালে কৰাৰ ব্যৱস্থা কৰা হব ।

★ শ্ৰীহিতেশ ডেকা ঃ- অধ্যক্ষ মহোদয়, এই লাইনবোৰ অৰ্দ্ধসমাপ্ত হৈ

---

★ Speech not corrected.

পৰি থকাৰ কাৰণে ইয়াৰ তাৰ আৰু অনান্য বয়-বস্তু বিভাগৰ কৰ্ম্মচাৰীয়ে চুৰি কৰি বিক্ৰী কৰিছে এই বিষয়ে মন্ত্ৰী মহোদয় অবগতনে ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে বিভাগীয় কৰ্ম্মচাৰী চুৰি কাৰ্য্যত জড়িত বুলি যিটো অভিযোগ আনিছে সেই বিষয়ে তেখেতে স্পেচিফিক উদাহৰণ দিলে কঠোৰ ব্যৱস্থা লোৱা হব ?

★ শ্ৰীহিতেশ ডেকা ঃ- অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে জনাবনে আৰু, ই, চিত কিমান তাৰ চুৰি হৈছে আৰু ইয়াৰ লগত বিভাগৰ কিমান কৰ্ম্মচাৰী জড়িত আছে জনাবনে ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, ইয়াৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব ।

★ শ্ৰীআল্লাউদ্দিন সৰকাৰ ঃ- অধ্যক্ষ মহোদয়, মই আপোনাৰ জড়িয়তে মন্ত্ৰী মহোদয়ৰ পৰা এটা কথা জানিব খুজিছো সেইটো হৈছে কোনো এখন গাৱত এটা খুটা পুতি এটা বাল্ব জলালেও বোলে সেইখন গাওঁ বৈদ্যুতিকৰণ হৈ যোৱা বুলি ধৰা হয় কথাটো সচানে ? এই বিভাগৰ এজন বোলে প্ৰধানমন্ত্ৰী ও আছে, যিজন যোৱা ১টা বছৰত যথেষ্ট শক্তিশালী হৈ উঠিছে । কিন্তু এটা বাল্ব জলিলেই এখন গাওঁ বৈদ্যুতিকৰণ কৰাটো সচানে ?

★ শ্ৰীগোপী নাথ দাস ( ৰাজ্যিক মন্ত্ৰী ) ঃ- অধ্যক্ষ মহোদয়, গ্ৰাম্য বৈদ্যুতিকৰণ ব্যৱস্থাটো কেন্দ্ৰীয় চৰকাৰৰ নীতি নিৰ্দ্ধেশনা মতে কৰা হয় । মাননীয় সদস্য গৰাকীয়ে যিটো প্ৰশ্ন কৰিছে সেইটো এতিয়াও প্ৰযোজ্য হৈ আছে কেন্দ্ৰীয় চৰকাৰৰ নীতি মতে ।

Mr. Samarendranath Sen — Whether Hon'ble Minister Rural Electrification will kindly inform the House about the action taken on some of the villages under Silchar Block where people of those villages have been running pillar to post for the last 7 to 8 years for getting electricity. When they went to REC office at Udarband they have been directed to go to Hailakandi to meet the Supdt. as he is staying there. From there they are directed to meet Chief

★ Speech not Corrected

Engineer at Guwahati. Whether Minister takes some steps to provide electricity to those villages immediately. Minister is saying that there is shortage of fund. It is a very sorry state of affairs. They are all the time saying like this, when the fund position will improve ? Please tell clearly when this will be done ?

★ শ্ৰীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্ৰী, বিদ্যুৎ বিভাগ ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেইটো পৰীক্ষাধীন হৈ আছে আৰু কেনেকৈ সমাধান কৰিব পাৰি চিন্তা ভাৱনা কৰি থকা হৈছে। মই আগতেই কৈছো প্ৰয়োজনীয় পূঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব।

★ শ্ৰীপদ্মেশ্বৰ দলে ঃ— মাননীয় অধ্যক্ষ মহোদয়, কথা হল বিদ্যুৎ মন্ত্ৰীয়ে পূঁজি সাপেক্ষে ব্যৱস্থা লোৱা হব বুলি কৈছে । আমি জানো যে ১৯৮৮-৮৯ চনতে গ্ৰাম্য বৈদ্যুতিকৰণৰ কাৰণে টকা-পইচা চেংচন দিয়া হৈছিল। সেই সময়তে মাজুলিত ৫৫ খন বৈদ্যুতিকৰণৰ কাৰণে সামৰি লোৱা হৈছিল। কিন্তু তাত কিমান তাঁৰ চুৰি হৈছিল, কিয় আজি পৰ্য্যন্ত আঁচনিৰ কাম সম্পূৰ্ণ নহল Fund was provided to supply electricity but this matter has been dropped. সেই কাৰণে মন্ত্ৰী মহোদয়ে পূঁজি সাপেক্ষে কাম কৰিব পাৰিম বুলি কলে নহব। মোৰ কথা হৈছে আগতে চেংচন হোৱা টকা-পইচা বোৰ কলৈ গ'ল ? গতিকে আজি পূঁজি নাই বুলি কলেই নহব । এই বিলাক কোনে নিলে কেতিয়া নিলে গোটেই কথা বিলাকৰ মন্ত্ৰী মহোদয়ে স্পষ্ট উত্তৰ দিব লাগে ।

★ শ্ৰীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্ৰী, বিদ্যুৎ বিভাগ ) ঃ- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যিটো কথা কৈছে, তেখেতে লিখিত ভাৱে জনালে প্ৰয়োজনীয় ব্যৱস্থা লব পাৰিম ।

★ শ্ৰীজয়নাথ শৰ্মা ঃ— মাননীয় অধ্যক্ষ মহোদয়, ১৯৮৮-৮৯, ১৯৮৯-৯০ চনতে যিটো টকা দিছিল। কেন্দ্ৰীয় চৰকাৰে যি টকা দিছিল সেইখিনি কামত খৰচ কৰিব নোৱাৰাৰ কাৰণে পুনৰ ১৯৯০-৯১ চনত টকা নেপালে কথাটো সঁচা নেকি ?

---

★ Speech not corrected

★ শ্ৰীগোপীনাথ দাস (ৰাজ্যিক বিদ্যুত মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো প্ৰশ্ন কৰিছে সেইটো বেলেগে অৰ্থাৎ চেপৰেট হিচাপে কৰিলে উত্তৰ দিব পৰা যাব।

Mr. Speaker : Now Question No. 228

**বিষয় :— উল্টা খান্দা আঁচনি ।**

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

★ ২২৮। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) বৰমা সমষ্টিৰ নমাটি মৌজাৰ লাউদিঙি জানৰ (পলিষ্টাৰ ওচৰত) উল্টাখান্দা নিয়ন্ত্ৰনৰ কিবা আঁচনি আছে নেকি ?

(খ) যদি আছে কেতিয়াকৈ কাম কৰাৰ ব্যৱস্থা লব জনাব নেকি ?

(গ) ধমধমাৰ ওচৰত জাৰতালুক গাওঁৰ পাগলাদিয়া নদীৰ খহনীয়া ৰোধ কৰাৰ বাবে বিভাগে কিবা আঁচনি লৈছে নেকি ?

শ্ৰীৰচিদুল হক (ভূমি সংৰক্ষণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) বৰ্ত্তমান নাই ।

(খ) প্ৰশ্ন নুঠে ।

(গ) জাৰতালুক গাওঁৰ পাগলাদিয়া নদীৰ খহনীয়া ৰোধ কৰাৰ বাবে পাগলাদিয়া ভূমি সংৰক্ষণ সংমণ্ডলৰ তৰফৰ পৰা কোনো আঁচনি লোৱা হোৱা নাই ।

শ্ৰীপানীৰাম ৰাভা :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে মোৰ প্ৰথম প্ৰশ্নটো বৰ্ত্তমান নাই বুলি কৈছে । যোৱা ১৯৯৩ চনতে অক্টোবৰ মাহত এই আঁচনিৰ কাৰণে ডিৰেক্টৰৰ তৰফৰ পৰা এখন চিঠি গৈছিল ডি, অ'লৈ । তেখেতে চাৰ্ভে কৰি ১১ লাখ টকা এই আঁচনিত লাগিব বুলি কৈছিল । জনসাধাৰণৰ আগত মিটিঙটো সেই কথা কৈছিল এতিয়া আকৌ মন্ত্ৰী মহোদয়ে কৈছে আঁচনি নাই বুলি । গতিকে সেই অঞ্চলৰ ৰাইজক কিয় কৈছিল তাত এটা আঁচনি লোৱা হব বুলি । আগৰ প্ৰশ্নোত্তৰ কালটো তেখেতে জাৰতালুক গাওঁৰ পাগলাদিয়া নদীৰ খহনীয়া ৰোধ কৰাৰ বাবে কোনো আঁচনি লোৱা হোৱা নাই বুলি জনাইছে। কিন্তু আমি জানো যে নলবাৰীত এই বিভাগৰ দ্বাৰা ৫০ লাখ টকা ধৰা হৈছিল । এই টকা গড়া

★ Speech not corrected

খহনীয়া ৰোধৰ আঁচনিত খৰচ নকৰি কত খৰচ কৰা হল জনাবনে ?

★ শ্ৰীৰচিদুল হক (ৰাজ্যিক ভূমি সংৰক্ষন মন্ত্ৰী) :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেইটো মই তদন্ত কৰিম আৰু তেখেতক জনাম। তথাপিটো তেখেতৰ জ্ঞাতাৰ্থে এটা কথা ইয়াত উল্লেখ কৰিব পাৰি যে বৰমা সমষ্টিৰ নমাটি মৌজাৰ অন্তৰ্গত লাউদিঙি জানত উল্টাখান্দা অধ্যুষিত এলেকা বিভাগীয় ভাৱে পৰিদৰ্শন কৰা হৈছে আৰু আঁচনি প্ৰস্তুত কৰি থকা হৈছে। আৱশ্যকীয় ধনৰ আৱণ্টন পালে ১৯৯৪-৯৫ বিত্তীয় বছৰত ৰূপায়িত কৰাৰ চেষ্টা কৰা হব।

জাৰতালুক গাওঁৰ ওচৰেৰে পাগলাদিয়া নদী বৈ গৈছে। পাগলাদিয়া নদীয়ে উক্ত গাওঁখনৰ ওচৰত গড়া খহনীয়াৰ সৃষ্টি কৰি নদীৰ গতি সলনি কৰিছে। উক্ত নদী খনৰ আঁচনিখন হাতত লৈ গড়া খহনীয়া প্ৰতিৰোধ কৰিবলৈ হলে নদীৰ সোত পৰিবৰ্ত্তন কৰিব লাগিব আৰু ইয়াক কাৰ্য্যকৰী কৰিবলৈ হলে কমেও ১৫-২০ লাখ টকাৰ প্ৰয়োজন হব। উক্ত বিভাগৰ ফালৰ পৰা তেনেকুৱা কোনো ডাঙৰ আঁচনি লোৱাৰ ব্যৱস্থা নাই।

★ শ্ৰীৰমেন্দ্ৰনাৰায়ন কলিতা :- মাননীয় অধ্যক্ষ মহোদয়, ১৯৯৩-৯৪ বৰ্ষ বছৰটোতে ভূমি সংৰক্ষনৰ হেড অফিচত ১০ লাখ টকা আৰ্টফিলিংৰ কাৰণে এজন মানুহক দিছিল তাত দেখা গল যে ১ লাখ মান টকাৰ হে কাম কৰা হল বাকী ৯ লাখ টকা আত্মসাৎ কৰা হল এই কথাটো মন্ত্ৰী মহোদয়ৰ অৱগতনে ? তেখেতে এইটো তদন্ত কৰি সদনৰ মজিয়াত দাখিল কৰিব নে ?

★ শ্ৰীৰচিদুল হক ( ৰাজ্যিক ভূমি সংৰক্ষন মন্ত্ৰী ) :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেইটো মোৰ অৱগত নহয়। সেই অভিযোগটো তদন্ত কৰি তেখেতক জনাব পাৰিম।

★ শ্ৰীআব্দুল জলিল ৰাগিবি :— মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী অহোদয়ে যমুনা মুখত যাওঁতে পাৱলিক মিটিঙত তাত এখন আচঁনি লোৱা হব বুলি কৈছিল। যমুনা মুখৰ সেই আঁচনি কেতিয়া লোৱা হব জনাবনে ?

★ শ্ৰীৰচিদুল হক ( ৰাজ্যিক ভূমি সংৰক্ষন মন্ত্ৰী ) :- মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যজনে যিটো কথা কৈছে সেইটো সঁচা। মই মিটিং এখনত কৈছিলো আৰু সেই মৰ্মে বিভাগীয় বিষয়া সকলক এখন আচঁনি প্ৰস্তুত

★ Speech not corrected

কৰিবৰ কাৰণে কৈছো। তেখেত সকলে তদন্ত কৰি জনাব।

★ পানীৰাম ৰাভা ঃ— মাননীয় অধ্যক্ষ মহোদয়, পাগলাদিয়া নদীৰ খহনীয়া চাবলৈ পঠিওয়া হৈছিল তাৰ ওপৰতো ব্যৱস্থা লব নেকি ?

★ শ্ৰীৰচিহুল হক ( ৰাজ্যিক ভূমিসংৰক্ষন মন্ত্ৰী ) ঃ— মাননীয় অধ্যক্ষ মহোদয়, যদি সম্ভৱ হয় ব্যৱস্থা লোৱা হব।

Mr. Speaker : Now Question Hour is over.

( Starred Question Nos. 229 to 240 could not be taken up for disposal as the Question Hour was over. However, the replies of the said Questions deemed to have been laid on the table of the House )

## বিষয় ঃ- বিদ্যুৎ যোগান।

শ্ৰীভৰত চন্দ্ৰ নৰহে সুধিছে ঃ-

★ ২২৯। মাননীয় গ্ৰাম্য দৈত্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ঢকুৱাখানা আৰু ঘিলামৰা গ্ৰাম্য বৈদ্যুতিকৰণ উপ-সংমন্দলৰ অৰ্ন্তগত গাওঁসমূহত বিদ্যুৎ যোগানৰ বাবে মুঠ কিমান ট্ৰেন্স্‌ফৰমাৰৰ (Transformar) প্ৰয়োজন ?

(খ) উক্ত ট্ৰেন্স্‌ফৰমাৰবোৰ ( প্ৰয়োজন খিনি ) যোগান দিয়া হৈছেনে ?

শ্ৰীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ ) য়ে উত্তৰ দিছে ঃ—

(ক) তিনিশ পঞ্চলিশ (৩৪৫) টা।

(খ) এশ পঞ্চলিশ ( ১৪৫ ) টা যোগান দিয়া হৈছে।

## বিষয় ঃ— বন্যায় ক্ষতিগ্ৰস্থ

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদাৰে জিজ্ঞাসা করছেন ঃ—

মাননীয় বন্যা নিয়ন্ত্ৰণ বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ?

(ক) ১৯৯৩ ইং প্ৰবল বন্যায় আসামের যে সব বন্যা নিয়ন্ত্ৰণ বাঁধ ক্ষতিগ্ৰস্থ হয়েছে, সে গুলা এই আৰ্থিক বৎসরে জৰুরী ভিত্তিতে মেরামত করা হবেকি ?

(খ) হাইলাকান্দি জেলায় বন্যায় ক্ষতিগ্ৰস্থ বন্যা নিমন্ত্ৰণ বাঁধের দৈৰ্ঘ্য কত ?

(গ) ঐ সব বাঁধ মেরামতের জন্য সরকার এপৰ্যন্ত কত টাকা ব্যয় করেছেন ? এবং কোন কোন জায়গায় ব্যয় করেছেন ?

---

★ Speech not corrected.

(ঘ) হাইলাকান্দি জেলায় এল, এ ৬ নির্বাচন চক্রে "বাঁশউহরে" এ পর্য্যন্ত কত টাকা ব্যয় করা হয়েছে ?

শ্রীহরেন ভূমিজ ( বন্যা নিয়ন্ত্রন বিভাগের মন্ত্রী ) য়ে উত্তর দিয়েছেন :

(ক) হ্যাঁ, চেষ্টা করা হচ্ছে।

(খ) হাইলাকান্দি জেলায় বন্যায় ক্ষতিগ্রস্থ হওয়া বাঁধের দৈর্ঘ্য সর্ব্বমোট ৩৩ কিঃ মিঃ।

(গ) আজ অবধি সরকার মোট ৬ ( ছয় ) লক্ষ টাকা নিম্নলিখিত স্থান সমুহে ব্যয় করেছেন ঃ

১) মনিপুর ২) কার্ত্তিকচেরা ৩) সাহাবাদ ৪) ধলাই ৫) মহাদেব টিলা ৬) মহম্মদপুর ৭) বিষ্ণুপুর ৮) লালামুখ ৯) গগলাচেরা ১০) নতুন বাজার ১১) মোহনপুর ১২) নারায়ণপুর ১৩) রতনপুর ঘাট ১৪) বেড়াখাল ১৫) তামলা ১৬) বকরি হাওর অঞ্চল।

(ঘ) বাঁশউহর নামে হাইলাকান্দি জেলায় এল, এ ৬ নির্বাচন চক্রে কোন স্থান নেই। অরশ্চে 'বাশ্‌দহর' নামে মাটিজুরি পি, ডব্লিউ, ডি ব্রীজের দক্ষিণে কাটাখাল নদীর বামতীরে গত বন্যায় যে ক্ষতি হয়েছে তার মেরামতির জন্য ২০.৫০ লক্ষ টাকার একটি যোজনা তৈরী করে গ্রামীন উন্নয়ণ বিভাগকে কার্য্যকরী করণের জন্য দেওয়া হয়েছে।

## বিষয় ঃ কৃষি আর খাদ্য প্রস্তুতকরণ বিভাগের আচঁনি।

শ্রীপ্রনব কুমার নাথে, জিজ্ঞাসা করছেন ঃ

★ ২৩১। মাননীয় কৃষি আর খাদ্য প্রস্তুতকরণ বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ঃ

ক) এই বিভাগ থেকে ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ অর্থ বর্ষ অনুযায়ী কি কি Scheme নেওয়া হয়েছে, জিলা ভিত্তিক তথ্য সদনের মেজে দাখিল করিবেন ?

(খ) করিমগঞ্জ জিলার জন্য বর্ত্তমান অর্থ বছরে কি কি Scheme নেওয়া হয়েছে ?

শ্রীরশীদূল হক ( রাজ্যিক মন্ত্রী, কৃষি খাদ্য প্রস্তুতকরণ উদ্যোগ ) য়ে উত্তর দিয়েছেন ঃ

---

★ Speech not corrected

(ক) ১৯৯১-৯২, ১৯৯২-৯৩ বছরে এই বিভাগ গঠন হয়নি। ১৯৯৩-৯৪ সালে খাদ্য প্রস্তুতকরণ মন্ত্রণালয় গঠন করা হয়েছে। কিন্তু এই বিভাগ থেকে এই পর্য্যন্ত সরকারী খণ্ডে কোনো আচঁনি গ্রহন করা হয়নি।

(খ) প্রশ্ন উঠে না।

## বিষয়ঃ— শিক্ষা আয়োগৰ পৰামৰ্শ।

শ্ৰীদিলীপ কুমাৰ শইকীয়াই সুধিছে ঃ

★ ২৩২। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) প্ৰস্তাৱিত শিক্ষা আয়োগখনে পৰামৰ্শ সমূহ কেতিয়া দাখিল কৰিব ?

(খ) অসমৰ উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ দ্বাৰা স্বীকৃতিপ্ৰাপ্ত আৰু অসম চৰকাৰৰ দ্বাৰা স্বীকৃত ( Government concurrence on Recognation) কণিষ্ঠ মহাবিদ্যালয় সমূহক জেষ্ঠতাৰ ভিত্তিত অনতিপলমে প্ৰাদেশীকৰণ কৰাৰ ব্যৱস্থা কৰিবনে ?

(গ) শিক্ষা সংসদৰ দ্বাৰা অনুমতি প্ৰাপ্ত আৰু অসম চৰকাৰৰ পৰা অনুমোদিত ( Government Concurrence on permission ) কণিষ্ঠ মহাবিদ্যালয় সমূহক মাহিলী অতি কমেও দহ হেজাৰ টকাকৈ সোনকালে কাৰ্যকৰী হোৱাকৈ তদৰ্থ মঞ্জুৰী (Adhoc Grant ) দিয়াৰ ব্যৱস্থা কৰিব নে ?

ঘ) যি বিলাক কণিষ্ঠ মহাবিদ্যালয় ইতিমধ্যে অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ পৰা অনুমতি পাইছে সেই মহাবিদ্যালয় সমূহকো চৰকাৰে অনতি পলমে অনুমতি (Government Concurrence on permission) দিয়াৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) অন্তৰ্ৱৰ্ত্তী প্ৰতিবেদন এখন আশা কৰা হৈছে। সময়ত চুড়ান্ত প্ৰতিবেদন আশা কৰিব পাৰি।

(খ) বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

(গ) তদৰ্থ মঞ্জুৰী দিয়াৰ প্ৰস্তাৱ বৰ্ত্তমান চৰকাৰৰ হাতত নাই।

(ঘ) বিভাগীয় নিয়মানুযায়ী চৰ্ত্তপূৰ্ণ কৰা কণিষ্ঠ মহাবিদ্যালয় সমূহক উপযুক্ততাৰ ভিত্তিত চৰকাৰৰ তৰফৰ পৰা অনুমতি (Government Concurrence on permission ) দি থকা হৈছে।

★ Speech not corrected

বিষয় :— ব্যৱসায়িক বিষয়ত শিক্ষাদান।

শ্ৰীবদন বৰুৱাই সুধিছে :

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৱনে ?

(ক) অসমৰ কিমান খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ব্যৱসায়িক ( ভোকেচনেল ) বিষয়ত শিক্ষাদানৰ ব্যৱস্থা আছে ?

(খ) ব্যৱসায়িক বিষয় থকা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ কেন্দ্ৰীয় চৰকাৰে পোনে পোনে বিদ্যালয়ৰ নামত ডেৰ লাখকৈ অৰ্থ সাহাৰ্য্য ১৯৯১-৯২ আৰু ১৯৯২-৯৩ বিত্তীয় বছৰত দিয়া কথা সচানে ?

(গ) যদি সচা লক্ষীমপুৰ জিলাৰ পানীগাওঁ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ অহা এই অৰ্থ সাহায্য শিক্ষা বিভাগে মোকোলাই দিছেনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) ১০০ (এক শ) খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত ।

(খ) পোনে পোনে বিদ্যালয়লৈ অৰ্থ সাহায্য আগবঢ়োৱাটো সচা নহয়, কিন্তু ৰাজ্য চৰকাৰৰ জৰিয়তেহে কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্য ১৯৯১-৯২ আৰু ১৯৯২-৯৩ ৰ বাবে আগবঢ়ায় ।

(গ) দিয়া হোৱা নাই ।

**Sub : Non Formal Education.**

Shri Dewan Joynal Abedin, asked :

★ 234. Will the Minister of Education be pleased to State :

(a) Whether the state Government is laying adequate and due emphasis on Non-Formal-Education at a time when the Central Government has stressed on 'Education for all' ?

(b) Whether it is a fact that as a result of Non-release of state share of the fund for the Non-formal Education, Instructors have not-received their meagre remuneration for the Last two years ?

---

★ Speech not corrected

(c) Whether it is a fact that the District officers of Non-formal Education do not have any financial power ?

(d) Whether the Government is contemplating to seperate the Budgetory allocation for the Directorate of Non-formal Education from that of the Directorate of Elementary Education ?

Shri Gautam Bora ( Minister of State , Education ) replied :

(a) Yes.

(b) The state share for remunaration of instructors has been released for payment.

(c) Yes.

(d) Yes.

বিষয় ঃ ব্লেক বোৰ্ডৰ পুঁজি ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই, সুধিছে ঃ

★ ২৩৫। মাননীয় শিক্ষা ( ৰাজ্যিক ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত ব্লেক বোৰ্ড আচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে কিমান পুঁজি দিছে ?

(খ) এই আচনিৰ জৰিয়তে কি কি সামগ্ৰী ক্ৰয় কৰিছে আৰু কোন কোন অনুস্থান বা ব্যক্তিক সামগ্ৰী ক্ৰয় কৰাৰ বাবে দিয়া হৈছে, জনাব নে ? ( সামগ্ৰী ও অনুস্থান বা ব্যক্তিৰ যোগান ধৰাৰ তালিকা এখন মেজত দিব )

(গ) উল্লেখিত সামগ্ৰী সমূহ ক্ৰয় কৰাৰ পদ্ধতি বা নীতি কি ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) অপাৰেচন ব্লেক বৰ্ড আচনিৰ জৰিয়তে ১৯৯২-৯৩ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা ১৪,১২,৮২,০৭৬'০০লাখ টকাৰ পুঁজি পোৱা হৈছে । ১৯৯৩-৯৪ চনত কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ টকা পোৱা নাই ।

(খ) এই আচনিৰ জৰিয়তে ক্ৰয় কৰিব লগিয়া সামগ্ৰী আৰু ক্ৰয় কৰা

কিতাপৰ তিনিখন তালিকা ( অনুবন্ধ — ক ) ত সদনৰ মেজত ৰখা হ'ল।
( See the Annexure—IV )

(গ) সামগ্ৰী সমূহ চৰকাৰৰ অনুমোদিত ক্ৰয় বোৰ্ডৰ অনুমোদন সাপেক্ষে ক্ৰয় কৰা হয়।

## বিষয়ঃ— প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

★ ২৩৬। মাননীয় প্ৰাথমিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰে বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণৰ বাবে সিদ্ধান্ত কৰা ৩০০০ খনৰ ভিতৰত এতিয়ালৈকে কিমানখন চৰকাৰীকৰণ কৰা হল জনাবনে ?
( সমষ্টি ভিত্তিত হিচাবটো মেজত দিব )

(খ) চৰকাৰীকৰণ কৰা বিদ্যালয় সমূহত দ্বিতীয় শিক্ষক নিয়োগ সম্পৰ্কে দিয়া প্ৰতিশ্ৰুতি পালন কৰাত কি পদক্ষেপ লোৱা হৈছে ?

(গ) বাকী থকা সংখ্যা পূৰাবৰ বাবে কি ব্যৱস্থা লোৱা হৈছে ?

(ঘ) ৩০০০ খন চৰকাৰীকৰণ হৈ যোৱাৰ পিচত ৰাজ্যখনত বে-চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ মুঠ সংখ্যা কিমান থাকিব ?

(ঙ) ১৯৯৪-৯৫ চনৰ বিত্তীয় বছৰত কিমানখন বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰিবলৈ বিচৰা হৈছে ?

(চ) উক্ত বে-চৰকাৰী প্ৰাথমিক বিদ্যালয় চৰকাৰীকৰণৰ বাবে কি নীতি গ্ৰহণ কৰিছে ?

(ছ) উক্ত নীতিৰ ভিত্তিত বিধায়ক সকলক পূৰ্ব্বৰ দৰে এই অধিকাৰ দিয়া হবনে ?

(জ) যদি দিয়া নহয়, কিয় দিয়া নহব জনাবনে ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৭৬০ খন ( সমষ্টি ভিত্তিত সদনৰ মেজত তালিকা দিয়া হ'ল )
( See the Annexure—V )

(খ) ১৯৯৪-৯৫ চনত ২য় প্ৰতিষ্ঠাপক শিক্ষক জনক প্ৰাদেশীকৃত কৰা হব।

★ Speech not corrected

(গ) উচ্চ ন্যায়ালয়ৰ আদেশ অনুযায়ী জেষ্ঠতা আৰু প্ৰয়োজনীয় ভিত্তিত উপ-পৰিদশকৰ পৰা তালিকা বিচৰা হৈছে । তালিকা পালে ব্যৱস্থা লোৱা হব ।

(ঘ) সদ্যপ্ৰাপ্ত তথ্যমতে ৭৩৩৪ খন ।

(ঙ) অৰ্থ্যকীয় পুঁজিৰ ওপৰত নিৰ্ভৰ কৰিব ।

(চ) প্ৰশ্ন নুঠে ।

(ছ) প্ৰশ্ন নুঠে

(জ) প্ৰশ্ন নুঠে

**Sub. :– Opening Bodo Deptt. in Gauhati University.**

Shri Kamal Brahma , asked :

★ 237 . Will the Minister of Higher and Technical Education be pleased to State :

(a) Whether it is a fact that as per the discussion between the State Govt. of Assam and Bodo Sahitya Sabha the Bodo Department is to be opened in the year 1994 in Gauhati University ?

(b) Has any step been taken to that effect ?

Shri Golok Rajbangshi , ( Minister Education ( Higher ) replied :

(a) Gauhati University has accepted in Principle to introduce the post Graduate course in Bodo subject to availability of fund .

(b) The preparation of syllabus is in progress.

**বিষয় – চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা**

শ্ৰীদেবেন্দ্ৰ নাথ বৰুৱাই সুধিছে ঃ

★ ২৩৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত কিমানখন চৰকাৰী প্ৰাথমিক বিদ্যালয় আছে ?

(খ) উক্ত বিদ্যালয় বিলাকৰ ঘৰ সজা আৰু মেৰামতিৰ বাবদ যোৱা সাত বছৰত চৰকাৰে কিমান টকা ব্যয় কৰিছে ? ( ঘৰ সজা আৰু মেৰামতিৰ প্ৰতি বছৰৰ বেলেগে দেখুৱাব)

★ Speech not corrected

(গ) কোন কোন স্কুলত দিয়া হৈছে ?

(ঘ) উক্ত বিদ্যালয় সমূহ "আদর্শ বিদ্যালয়" হিচাবে ৰূপান্তৰিত কৰিবনে ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ৪২৪ খন ।

(খ) চৰকাৰী প্ৰাথমিক বিদ্যালয় মেৰামতিৰ বাবদ অনুদান দিয়াৰ তথ্য বছৰ অনুযায়ী তলত দেখুৱা হ'ল ।

১৯৮৭—৮৮ — ৪০ খন বিদ্যালয়ত মুঠ ২,৫২,০০০'০০ টকা ।

১৯৮৮—৮৯ — ৪৭ খন বিদ্যালয়ত মুঠ ৩,০২,০০০'০০ টকা ।

১৯৮৯—৯০ — ২২ খন বিদ্যালয়ত মুঠ ১,৫১,০০০'০০ টকা ।

১৯৯০—৯১ — ৪ খন বিদ্যালয়ত মুঠ ৮০০০'০০ টকা ।

১৯৯২—৯৩ — কোনো অনুদান দিয়া নাই ।

(গ) বিদ্যালয়ৰ তালিকা বছৰ অনুসৰি গাঠি দিয়া হ'ল । ( See the Annexure - VI )

(ঘ) পুঁজি সাপেক্ষে প্ৰতি মহকুমাত একোখনকৈ চৰকাৰী প্ৰাথমিক বিদ্যালয় 'আদৰ্শ বিদ্যালয়' হিচাপে গঢ় দিয়াৰ কথা চিন্তা কৰা হৈছে ।

## বিষয় ঃ— শিক্ষা বিভাগৰ নিৰ্দ্দেশনামা ।

শ্ৰীহিতেশ ডেকা আৰু

শ্ৰীনগেন শৰ্মাই সুধিছে ঃ

★ ২৩৯। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম চৰকাৰৰ শিক্ষা বিভাগৰ যুটীয়া সচিব ডাঙৰীয়াই মাধ্যমিক শিক্ষাৰ বিভিন্ন পদৰ নিযুক্তি সংক্ৰান্তত ১৮-০৬-৯৩ ইং তাৰিখে পিএমএ ১৯৮/৯২/পাৰ্ট-১/২৮ নম্বৰৰ এখন নিৰ্দ্দেশনামা মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালকলৈ প্ৰেৰণ কৰাটো সঁচা নেকি ?

(খ) যদি সঁচা-উল্লেখিত তাৰিখৰ পিছত মাধ্যমিক শিক্ষা বিভাগত হোৱা নিযুক্তি সমূহৰ ক্ষেত্ৰত উক্ত নিৰ্দ্দেশনামাৰ চৰ্তাৱলী মানি চলা হৈছে নে ?

(গ) যদি হোৱা নাই— চৰকাৰে কি কাৰ্য্যব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) সঁচা ।

---

★Speech not corrected

(খ) হৈছে, কিন্তু হাইস্কুলৰ পৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নিতকৰণৰ ক্ষেত্ৰত নতুনকৈ আৱণ্টন দিয়া ৩য় শ্ৰেণীৰ পদসমূহৰ ক্ষেত্ৰত সঞ্চালকে নিযুক্তি দিব পাৰে।

(গ) চৰকাৰৰ নীতি পালন কৰিবলৈ সঞ্চালকক কোৱা হৈছে।

## বিষয় ঃ শিক্ষক নিযুক্তি

শ্ৰীঅতুল বৰাই সুধিছে ঃ

★ ২৪০। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) দক্ষিন বেলতলা এম, ই, স্কুল, বেলতলা মাৰি পাৰা এম ই স্কুল, ১ নং হেঙেৰাবাৰী এল পি স্কুলত কিমান শিক্ষক বৰ্ত্তমান চৰকাৰৰ দিনত নিযুক্তি দিয়া হৈছে ?

(খ) উক্ত স্কুল কেইখনত বৰ্ত্তমান শিক্ষক / শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু পাঠদান কৰা শ্ৰেণীৰ সংখ্যা কিমান ?

(গ) পাঠদান কৰা কোঠা বা ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক / শিক্ষয়িত্ৰী নিযুক্তি দিয়াৰ নিয়ম আছে নে নাই ?

(ঘ) আছে যদি মানি চলা হৈছে নে নাই ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) (১) দক্ষিন বেলতলা মধ্য ইংৰাজী বিদ্যালয়ত ১২ জন।

(২) বেলতলা মাৰিপাৰা নামৰ মধ্য ইংৰাজী বিদ্যালয়খনত কোনো নিযুক্তি হোৱা নাই।

(৩) ১ নং হেঙেৰাবাৰী প্ৰাইমাৰী স্কুলত ১২ জন।

(খ) (১) দক্ষিন বেলতলা মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকৰ সংখ্যা ২০ জন। ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৮৩। পাঠদান কৰা শ্ৰেণীৰ সংখ্যা ৬টা। ( শাখা সহ )

(২) ১ নং হেঙেৰাবাৰী প্ৰাইমাৰী স্কুলত শিক্ষক / শিক্ষয়িত্ৰী ১৬ জন, ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৪৫৮ জন। পাঠদান কৰা শ্ৰেণী ৫টা।

(গ) আছে।

(ঘ) হৈছে।

---

★ Speech not corrected

## বিষয় :— পৰিচালনা সমিতিৰ নিৰ্ব্বাচন ।

শ্ৰীনিজামুদ্দিন খানে, সুধিছে :

৫৫১। মাননীয় সমবায় বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক] সমবায় সমিতি সমূহৰ পৰিচালনা সমিতি সমূহ নিৰ্ব্বাচিত কৰি পৰিচালনা কৰা হৈছে নে ?

খ] যদি হোৱা নাই তাৰ কাৰণ কি ?

গ] পৰিচালনা সমিতি সমূহৰ নিৰ্ব্বাচন অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীনগেন নেওঁগ ( সমবায় বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক] সকলোতে হোৱা নাই ।

খ] পৰিচালনা সমিতি সমূহে সময় মতে নিৰ্ব্বাচন নপতাৰ বাবে ।

গ] হয় ব্যৱস্থা কৰা হৈছে ।

## বিষয় :— প্ৰাথমিক বিদ্যালয়ের শিক্ষক নিয়োগ ।

শ্ৰীৰামপ্যাৰে ৰবিদাসে জিজ্ঞাসা করছেন :

৫৫২। মাননীয় রাজ্যিক শিক্ষা বিভাগের মন্ত্ৰী মহোদয়ে অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) প্ৰাথমিক বিদ্যালয় সমূহে শিক্ষক নিয়োগের ক্ষেত্ৰে সরকার কৰ্ত্তৃক নিৰ্ধারিত নীতি ও নিয়ম গুলি কি কি ?

(খ) অরসর প্ৰাপ্ত শিক্ষকদের ছেলে মেয়ের জন্য কি কোন ও বিশেষ ব্যৱস্থা আছে ? যদি থাকে তবে শতকরা হিসাব কি ? এবং এ পৰ্য্যন্ত নিয়োগ করা শিক্ষকদের মধ্যে অবসর প্ৰাপ্ত শিক্ষক-শিক্ষিকাদের ছেলে মেয়েদের কত জনকে নিয়োগ করা হইয়াছে ? ( গত জুলাই ১৯৯১ থেকে এখন পৰ্য্যন্ত করিমগঞ্জ জিলার খতিয়ান )

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিব :

(ক) চৰকাৰৰ চিঠি নং PMA , 198 / 92 / Part—I / 27 dt. 18-6-93 সিদ্ধান্তৰ নীতি নিয়ম মৰ্ম্মে শিক্ষক নিয়োগ কৰা হয় ।

(খ) অৱসৰ প্ৰাপ্ত শিক্ষকৰ লৰা-ছোৱালীক খালি হোৱা পদৰ ২০% সংৰক্ষণ কৰি নিয়োগৰ ব্যৱস্থা কৰা হয় । সংখ্যাৰ তথ্য বিচৰা হৈছে ।

বিষয়ঃ— বিদ্যুৎ লাইনের ব্যৱস্থা।

শ্রীমধুসুদন তেওয়ারী, জিজ্ঞাস করছেন ঃ

৫৫৩। মাননীয় বিদ্যুৎ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) করিমগঞ্জ জিলার পাথার কান্দি সমষ্টিতে ১৯৯২-৯৩ ইং বৎসরে মোট কত কিলোমিটার বিদ্যুৎ লাইন পাতা হয়েছে এবং কোন কোন জায়গায় ?

(খ) বিদ্যুৎ সরবরাহ ব্যৱস্থা ব্যর্থে হয়েছে কারণ গ্রাহকরা নুন্যতম মাছুল দিতেছে কিন্তু বিদ্যুৎ সরবরাহ প্রায় নাই বলিলেও চলে আর এই ব্যপারে চরকার অবগত আছেন কি ? যদি থাকেন উক্ত বিষয়ে কি ব্যৱস্থা গ্রহণ করিবেন ?

(গ) জিলার বিদ্যুৎ বিভাগে প্রয়োজনীয় সাজ সরঞ্জাম মোটেই নাই যেমন তার, খুটি, মিটার বক্স ইত্যাদি তাই এব্যাপারে সরকার সুষ্টু ব্যবস্থা গ্রহন করিবেন কি ?

শ্রীগোপীনাথ দাস (ৰাজ্যিক মন্ত্রী, গ্রাম্য বৈদ্যুতিকরণ) য়ে উত্তর দিছে ঃ

(ক) ১৯৯২-৯৩ বৎসরে করিমগঞ্জ জিলার পাথারকান্দি সমষ্টিতে কোনোও বিদ্যুৎ লাইন পাতা হয় নাই।

(খ) হা, অরগত আছেন এবং গুরত্ব অনুসারে ঐগুলি নিস্পতি করা হয়।

(গ) ক্রয় মূল্যের সাথে সামঞ্জস্য রেখে নির্দ্ধারিত বিদ্যুৎ মাশুল প্রয়োজ্য হওয়ার সাথে সাথে প্রয়োজনীয় সাজ-সরঞ্জাম যেমন তার খুটি, মিটার বক্স ইত্যাদি প্রয়োজন মতে উক্ত জিলায় যোগান ধরা হবে।

বিষয় ঃ— V. I. P. Guest House ৰ খৰচ।

শ্রীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

৫৫৪। মাননীয় শক্তি বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

(ক) ১৯৯২ চনৰ ১লা জানুৱাৰীত অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ নাৰেঙ্গীত থকা V.I.P অতিথিশালাৰ বাবে কিমান টকা / কি কাৰণত অনুমোদন কৰা হৈছিল ?

(খ) উক্ত টকা ব্যয় কৰাৰ পিছত কি হ'ল ?

(গ) শ্ৰমিক সংগঠনৰ পৰা কিবা অভিযোগ এই সম্পৰ্কত পাইছিল নেকি আৰু যদি পাইছিল, স্মাৰকত কি আছিল ?

শ্ৰীগোপীনাথ দাস (ৰাজ্যিক শক্তি (বিদ্যুৎ) মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯২ চনৰ ১লা জানুৱাৰীত অসম ৰাজ্যিক বিদুৎ পৰিষদে নাৰেঙ্গীত থকা I. V. P. অতিথিশালাৰ বাবে কোনো টকা অনুমোদন কৰা নাছিল।

(খ) ওপৰোক্ত উত্তৰৰ পৰিপ্ৰেক্ষিতত, প্ৰশ্ন নুঠে।

(গ) অসম ৰাজ্যিক বিদুৎ কৰ্ম্মী সংঘই এটা অভিযোগ উত্থাপন কৰিছিল। শ্ৰীসুৰেন ৰায় ফুকনে আয়োজন কৰা ভোজত পৰিষদৰ সদস্য (কৰ্ম্মচাৰী আৰু প্ৰশাসন) আৰু কৰ্ম্মচাৰী আদি উপস্থিত আছিল বুলি অনা অভিযোগ সম্পূৰ্ণ ভিত্তিহীন।

প্ৰশ্নটোত মধ্যাহ্ন ভোজনৰ তাৰিখটোও অশুদ্ধকৈ দিয়া হৈছে। উল্লেখিত মধ্যাহ্ন ভোজন ১৯৯২ চনৰ জানুৱাৰীত নহয়, ১৯৯৩ চনৰ ১লা জানুৱাৰীতহে কৰা হৈছিল।

**Re : Central Scheme of Soil Conservation.**

Shri Karendra Basumatary, asked :

553. Will the Minister of Soil Conservation be pleased to State :

(a) Whether it is a fact that Simaluguri Gully Control Scheme at Simaluguri, under T. S. P. area of Gerua Gaon Panchayat, Bechimari Development Block Office in the district of Darrang is yet to be taken up ?

(b) If so whether any amount of financial allocation would be granted ?

শ্ৰীবছিৰুল হক (ভূমি সংৰক্ষণ বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়।

(খ) প্ৰশ্ন নুঠে।

**Re : Fund released by the Election Commission.**

Sri Samarendra Nath Sen, asked :

556. Will the Minister of Flood Control be pleased to State.

(a) Whether any fund released by the Election Commission in 1991 for Borak Valley just on the eve of election for emergent F. D. R. Works ?

(b) If so, what was the amount ?

(c) Whether all liabilities of the said emergent work cleared ?

(d) If not reasons there of ?

Shri Haren Bhumij ( Minister F. C. ) replied :

(a) No.

(b) Does not arise.

(c) Does not arise.

(d) Does not arise.

## বিষয় : দ্বিতীয় শিক্ষক নিযুক্তি

শ্ৰীপানীৰাম ৰাভাই সুধিছে :

৫৫৭। মাননীয় শিক্ষা ( ৰাজ্যিক ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ১৯৯১-৯২ চনৰ নবেম্বৰ মাহত প্ৰাদেশীকীকৰণ কৰা প্ৰাথমিক বিদ্যালয় সমূহত দ্বিতীয় প্ৰতিস্থাপক শিক্ষক সকলক ১৯৯৪ ইং চনত নিযুক্তিৰ ব্যৱহা লব নেকি ?

(খ) ১৯৯১ ইং চনৰ নবেম্বৰ মাহত প্ৰাদেশীকীকৰণ কৰা মজলীয়া ( M.E. ) বিদ্যালয়ৰ চতুৰ্থ শ্ৰেণীৰ অবৈতনিক কৰ্মচাৰী সকসক ১৯৯৪ ইং চনত নিযুক্তিৰ ব্যৱস্থা লব নেকি ?

(গ) নলবাৰী জিলাৰ কিমান জন দ্বিতীয় প্ৰতিস্থাপক শিক্ষক / চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী নিযুক্তি দিবলৈ বাকী আছে জনাবনে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) ১৯৯৪-৯৫ বিত্তীয় বছৰত ২য় জন প্ৰতিস্থাপক শিক্ষকক প্ৰাদেশীকৃত কৰাৰ ব্যৱস্থা লোৱা হব।

(খ) পুঁজি সাপেক্ষে নিযুক্তিৰ ব্যৱস্থা লোৱা হব।

(গ) ১০৪ টা দ্বিতীয় প্ৰতিস্থাপক শিক্ষকৰ পদ আৰু ৩৭ খন মজলীয়া বিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ পদ নিয়মীয়া কৰিবলৈ বাকী আছে।

বিষয়ঃ— বিদ্যুৎ উৎপাদকৰ ক্ষমতা।

শ্ৰীশশকমল সন্দিকৈ য়ে সুধিছে ঃ

৫৫৮। মাননীয় বিদ্যুৎ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) অসমত বিদ্যুৎ উৎপাদনৰ মুঠ ক্ষমতা কিমান ?

(খ) প্ৰতি ইউনিট বিদ্যুৎ উৎপাদনৰ খৰছ আৰু যোগানৰ নিৰিখ ?

(গ) বৰ্ত্তমানে ৰাজ্যত এই বিভাগত কিমান শ্ৰমিক কৰ্ম্মচাৰী আছে ? এই বিভাগত থকা মুখ্য অভিযন্তা, অতিৰিক্ত মুখ্য অভিযন্তা আৰু মুঠ স্নাতক আৰু ডিপ্লমা হল্ডাৰ অভিযন্তাৰ সংখ্যা কিমান ?

শ্ৰীদেবানন্দ কোঁৱৰ ( মন্ত্ৰী, শক্তি ) য়ে উত্তৰ দিছে ঃ

(ক) অসম ৰাজ্যিক বিদ্যুত পৰিষদৰ নিজা গোট সমূহৰ উৎপাদনৰ কাৰ্য্যক্ষম ক্ষমতা ( Effective Capacity ) বৰ্ত্তমান মুঠ ৩৬৩.৪ মেগাৱাট।

(খ) বৰ্ত্তমান প্ৰতি ইউনিট বিদ্যুৎ উৎপাদনৰ খৰছ ২.৫১ টকা যোগানৰ নিৰিখ ২.৫১ টকা।

(গ) অসম ৰাজ্যিক পৰিষদৰ অধীনত সৰ্বমুঠ ২৩২১২ জন কৰ্মচাৰী আছে। এই সকলৰ ভিতৰত চুপাৰভাইজাৰ আৰু Industrial Disputes Act. এ সামৰা Workman ও আছে। কৰ্মচাৰী সকলৰ তালিকা এখন গাঠি দিয়া হ'ল। ইয়াৰ উপৰিও ঠিকাদাৰৰ কৰ্মচাৰী ৭১৬ জনে পৰিষদৰ বাবে সাময়িক ধৰণৰ কাম কৰে।

অঃ ৰাঃ বিঃ পৰিষদত মূখ্য অভিযন্ত্ৰাৰ সংখ্যা ৯ জন

অতিৰিক্ত মূখ্য অভিযন্ত্ৰাৰ সংখ্যা ৯ জন।

মুঠ স্নাতক অভিযন্ত্ৰাৰ সংখ্যা ৮৩৪ জন।

মুঠ ডিপ্লোমা অভিযন্ত্ৰাৰ সংখ্যা ১৬০৪ জন।

( See the Annexure— VII )

বিষয় ঃ গড়া খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা।

শ্ৰীলিয়াকট আলী খানে সুধিছে ঃ

৫৫৯। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰপেটা জিলাৰ কাছুমাৰা বজাৰখন ব্ৰহ্মপুত্ৰ নদীয়ে খহায় থকাটো সঁচা নে ?

(খ) যদি সঁচা বহু কেইখন চৰকাৰী অনুষ্ঠান প্ৰতিস্থান থকা সত্বেও নিয়ন্ত্ৰনৰ ব্যৱস্থা কৰা হোৱা নাই কিয় ?

(গ) তৎকালীন ভাৱে ইয়াৰ ব্যৱস্থা কৰিব নে ?

শ্ৰীহৰেন ভূমিজ (বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) হয়, সঁচা ।

(খ) বজাৰখন ব্ৰহ্মপুত্ৰৰ মাজত চৰ অঞ্চলত অৱস্থিত । এনেকুৱা ঠাইত খহনীয়া প্ৰতিৰোধৰ আঁচনি লোৱাটো কাৰিকৰী দিশৰ পৰা সমিচীন নহয় বুলি বিবেচিত হোৱা কাৰণে গ্ৰহনযোগ্য হোৱা নাই ।

(গ) 'খ' প্ৰশ্নৰ উত্তৰৰ সাপেক্ষে প্ৰশ্ন নুঠে ।

## বিষয় ঃ— মথাউৰি মেৰামতি ।

শ্ৰীনগেন শৰ্ম্মাই সুধিছে ঃ

৫৬০। মাননীয় বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩ চনৰ বানপানীৰ ফলত অসমৰ বিভিন্ন নদীৰ চিঙা মথাউৰি সমূহ ১৯৯৪ চনৰ মে মাহৰ ভিতৰত মেৰামতি কৰাৰ কাম সম্পূৰ্ণ কৰিবনে ?

(খ) পাগলাদিয়া ৰিভাৰ ভেলি প্ৰজেক্টত কেন্দ্ৰীয় চৰকাৰে অনুমোদন দিয়াতো সত্যনে ?

(গ) উক্ত প্ৰজেক্টৰ কাম ১৯৯৪-৯৫ চনৰ বছেৰেকীয়া পৰিকল্পনাৰ ভিতৰতে আৰম্ভ কৰা হব নে ?

শ্ৰীহৰেন ভূমিজ ( বাননিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়, চেষ্টা কৰি থকা হৈছে ।

(খ) সত্য নহয় ।

(গ) 'খ' প্ৰশ্নৰ উত্তৰ সাপেক্ষে প্ৰশ্ন নুঠে ।

## বিষয় ঃ – ৰাধিকা সতী প্ৰাথমিক বিদ্যালয়ৰ সম্পৰ্কে ।

শ্ৰীৰেণুপমা ৰাজখোৱাই সুধিছে ঃ

৫৬১। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) টীয়ক সমষ্টিত ৰাধিকা সতী প্ৰাথমিক বিদ্যালয় খনিৰ বিষয়ে মন্ত্ৰী মহোদয় অৱগতনে ?

(খ) যদি অৱগত এই বিদ্যালয় খনত শিক্ষকতা কৰা শিক্ষক জনৰ নাম কি ?

(গ) ১৯৯২ চনৰ মাৰ্চ মাহৰ পৰা ১৯৯৩ চনৰ চেপ্তেম্বৰ মাহলৈকে এই বিদ্যালয় খনৰ শিক্ষক কোন আছিল ?

(ঘ) এই বিদ্যালয় খন ১৮ মাহ বন্ধ হৈ থকাৰ কথাটো সঁচা নেকি।

(ঙ) যদি সচাঁ বিষয়টো তদন্ত কৰি দোষীক শাস্তি বিহিবনে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) হয়

(খ) শ্ৰীবিশ্বেশ্বৰ দাস।

(গ) শ্ৰীদেউতী বৰুৱা।

(ঘ) বন্ধ হৈ থকা কথাটো সচাঁ নহয়।

(ঙ) প্ৰশ্ন নুঠে।

**Re : Posts sanctioned for T. S. P. & S. C. C. P.**

Shri Padmeswar Doley, asked :

562. Will the Minister of Education etc. be pleased to state :

(a) Whether teachers posts were sanctioned for T. S. P. & S. C. C. P areas during 1991-92 ?

(b) If yes, how many numbers of posts in T. S. P. & S. C. C. P areas, which relate to (1) taking over of venture schools, (2) Conversion of single teacher school to double teacher school, (3) Science teacher in M. E. Schools, (4) Additional posts for Middle Schools & (5) Provincialization of services of the employees of Middle Schools ?

Shri Gautam Bora (Minister of State Education) replied :

(a) Yes.

(b) 1. T. S. P — 427, SC P : 203
2. T. S. P — 1000, SC P : 500
3. T. S. P — 1130, SC P : 191
4. T. S. P — 980, SC P : 495
5. T. S. P — 300, SC P : 210.

বিষয় :— উপ-সঞ্চালকৰ বিৰুদ্ধে অভিযোগ।

শ্ৰীবুবুল দাসে সুধিছে :

৫৬৩। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যিক মাদ্ৰাছা শিক্ষা পৰিষদৰ সমূহ কৰ্ম্মচাৰীবৃন্দই অসম ৰাজ্যিক মাদ্ৰাছা শিক্ষাৰ উপ-সঞ্চালক শ্ৰী এচ, এম, হবিবুল হকৰ বিৰুদ্ধে ইং ২২/৪/৯২ তাৰিখে অসমৰ মাধ্যমিক শিক্ষাধিকৰ্ত্তা আৰু অসমৰ শিক্ষা আয়ুক্তৰ ওচৰত ১১ দফীয়া অভিযোগ দাখিল কৰাটো মাননীয় মন্ত্ৰী মহোদয় জ্ঞাতনে ?

(খ) যদি জ্ঞাত নহয় তেন্তে উপযুক্ত তদন্ত কৰি সোনকালে এই বিষয়ত বিহিত ব্যৱস্থা লবনে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) জ্ঞাত।

(খ) তদন্ত কৰিবলৈ দিয়া হৈছে। তদন্তৰ প্ৰতিবেদন মতে ব্যৱস্থা গ্ৰহণ কৰা হব।

**Re : Cigarette Factory at Bilasipara.**

Shri Giasuddin Ahmed, asked :

564. Will the Minister of Industry be pleased to State :

(a) Is it a fact that "Industrial importance of Bilasipara has been enhanced by the Cigarette Factory, a major Industry, set up by Assam Industrial Development Corpn. Ltd. under joint sector" as mentioned in page 237 of the Book "Assam 1992" compiled and published in August, 1992, by the Directorate of information and Public Relations, Assam ?

(b) What is the basis and background of this pleasant piece of news ?

(c) Whether it is a fact that nearly two decades back the then Government of Assam decided to set up a

Cigarette Factory at Bilasipara under joint sector and that the said decision was never implemented ?

(d) Will the present Government take concrete steps for implementation of the said decision ?

Shri Bijit Saikia ( Minister of Industry) replied :

(a) Yes .

(b) Not known by the Industries Department .

(c) Assam Industrial Development Corporation Ltd. obtained an Industrial licence from Government of India for setting up of a Cigarette project with an annual capacity of 3000 million pices of Cigarettes . It was decided to implemen the project in joint sector with M/s Golden Tobacco Company Ltd. Bombay .

The land measuring about 204 bighas had been taken over by Assam Industrial Development Corpn. Ltd. near Bilasipara for the implementation of the project. The 1st phase Cigarette project ( making and pecking only ) has been implemented with production of 1500 million pices of Cigarettes per amount at Bhangagarh , Guwahati .

(d) The decision has been partly implemented .

**Sub :– Cachar Sugar Mill.**

Shri Mission Ranjan Das, asked :

565. Will the Minister of Industry be pleased to State :

(a) Whether the Government will revive the, i) Cachar Sugar Mill (ii) Badarpur Textile Mill as per people's demand ?

(b) If yes, whether it will be in public sector or in private sector and whether any progress is made in this regard and when these will be revived ?

(c) If not, State reasons there of ?

Shri Bijit Saikia (Minister of Industries) replied :

(a) (i) Yes, the State Government is considering to revive the Cachar Sugar Mills Ltd. by way of long term lease.

(ii) Yes, in order to revive the Badarpur Textile Mill it was first decided to hand-over the Mill to the Assam Powerloom Development Corpn. But this proposal could not be implemented. Later it was proposed in a meeting in presence of Minister Industries, Minister of State P. H. E. and most of the MLAs from Cachar District to negotiate with M/s. Joi-Ai-Textile Nagaon in order to revive the Mill. But the said company was found to fail to pay their own debt to the Assam Small Industries Development Corpn. Ltd. So this company was not entrusted to revive the Badarpur Textile Mill. The matter is being decided in the meeting of the Board of Directors of the Assam Small Industries Development Corpn. Ltd. soon.

(b) Advertisement inviting offers for lease of Cachar Sugar Mill was published in National dailies. Out of offers received, a private party was selected. After several meetings and discussions with the intendedlessee and remaining employees of the Cachar Sugar Mills Ltd. terms and conditions to be included in the preliminary Memorandum of understanding were finalised. The intending lessee however informed (6.1.94) that he would have certain discussion with Government before signing the Memorandum of Understanding and wanted some time. His formal reply is awaited. Revival process is being started after signing the Memorandum of Understanding.

The revival of Badarpur Textile Mill either in private sector or in joint sector is under consideration.

(c) Does not arise.

**বিষয় :— উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ ।**

শ্ৰীফণী ভূষণ চৌধুৰী য়ে সুধিছে :

৫৬৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) বৰ্ত্তমানৰ চৰকাৰে বৰ্ত্তমানলৈ কিমানখন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰিছে ?

(খ) কিমানখন উন্নীতকৰণ কৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ক বিষয় শিক্ষকৰ পদ মঞ্জুৰ নকৰাকৈয়ে উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ কৰা হৈছে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) পদসহ ১১৯ খন স্কুল ।

(খ) ১০৩ খন ।

**Re : Construction of Go-down .**

Shri Suren Swargiary , asked :

567 . Will the Minister Cooperation be pleased to state :

(a) Whether the Government is aware of the fact that the Go-down construction of No . I Uttar Baska Bahumukhi Samabay Samittee Ltd . is remained Half done since 1992 ?

(b) If yes , the reason thereof ?

(c) Then when the Go-down construction of the above Samittee will be completed ?

Shri Nagen Neog ( Minister Cooperation ) replied :

(a) Works completed upto roof level and Rs. 1,09,000/- already spent only balance work of Rs. 42.000/- is to be completed .

(b) Local conditions have not been congenial and hence work was hampered .

(c) Works will be started soon.

## Re : Appointment of Teachers.

Sri Promod Gogoi, asked :

568. Will the Minister of Education be pleased to State :

(a) Whether appointment have been made in Secondary Schools in Sibsagar District— since policy decision issued by Government on 18th June, 1993 ?

(b) If so, names and addressed of the appointees constituency-wise and the name of the schools ?

Shri Gautom Bora ( Minister of State, Education ) replied :

(a) Yes.

(b) The list of teachers appointed on adhoc basis constituency-wise and names of the schools are placed on the table of the House.

## বিষয় ঃ— মনিপুৰী ভাষা।

শ্রীবদ্রী নারায়ন সিং, যে জিজ্ঞাসা করছেন ঃ

মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জনাবেন কি ?

(ক) মনিপুৰী এবং নেপালী ভাষাকে স্বীকৃতি দেওয়ার পর প্রাথমিক স্তর হইতে কি উচ্চস্তর পর্য্যন্ত শিক্ষা প্রদানের ব্যাপারে সরকারের তরফ হইতে কি কি ব্যরস্থা নেওয়া হইয়াছে ?

(খ) বিষ্ণুপ্রিয়া মনিপুৰী ভাষাকে স্বীকৃতি দেওরার সিদ্ধান্ত সরকার নিয়েছেন কি ? উহার বিস্তারিত জানাবেন ?

শ্রীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী ) যে উত্তৰ দিছে ঃ

(ক) মনিপুৰী আৰু নেপালী ভাষাক চৰকাৰে এতিয়ালৈকে মাধ্যম হিচাবে স্বীকৃতি দিয়া হোৱা নাই। এই ক্ষেত্রত তলৰ খিনি ব্যৱস্থা লোৱা হয়।

প্রাথমিক স্তৰত, মনিপুৰী ভাষা মাধ্যমৰ বিদ্যালয় সমূহত সাধাৰণ ভাষা মাধ্যমৰ বিদ্যালয়ৰ দৰে পৰ্য্যায়ক্রমে শিক্ষক নিযুক্তি দিয়া হৈছে। জেষ্ঠতা অনুসৰি অনা চৰকাৰী বিদ্যালয় সমূহ চৰকাৰী কৰণ কৰা হৈছে। ইয়াৰ

উপৰিও অন্যান্য মাধ্যমৰ বিদ্যালয় সমূহত যিবোৰ মধ্য ইংৰাজী বিদ্যালয়ত মনিপুৰী ভাষী ছাত্ৰ-ছাত্ৰী অধিক আছে তেনে বিদ্যালয়ত ১৯৯২ চনৰ পৰা ১৯৯৩ চনলৈকে ১৩ জন মনিপুৰী ভাষাৰ শিক্ষক নিযুক্তি দিয়া হৈছে।

সম্প্ৰতি অসমত নেপালী ভাষাৰ ৫খন প্ৰাথমিক বিদ্যালয় আৰু ৩খন মধ্য ইংৰাজী বিদ্যালয় আছে। প্ৰাথমিক বিদ্যালয়ত ১৩ জন আৰু মধ্য ইংৰাজী বিদ্যালয়ত ১৬ জন মুঠ ২৯ জন শিক্ষক শিক্ষয়ত্ৰী আছে। সাধাৰণ ভাষাৰ মাধ্যমৰ বিদ্যালয় সমূহত নেপালী ভাষা বিষয় হিচাবে লোৱা হোৱা নাই।

মনিপুৰী আৰু নেপালী ভাষা মাধ্যমৰ বিদ্যালয় সমূহত বিদ্যালয়ৰ গৃহ নিৰ্ম্মাণ, গৃহ মেৰামতি আৰু আছবাব পত্ৰৰ বাবে চৰকাৰী অনুদান দিয়া হয়। ইয়াৰ উপৰিও বিনামূলীয়া কিতাপ পত্ৰ আৰু শিক্ষাদানৰ সা-সজুলি যোগান দিয়া হয়।

উচ্ছ স্তৰত বিশ্ববিদ্যালয়ে অনুমতি দিলে মনিপুৰী আৰু নেপালী ভাষাক বিভাগীয় নিয়ম অনুসৰি শিক্ষাদানৰ ব্যৱস্থা লোৱা হব।

(খ) বিষ্ণুপ্ৰিয়া মনিপুৰী ভাষাক বৰ্ত্তমানলৈকে স্বীকৃতি দিয়া হোৱা নাই। বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

## বিষয় :— নিযুক্তি বন্ধ

**শ্ৰীজয় চন্দ্ৰ নাগবংশী য়ে সুধিছে :**

৫৭০। মাননীয় শিক্ষা ( ৰাজ্যিক ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) ডিব্ৰুগড় জিলাৰ জিলা শিক্ষা বিষয়াৰ কাৰ্য্যালয়ত সকলো ধৰণৰ নিযুক্তি ১৯৯৪ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰাই বন্ধ ৰখা কথাটো সচাঁনে ?

(খ) যদি সঁচা, ইয়াৰ মূল কাৰণ সমূহ জনাবনে ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সংশিষ্ট বিষয়া জনৰ পৰা প্ৰতিবেদন বিছৰা হৈছে।

(খ) সংশিষ্ট বিষয়া জনৰ পৰা প্ৰতিবেদন বিছৰা হৈছে।

## Re : Sautali language

Shri Rameswar Dhanowar, asked :

571. Will the Minister of state Education be pleased to state ;

(a) Whether Government is aware of the fact that Sautali language is adopted as alternative language upto H. S. L. C. Examination in Assam ?

(b) If so, number of students passed with Sautali language in last 5 years (year-wise)

(c) And who is in charge of in imparting Sautali language in the Education Deptt. (Please give details).

Shri Gautom Bora (Minister of State, Education) replied :

(a) Yes.

(b) No. of students passed in last 5 (five) years are as follows :—

1989 - - 12
1990 - - 4
1991 - - 4
1992 - - 23
1993 - - Nil

(c) (i) The Secretary, SEBA- for framing of syllabus of the language and approval of the Text Books.

(ii) Managing Director, Text Book Production and Publication Corporation— for publication of Text Books.

(iii) Director of Secondary Education, Assam/Inspector of Schools— for administration. supervision and financial sanction.

**বিষয় ঃ শিক্ষক নিযুক্তি ।**

শ্ৰীআছাহক আলী যে সুধিছে ঃ

৫৭২। মাননীয় শিক্ষা ( প্ৰাথমিক ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯৩/৯৪ চনত জনীয়া সমষ্টিৰ অন্তৰ্গত মাধ্যমিক স্কুল ( M. E., M. E. M, etc. ) সমূহত কিমান জন সহ শিক্ষক আৰু শাখা শিক্ষক আৰু হিন্দী শিক্ষক নিযুক্তি দিয়া হৈছে জনাবনে ?

(খ) যদি উক্ত মাধ্যমিক স্কুল সমূহত শিক্ষক নিযুক্তি দিয়া হৈছে তেন্তে কি ভিত্তিত উক্ত নিযুক্তি বোৰ দিয়া হ'ল জনাবনে ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

(ক) সহকাৰী শিক্ষক — ২৪
হিন্দী শিক্ষক — ২
শাখা শিক্ষক — ৪

মুঠ — ৩০ জন।

(খ) মহকুমা প্ৰাথমিক শিক্ষা উপদেষ্টা পৰিষদে বাছনি কৰি দিয়া প্ৰাৰ্থী আৰু প্ৰাথমিক শিক্ষা সঞ্চালক মহোদয়ৰ দ্বাৰা পদ আবন্টন দি বাচনি কৰা প্ৰাৰ্থীক উপদেষ্টা পৰিষদৰ অনুমোদনৰ সাপেক্ষে নিযুক্তি দিয়া হৈছে।

## বিষয় : বিজুলী যোগান।

শ্ৰীনিজামুদ্দিন খানে, সুধিছে :

৫৭৩। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ৰাজ্যখনৰ কিমান গাওঁলৈ বিজুলী যোগান ধৰা হৈছে ?

(খ) প্ৰতিখন গাওঁৰ প্ৰতিখন চুবালৈ বিজুলী যোগান সম্প্ৰসাৰণ কৰা হ'বনে ?

(গ) গাওঁ অঞ্চলত বিজুলী যোগান নিয়মীয়া কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ ) য়ে উত্তৰ দিছে :

(ক) অসমত ৩১-৩-৯৩ পৰ্য্যন্ত ২১,৪৮১ খন গাওঁত বিজুলী যোগান ধৰা হৈছে।

(খ) হয়, অসমৰ সকলো গাওঁতে বৈদ্যুতিকৰণৰ নীতি আছে।

(গ) গ্ৰাম্য অঞ্চলত নিয়মীয়া বিদ্যুত যোগানৰ চেষ্টা কৰা হৈছে।

## Re : Recognition of Riamchang Language.

Shri Rampyare Rabi Das, asked :

574. Will the Minister of Education be pleased to state :

1. (a) Whether Government has been taking necessary step to recognise the "Riamchang" Tribal Language" ?

(b) If yes, when it will be recognised ?

(c) Whether it will be the medium of Language in Primary and Secondary Education ?

2. (a) Whether Government is aware of the fact that, Bishnupria Manipuri Community have been demanding for recognisation of their Language ?

(b) If it is fact, when it will be recognised considerting the strong legitimate demand ?

(c) Whether it will be introduced in primary level Education and if yes, when ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে :

১। (ক) বৰ্ত্তমান চৰকাৰে "ৰিয়ামছং" জনজাতীয় ভাষাক স্বীকৃতি দিয়াৰ বিষয়ে কোনো পদক্ষেপ লোৱা নাই।

(খ) প্ৰশ্ন নুঠে।

(গ) প্ৰশ্ন নুঠে।

২। (ক) হয়।

(খ) বিষ্ণুপ্ৰিয়া ভাষাক স্বীকৃতি দিবলৈ চৰকাৰে বিবেচনা কৰি আছে।

(গ) হয়। এই বিষয়ে চৰকাৰে সময়ত সিদ্ধান্ত লব।

## ৰিষয় : শিক্ষকদের গ্ৰেচুইটি।

শ্ৰীমধুসূদন তেওয়ারীয়ে জিজ্ঞাসা করছেন :

মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি :

(ক) অৱসর প্ৰাপ্ত প্ৰাথমিক শিক্ষকদের নিম্নতম গ্ৰেচুইটি কত টাকা আর বৰ্ত্তমানে অৱসর প্ৰাপ্ত শিক্ষকদের কত টাকা গ্ৰেচুইটি দেওয়া হইতেছে ?

(খ) করিমগঞ্জ জিলার অৱসর প্ৰাপ্ত প্ৰাথমিক শিক্ষক সংখ্যা কত ও তন্মধ্যে নিয়মিত পেন্সন প্ৰাপ্ত শিক্ষকদের সংখ্যা কত ?

(গ) অৱসর প্ৰাপ্ত প্ৰাথমিক শিক্ষকরা নিয়মিত পেন্সন পাওয়র পূৰ্বেই অনেকেই মারা গিয়াছেন আর তাই সতবর নিয়মিত পেন্সন প্ৰাপ্ত হল, চরকার ব্যৱস্থা গ্ৰহণ করিবেন কি ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) অৱসৰ প্ৰাপ্ত প্ৰাথমিক শিক্ষকৰ নিম্নতম গ্ৰেচুইটিৰ কোনো নিৰিখ বন্ধা নাই। শিক্ষকজনৰ কাৰ্য্যকালৰ ধাৰাবাহিকতা নিৰ্ভৰ কৰি তেওঁৰ শেষৰ দৰমহাৰ ভিত্তিতহে গ্ৰেচুইটি দিয়া হয়। সৰ্ব্বোচ্চ গ্ৰেচুইটিৰ হাৰ ৭২,০০০ টকাৰ অধিক হব নোৱাৰে।

(খ) ক্ষেত্ৰ বিষয়াৰ পৰা সবিশেষ তথ্য বিছৰা হৈছে।

(গ) পাৰ্য্যমানে খৰতকীয়া ব্যৱস্থাৰ দিহা কৰা হৈছে।

## বিষয় ঃ শিক্ষা বিভাগত নতুন পদৰ সৃষ্টি

শ্ৰীহিতেশ ডেকাই সুধিছে ঃ

৫৭৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯১ চনৰ এক জুলাইৰ পৰা বৰ্ত্তমানলৈ মাধ্যমিক শিক্ষা বিভাগ ( Secondary Education ) ত মুঠতে কিমানটা নতুন পদৰ সৃষ্টি কৰা হৈছে। ( প্ৰতিটো শ্ৰেণী ( Category ) ৰ পদৰ বিপৰিতে সৃষ্টি সংখ্যা সুকীয়া সুকীয়াকৈ উল্লেখ কৰিব। )

(খ) ইয়াৰে এতিয়ালৈকে কিমান পদত নিযুক্তি দিয়া হ'ল আৰু কিমান পদ খালী হৈ আছে ?

( নিযুক্তি দিয়া আৰু খালী হৈ থকা পদৰ জিলা ভিত্তিক তথ্য গাঠি দিব )

(গ) ইতিমধ্যে নিযুক্তি দিয়া পদ সমূহৰ কিমানটা মাধ্যমিক শিক্ষা বিভাগৰ সঞ্চালকৰ কাৰ্য্যালয়ৰ পৰা আৰু কিমানটা সংশ্লিষ্ট বিদ্যালয় সমূহৰ পৰিদৰ্শকৰ কাৰ্য্যালয়ৰ পৰা দিয়া হৈছে।

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) প্ৰাদেশীকৃত বিদ্যালয় সমূহৰ বাবে সৃষ্টি কৰা পদৰ বাহিৰে মুঠতে ৪২৫০ টা অতিৰিক্ত পদ সৃষ্টি কৰা হৈছে। শ্ৰেণী অনুসৰি (Category wise) তালিকা তলত দেখুৱা হ'ল।

| | | | |
|---|---|---|---|
| ১। | বিষয় শিক্ষক | — — | ২০০ টা |
| ২। | স্নাতক শিক্ষক (কলা) | — | ২০০ টা |
| ৩। | স্নাতক শিক্ষক (বিজ্ঞান) | — — | ১৮৫০ টা |
| ৪। | ভাষা শিক্ষক | — — | ২০০ টা |
| ৫। | সংগীত শিক্ষক | — — | ২০০ টা |
| ৬। | কাৰ্য্যালয় সহায়ক | — — | ২০০ টা |
| ৭। | চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী | — — | ৪০০ টা |
| ৮। | হিন্দী শিক্ষক | — — | ১০০০ টা |
| | মুঠ | — — | ৪২৫০ টা |

(খ) উক্ত পদ সমূহৰ ভিতৰত বৰ্ত্তমানলৈ শিক্ষাধিকাৰ কাৰ্য্যালয়ৰ পৰা মুঠ আৰু ১৪৫৫ টা পদ নিযুক্তি দিয়া হৈছে।

(গ) (তথ্য প্ৰতিটো শ্ৰেণীৰ (category-wise) বিপৰীতে দিয়া হ'ল।

| | | |
|---|---|---|
| ১। | বিষয় শিক্ষক | -- ২০০ টা |
| ২। | স্নাতক শিক্ষক (কলা) | -- ২০ টা |
| ৩। | স্নাতক শিক্ষক (বিজ্ঞান) | -- ২৭ টা |
| ৪। | ভাষা শিক্ষক | -- ১১ টা |
| ৫। | সংগীত শিক্ষক | -- ২০০ টা |
| ৬। | কাৰ্য্যালয় সহায়ক | -- ১৮০ টা |
| ৭। | চতুৰ্থ শ্ৰেণী কৰ্ম্মচাৰী | -- ৩২২ টা |
| ৮। | হিন্দী শিক্ষক | -- ৪৯৫ টা |
| | | মুঠ- ১৪৫৫ টা |

নিম্ন লিখিত পদ সমূহ বিদ্যালয় সমূহৰ পৰিদৰ্শকক আবণ্টন দিয়া হৈছে।

| | | |
|---|---|---|
| ১। | স্নাতক শিক্ষক (কলা) | -- ১৮০ টা |
| ২। | স্নাতক শিক্ষক (বিজ্ঞান) | -- ১৭৯২ টা |
| ৩। | ভাষা শিক্ষক | -- ১৬৫ টা |
| ৪। | কাৰ্য্যালয় সহায়ক | -- ২০ টা |
| ৫। | চতুৰ্থ শ্ৰেণী | -- ৭৮ টা |
| ৬। | হিন্দী শিক্ষক | -- ৩৬০ টা |
| | | মুঠ— ২৫৯৫ টা |

সঞ্চালকৰ কাৰ্য্যালয়ৰ পৰা নিযুক্তি দিয়া আৰু বিদ্যালয় সমূহৰ পৰিদৰ্শকক আবণ্টন দিয়া জিলা ভিত্তিত পদ সমূহৰ তথ্য সদনৰ মেজত ৰখা হ'ল

## বিষয় :— গুৱাহাটীত শিক্ষক নিযুক্তি।

শ্ৰীঅতুল বৰাই সুধিছে :

৫৭৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) গুৱাহাটী মহানগৰীত এল, পি, এম, ই, আৰু হাইস্কুল সমূহত কিমান শিক্ষক, শিক্ষয়িত্ৰী নিযুক্তি দিয়া হৈছে ?

(খ) সেই সকলে কিমান চনত কোন কোন স্কুলৰ পৰা H. S. L. C. বা মেট্ৰিক পৰীক্ষা পাছ কৰিছে ? তেওঁলোকৰ নাম ঠিকনাৰ এখন তালিকা সদনৰ মেজত দাখিল কৰিবনে ?

শ্ৰীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) পোনপটীয়া প্ৰশ্ন নোহোৱা হেতু উত্তৰ দিব পৰা নহল ।

(খ) পোনপটীয়া প্ৰশ্ন নোহোৱা হেতু উত্তৰ দিব পৰা নহল ।

## বিষয় ঃ মাদ্ৰাছা শিক্ষকৰ সমস্যা

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

৫৭৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা জুলাই মাহৰ পৰা চিনিয়ৰ মাদ্ৰাছা আৰু এৰেবিক কলেজৰ শিক্ষক সকলে দৰমহা নোপোৱাটো সত্য নেকি ?

(খ) যদি পোৱা নাই, কিয় পোৱা নাই আৰু কেতিয়া সমুদায় দৰমহা আদায় দিব জনাব নে ?

(গ) মাদ্ৰাছা স্কুলত শ্ৰেণী আৰু বিষয় হিচাবে শিক্ষক নিযুক্তি দিয়া হৈছে নে নাই ?

(ঘ) মাদ্ৰাছা স্কুলত ইনটাৰ পোষ্টত স্নাতক শিক্ষকে চাকৰী কৰিলে হাইস্কুল সমূহৰ দৰে পদোন্নতি দিয়া হৈছে নে নাই ?

(ঙ) যদি নাই, পদোন্নতি দিয়া হবনে নাই ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ?

(ক) সঁচা, জুলাই মাহৰ পৰা দিব লগা দৰমহাৰ টকা আদায় নিদিয়াৰ বিষয়টো বৰ্ত্তমান তদন্তাধীন হৈ আছে ।

(খ) তদন্ত ক্ৰমে ১৯৯৪-৯৫ চনৰ আগ ভাগতে এই টকা আদায় দিয়াৰ ব্যৱস্থা কৰা হব ।

(গ) হোৱা নাই ।

(ঘ) খালি পদ থাকিলে বিধি অনুসাৰে বিবেচনা কৰা হব ।

(ঙ) "ঘ" প্ৰশ্নৰ উত্তৰৰ দৰে ।

## বিষয় ঃ— গ্ৰাম্য বৈদ্যুতিকৰণ ।

শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতাই সুধিছে ঃ

৫৭৯। মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) ১৯৯১-৯২, ৯২-৯৩,৯৩-৯৪ চনত গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগে ( REC ) অসমত কিমান খন গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ কৰিলে জনাবনে ?
( জিলা ভিত্তিত গাওঁৰ সংখ্যা সদনৰ মেজত দাখিল কৰিব )

(খ) উল্লেখিত চন কেইটাত গুৱাহাটী মহকুমাৰ অন্তৰ্গত কিমান গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ কৰা হ'ল ?
( সমষ্টি ভিত্তিত গাওঁৰ তালিকা সদনৰ মেজত দাখিল কৰিব )

(গ) পশ্চিম গুৱাহাটী সমষ্টিৰ অসম মেঘালয় সীমান্তৰ বাবে উল্লেখিত চন কেইটাত কিমান খন গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ কৰা হল ?

(ঘ) আন্ত ৰাজ্যিক সীমান্তৰ বাবে গ্ৰাম্য বৈদ্যুতিকৰণৰ বাবে যদি কোনো ব্যৱস্থা নাই, তেনেহলে বিশেষ ব্যৱস্থা লোৱাৰ ব্যৱস্থা কৰিবনে ?

শ্ৰীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্ৰী, গ্ৰাম্য বৈদ্যুতিকৰণ ) য়ে উত্তৰ দিছে ঃ

(ক) ১৯৯১-৯২,১৯৯২-৯৩ আৰু ১৯৯৩-৯৪ চনত গ্ৰাম্য বৈদ্যুতিকৰণ বিভাগে ( REC ) অসমত যথাক্ৰমে ১২০,১৭ আৰু ১৪ খন গাওঁত গ্ৰাম্য বৈদ্যুতিকৰণ কৰিছে ।

( জিলা ভিত্তিত গাওঁৰ সংখ্যা পৰিশিষ্ট — ১ ত সন্নিবিষ্ট কৰা হ'ল ) ।
( See the Annexure— VIII )

(খ) কেৱল ১৯৯২-৯৩ চনতহে গুৱাহাটী মহকুমাৰ গুৱাহাটী থানাৰ অন্তৰ্গত টেমেৰিয়া এন, চি C. C NO. ২০৫ নামৰ এখন গাওঁত বৈদ্যুতিকৰণ কৰা হৈছে ।

(গ) উক্ত চনকেইটাত পশ্চিম গুৱাহাটী সমষ্টিৰ অসম মেঘালয় সীমান্তৰ কোনো গাওঁত বৈদ্যুতিকৰণ কৰা হোৱা নাই ।

(ঘ) বৈদ্যুতিকৰণৰ ক্ষেত্ৰত আন্ত ৰাজ্যিক সীমান্তবৰ্ত্তী গাৱেঁই হওঁক বা অন্য অঞ্চলৰ গাৱেঁই হওঁক সকলো গাৱঁকে সমদৃষ্টিৰে চোৱা হয় ।

## বিষয় ঃ— স্কুলৰ গৃহ নিৰ্মানৰ টকা ।

শ্ৰীনজমুল হকে সুধিছে ঃ

৫৮০। মাননীয় শিক্ষা (প্ৰাথমিক) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) গোৱালপাৰা জিলাৰ বালিজানা খন্দ প্ৰাথমিক শিক্ষা বিভাগৰ অন্তৰ্গত জয়পুৰ এল, পি, স্কুলৰ বাবে ৬১,০০০'০০ টকা গৃহ নিৰ্মাণৰ বাবে আৱণ্টন দিয়া হৈছিল আৰু উক্ত টকাৰ কামখিনি কিয় আজিলৈকে হৈ নুঠিল জনাবনে ?

(খ) উক্ত এল, পি, স্কুলৰ গৃহ নিৰ্মাণৰ কাম নোহোৱাৰ বাবে দায়ী কোন ? তেওঁলোকৰ ওপৰত চৰকাৰে কিবা ব্যৱস্থা লৈছেনে ?

(গ) উক্ত গৃহ নিৰ্মাণৰ কাম থিনি কেতিয়া কৰা হব সদনত জনাবনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) গৃহ নিৰ্মাণ কমিটিৰ সদস্য আৰু প্ৰধান শিক্ষকৰ মাজত সহযোগীতাৰ অভাৱৰ বাবে স্কুলখনৰ নিৰ্মাণ কাম সম্পূৰ্ণ হোৱা নাই।

(খ) (ক) ত উল্লেখ কৰাৰ দৰে। এই সংক্ৰান্তত উক্ত শিক্ষক জনক নিলম্বিত কৰা হৈছে।

(গ) বিদ্যালয় খনৰ নিৰ্মাণৰ কাম সম্পূৰ্ণ কৰিবলৈ, গোৱালপাৰা জিলাৰ শিক্ষা বিষয়াই ইতিমধ্যে উপ-পৰিদৰ্শক আৰু খন্দ প্ৰাথমিক শিক্ষা বিষয়াক দায়িত্ব দিছে।

## বিষয় :— উদ্যোগ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ।

শ্ৰীভূপেন ৰায়ে সুধিছে :

৫৮১। মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

(ক) অসম ৰাজ্যিক বস্ত্ৰ নিগম নোৱা পাৰাৰ উদ্যোগটো ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা কথাটো সঁচানে ?

(খ) যদি সঁচা হয় তেনেহলে যোৱা কিমান তাৰিখৰ পৰা হস্তান্তৰ কৰিলে ?

(গ) হস্তান্তৰৰ বাবদ চৰকাৰে কিমান টকা ধাৰ্য্য কৰিলে আৰু বে-চৰকাৰী প্ৰতিষ্ঠান বা মালিকজনৰ নাম কি ?

(ঘ) বৰ্ত্তমান কাৰখানাটোৰ উৎপাদন চলি আছেনে ?

(ঙ) বে-চৰকাৰী প্ৰতিষ্ঠানটোৱে বৰ্ত্তমানলৈ কিমান টকা খটুৱালে ?

শ্ৰীবিজিত শইকীয়া (উদ্যোগ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে :

(ক) অসম ৰাজ্যিক বস্ত্ৰ নিগম উদ্যোগটোৰ ৮৯ শতাংশ শ্বেয়াৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। ইতিমধ্যে কেৱল পৰিচালনাৰ ভাৰহে ব্যক্তিগত খণ্ডক দিয়া হৈছে।

(খ) বোৰ্ড পুনৰ গঠন কৰি ১৯-৭-৯৩ তাৰিখৰ পৰা নতুন পৰিচালক মণ্ডলীক পৰিচালনাৰ ভাৰ অৰ্পণ কৰা হৈছে।

(গ) বস্ত্র নিগমৰ স্পিনিং মিলৰ ক্ষেত্রত, প্রতি অংশৰ মুল্য ৯ (ন) পইচাকৈ ধৰি মুঠ মূল্য ৬·০০ লাখ ( ছয় লাখ ) টকা ধাৰ্য্য কৰা হয়। ইয়াৰ ওপৰি প্ৰচেচ্ হাউচ আৰু উইভিং কমপ্লেক্সৰ বাবে ১·০০ লাখ টকা ধাৰ্য্য কৰা হয়। গতিকে বস্ত্র উদ্যোগৰ অংশৰ বাবদ মুঠ ৭ লাখ টকা হয়। ব্যক্তিগত প্রতিষ্ঠানটোৰ নাম মেচাৰ্চ গোৱেংকা উলেন মিল আৰু ইয়াক প্ৰতিনিধিত্ব কৰিছে শ্রীবিজয় কুমাৰ গোয়েংকাই। ধাৰ্য্যকৰা অংশৰ মূল্যৰ উপৰিও সুত সহ ব্যক্তিগত খণ্ডই কোম্পানীটো বাকী দায় সমূহ বহন কৰিব। এই দায়ৰ পৰিমাণ মুঠ ৬৮০·২৬ লাখ টকা। ইয়াৰে ৩৬৭·২৬ লাখ টকা বিত্তিয় প্রতিষ্ঠানক দিব লগা, ৭০ লাখ টকা 'কাৰেণ্ট লায়েবিলিটিজ', ১৮৩ লাখ টকা ৱকিং কেপিটেল, ঋণ আৰু ৬০ লাখ টকা সুদ বাবদ দিব লগা ধন।

(ঘ) কাৰখানাৰ উৎপাদন সাময়িক ভাৱে বন্ধ আছে।

(ঙ) ব্যক্তিগত খণ্ডটোৱে এতিয়ালৈকে কিমান টকা খটুৱালে তাৰ হিচাব এতিয়াও পোৱা নাই।

## Re : Corruption in School appointment.

Shri Sahidul Alam Choudhury, asked :

582. Will the Minister of Education, ( Elementary ) be pleased to state :

(a) Whether it is a fact that Minister of state for Rural Development etc. made any statement saying that there has been a large-scale Corruption prevailing all over the state including Hailakandi District in school appointment as reported in a news item –

Published in "Samoy Prabaha" dated Fabruary 19, 1994. published from Gauhati ?

b) Whether the Government is aware of the same ?

c) If so, what steps the Government proposes to take to prevent such corruption.

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

ক) } এই বিষয়ে চৰকাৰ হাতত কোনো তথ্য নাই ।

খ) } বিষয়টো সঞ্চালকৰ জৰীয়তে অনুসন্ধান কৰাই যথাবিহীত ব্যৱস্থা

গ) } লোৱা হব ।

## বিষয় ঃ— ই, এন, দি বান্ধ

শ্ৰীপৰিমল শুক্লবৈদ্যই সুধিছে ঃ

৫৮৩। মাননীয় বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

ক) যোৱা বান পানীৰ সময়ত সমগ্ৰ কাছাৰ জিলাত কোন কোন অঞ্চলত ই, এন, দিৰ বান্ধ ক্ষতিগ্ৰস্ত হৈছে ?

( সমষ্টি ভিত্তিত বিষদ তথ্য সদনৰ মেজত দাখিল কৰিবলৈ জনালো)

খ) এই ক্ষতিগ্ৰস্ত বান্ধবোৰ মেৰামতিৰ কাৰণে কিমান টকাৰ প্ৰয়োজন ?

গ) বৰ্ত্তমানে অৰ্থ বছৰত উক্ত বান্ধ মেৰামতিৰ বাবে চৰকাৰে কি কি কাৰ্য্য পদ্ধতি হাতত লৈছে ? ( বিষদ তথ্য সদনৰ মেজত দাখিল কৰিব )

শ্ৰীহৰেন ভূমিজ (বান নিয়ন্ত্ৰণ বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) যোৱা বানপানীৰ সময়ত সমগ্ৰ কাছাৰ জিলাত ক্ষতিগ্ৰস্ত হোৱা ই, এন, ডি, বান্ধ সমূহৰ সমষ্টি ভিত্তিক বিশদ তথ্য লগত গাঁঠি দিয়া হ'ল । ( See the Annexure — IX )

খ) ক্ষতিগ্ৰস্ত বান্ধবোৰৰ মেৰামতিৰ কাৰণে প্ৰায় ৩০৮·৭৫ লাখ টকাৰ প্ৰয়োজন হব।

গ) চলিত অৰ্থ বছৰত চৰকাৰে গ্ৰামীন উন্নয়ণ সংস্থাৰ দ্বাৰা "জৱাহৰ ৰোজগাৰ যোজনা"ৰ যোগেদি ক্ষতিগ্ৰস্ত বান্ধবোৰ মেৰামতিৰ ব্যৱস্থা হাতত লৈছে।

## বিষয় ঃ— স্কুল গৃহের অভাব

শ্ৰীচিত্তেন্দ্ৰ নাথ মজুমদার জিজ্ঞাসা করছেন ঃ

৫৮৪। মাননীয় শিক্ষা বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কি ঃ

(ক) হাইলাকান্দি জেলায় কতগুলা প্ৰাথমিক বিদ্যালয় বহুদিন যাবত নিজস্ব স্কুল গৃহ ছারা অন্যত্ৰ চলিতেছে ?

(খ) ঐসব স্কুলের নাম ও ঠিকনা কি ?

(গ) ঐ সব স্কুলের ছাত্র সংখ্যা কোন স্কুলে কত ?

(ঘ) হাইলাকান্দি জেলায় স্কুল গৃহ, আসবাবপত্র না থাকায় কতগুলা প্রাথমিক স্কুল বন্ধ হয়ে আছে ?

(ঙ) বর্ত্তমান অর্থ বৎসরে ঐসব স্কুল গৃহ নির্মাণ করা হবে কি ?

শ্রীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক)
(খ)
(গ) ক্ষেত্র বিষয়াৰ পৰা সবিশেষ তথ্য বিছৰা হৈছে ।
(ঘ)
(ঙ)

## বিষয় ঃ— স্বীকৃতি প্রাপ্ত প্রাথমিক বিদ্যালয় ।

শ্রীপ্রণৱ কুমার নাথ জিজ্ঞাসা করছেন ঃ

৫৮৫। মাননীয় শিক্ষা বিভাগের মন্ত্রী মহোদয়ে অনুগ্রহ করিয়া জানাবেন কি ?

(ক) সমগ্র আসামে ১৯৯১-৯২, ১৯৯২-৯৩, ১৯৯৩-৯৪ অর্থ বর্ষ অনুযায়ী কোন কোন ভেঞ্চার এল, পি, স্কুল গুলিকে Provincialisation করা হয়েছে ?

( প্রতিটি জিলার নির্ব্বাচন সমষ্টি ভিত্তীক স্কুলের নাম, Date of Estd., পূর্ণ ঠিকানা, SC, ST, OBC, MOBC, M. O. B. C., General এলাকা ইত্যাদি বিশদ তথ্য সদনের মেঝে দাখিল করিবেন । )

(খ) প্রাদেশীকৃত প্রাথমিক স্কুল সমূহের দ্বিতীয় শিক্ষক যারা Honorary শিক্ষক হিসাবে কাজ করতেছেন, তাদের নিযুক্তি দেওয়ার ব্যবস্থা বর্ত্তমান অর্থ বছরে শেষ করবেন কি, যদি না কেন ?

(গ) সরকারের ঘোষণা অনুযায়ী ভেঞ্চার তিনহাজার, প্রাথমিক বিদ্যালয়ের মধ্যে আজ পর্য্যন্ত সর্ব্বমোট কয়টি প্রাদেশীকরন করেছেন এবং বাকী থাকা ভেঞ্চার এল, পি, স্কুল সমূহ কখন প্রাদেশীকরণ করবেন ?

শ্রীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী ) য়ে উত্তৰ দিছে ঃ

(ক) সমগ্র অসমত বর্ত্তমানলৈ ১৭৬০ খন অপ্রাদেশীকৃত প্রাথমিক বিদ্যালয় প্রাদেশিকীকৰণ কৰা হৈছে । ( নাম আৰু ঠিকনাৰ বাবে ক্ষেত্র বিষয়াৰ পৰা তথ্য বিচৰা হৈছে । )

(খ) ১৯৯৪-৯৫ চনত ২য় প্ৰতিস্থাপক শিক্ষকজনক প্ৰাদেশীকীকৰণ কৰা হব।

(গ) বৰ্ত্তমানলৈ ১৭৬০ খন বিদ্যালয় প্ৰাদেশিকীকৰণ কৰা হৈছে। বাকী থকা ৯৪০ খন অপ্ৰাদেশীকৃত প্ৰাথমিক বিদ্যালয় ১৯৯৪-৯৫ বিত্তীয় বছৰৰ ভিতৰত কৰা হব।

## বিষয় ঃ প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকীকৰণ।

শ্ৰীবদন বৰুৱাই সুধিছে ঃ

৫৮৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শিৱসাগৰ জিলাৰ মহকুমা দুটাত ১৯৯২ আৰু ১৯৯৩ কেলেণ্ডাৰ বৰ্ষত কিমানখন প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৃত কৰা হল?

(খ) উক্ত মহকুমা দুটাত ১৯৯২ আৰু ১৯৯৩ কেলেণ্ডাৰ বৰ্ষত কিমান গৰাকীক প্ৰাথমিক বিদ্যালয়ত ষ্টাইপেণ্ডাৰী শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে?

(গ) (ক) ত উল্লেখিত বছৰ দুটাত গুৱাহাটী আৰু ৰঙিয়া মহকুমাত কিমানখন প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকৃত কৰা হৈছে?

(ঘ) গুৱাহাটী আৰু ৰঙিয়া মহকুমাত ১৯৯২ আৰু ১৯৯৩ চনত কিমান গৰাকীক প্ৰাথমিক শিক্ষক পদত নিযুক্তি দিয়া হৈছে?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) শিৱসাগৰ জিলাত মহকুমা তিনিটা হোৱা হেতুকে মাননীয় বিধায়ক গৰাকীয়ে মহকুমা দুটাৰ নাম উল্লেখ নকৰাত মোৰ পক্ষে উত্তৰ দিয়াটো সম্ভৱপৰ নহয়।

(খ) 'ক'ৰ দৰে।

(গ) ১৩২ খন।

(ঘ) ৬৫৯ জনক।

## বিষয় ঃ নবোদয় বিদ্যালয় স্থাপন।

শ্ৰীদেবেন্দ্ৰ নাথ বৰুৱাই সুধিছে ঃ

৫৮৭। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) শদিয়াৰ নিচিনা পিছপৰা অঞ্চলত নবোদয় বিদ্যালয় স্থাপন কৰাৰ আঁচনি চৰকাৰৰ হাতত আছেনে?

খ) যদি আছে কেতিয়া তাৰ বাবে যাৱতীয় ব্যৱস্থা হাতত লব ?

গ) যদি প্ৰস্তাৱ বা আঁচনি নাই তেন্তে আঁচনি লোৱাৰ ব্যৱস্থা চৰকাৰে হাতত লবনে ?

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ডিব্ৰুগড় জিলাত নবোদয় বিদ্যালয় স্থাপন কৰিবৰ বাবে জিলা উপায়ুক্তৰ পৰা ৩০ একৰ মাটি আৰু ভাড়া দিব নলগীয়া খালী কোঠা আৰু ছাত্ৰাবাস গৃহ বিচাৰি প্ৰস্তাৱ বিচৰা হৈছে ।

খ) স্থান নিৰ্ব্বাচনী সমিতিয়ে শদিয়াকে ধৰি ডিব্ৰুগড় জিলাৰ সম্ভাৱনীয়তা থকা ঠাই পৰিদৰ্শন কৰি যোগা-যোগ আৰু অন্যান্য সা-সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি এটুকুৰা ঠাই নিৰ্ব্বাচন কৰিব লাগিব ।

গ) ডিব্ৰুগড় জিলাত নবোদয় বিদ্যালয় স্থাপন কৰাৰ প্ৰস্তাৱ আছে ।

## বিষয় ঃ বিদ্যালয় প্ৰাদেশীকীকৰণ ।

শ্ৰীজয়নাথ শৰ্মাই সুধিছে ঃ

৫৮৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ১৯৯০ চনৰ পিচত মধ্য ইংৰাজী বিদ্যালয় কিমানখন প্ৰাদেশীকীকৰণ কৰা হৈছে ?

(খ) উক্ত বিদ্যালয় সমূহত কিমানটা পদ কি কি পদ প্ৰাদেশীকীকৰণ কৰা হৈছে ?

(গ) উক্ত বিদ্যালয় সমূহত ষষ্ঠ পদ আৰু চকীদাৰ পদ সমূহ নিয়মীয়াকৰণ কৰা হবনে ?

(ঘ) উক্ত সময়ছোৱাত কিমানখন প্ৰাথমিক বিদ্যালয় প্ৰাদেশীকীকৰণ কৰা হৈছে ? ২য় প্ৰতিস্থাপক শিক্ষক জনৰ পদটো কি হল ? কিয় নিয়মীয়া কৰা নাই ?

(ঙ) বৃত্তিধাৰী পদ ৰাজ্য খনত উক্ত সময়ছোৱাত কিমানটা মঞ্জুৰী হৈছিল ? উক্ত পদ সমূহ কোন জিলাত কোন সমষ্টিত দিয়া হল ?

শ্ৰীগৌতম বৰা (ৰাজ্যিক শিক্ষা মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

(ক) ১২৫৫ খন ।

(খ) ৬৭৭৫ টা

| | | |
|---|---|---|
| প্ৰধান শিক্ষক— | ১২৫৫ টা |
| সহকাৰী শিক্ষক— | ৩৫৩৫ টা |
| আৰবীক শিক্ষক— | ২৩০ টা |
| হিন্দী শিক্ষক— | ১২৫৫ টা |
| ৪ৰ্থ শ্ৰেণী— | ৫০০ টা |

(গ) ষষ্ঠ পদ হোৱা নাই। ৭৫৫ খন বিদ্যালয়ৰ ৪র্থ শ্রেনীৰ পদ সৃষ্টি হোৱা নাই।

(ঘ) ১৭৬০ খন। প্রয়োজনীয় পুঁজিৰ অভাৱত ২য় প্রতিষ্ঠাপক শিক্ষকৰ পদ ১৯৯৩-৯৪ চনত নিয়মীয়া কৰিব পৰা নহল। কিন্তু ১৯৯৪-৯৫ চনত কৰা হব।

(ঙ) ৭৬০৬ টা। ৰাজ্য খনৰ ভৈয়াম অঞ্চলৰ সকলো জিলাত সকলো সমষ্টিত দিয়া হৈছে।

**Re : Dropped post of Bodo Medium.**

Shri Karendra Basumatary, asked :

589. Will the Minister (State) of Education be pleased to state :

a) Whether it is a fact that Dropped post of Bodo Medium section in recently provincialised Primary School namely Dahala Chuba Primary School in Panery constituency in the district of Darrang has not been yet sanctioned and appointed the founder Bodo Teacher ,

b) If so, why ?

c) When appointment will be given to ?

শ্রীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্রী) য়ে উত্তৰ দিছে :

ক) হয়।

খ) ২য় শিক্ষকৰ পদ সমূহৰ মঞ্জুৰী হোৱা নাছিল।

গ) ১৯৯৪-৯৫ বিত্তীয় বছৰৰ পৰা।

**বিষয় : দুর্নীতিৰ অভিযোগ।**

শ্রীবুবুল দাসে সুধিছে :

৫৯০। মাননীয় ৰাজ্যিক শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে ?

ক) বৰ্ত্তমান মাদ্রাছা শিক্ষাৰ উপ-শিক্ষাধিকাৰ তথা ৰাজ্যিক মাদ্রাছা শিক্ষা পৰিষদৰ সচিব শ্রী এছ, এম, হবিবুল হক ১৯৭৫ চনত বিভিন্ন দুর্নীতিৰ অভিযোগত অভিযুক্ত হৈ চৰকাৰী চাকৰিৰ বাবে অনুপযুক্ত বিবেচিত হৈ চাকৰিৰ পৰা সম্পূর্ণৰূপে বৰ্খাস্ত হৈছিল নে ?

খ) যদি হৈছিল তেন্তে কিহৰ ভিত্তিত আৰু কেতিয়া চাকৰিত পুণৰ মকৰল হ'ল ?

গ) সেই একেজন বিষয়াই ১৯৮৯ চনত মাদ্ৰাছা শিক্ষাৰ দায়িত্বলৈ পুণৰ বিভিন্ন ধৰণৰ দুৰ্নীতিত লিপ্ত হোৱা সংক্ৰান্তত প্ৰাক্তন মাননীয় পঞ্চায়ত ও গ্ৰামোন্নয়ন মন্ত্ৰী ডাঙৰীয়াই যোৱা ৩-৭-৯১ চনত ১৯ টা দুৰ্নীতিৰ অভিযোগ তদন্ত কৰিবলৈ দিয়া টোকাৰ বিষয়ে চৰকাৰ অৱগত আছে নে ?

ঘ) যদি নাই তদন্ত কৰি ব্যৱস্থা লবনে ?

শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( শিক্ষা মন্ত্ৰী ) য়ে উত্তৰ দিছে :

ক) হৈছিল ।

খ) তিনিজনীয়া Appellate Committee ত শ্ৰীহবিবুল হকৰ আবেদন বিবেচনা কৰি ১৯৭৮ চনৰ আগষ্ট মাহৰ ৩০ তাৰিখে তেওঁক চাকৰিত পুণৰ মকৰল কৰা হয় ।

গ) আছে ।

ঘ) তদন্তৰ ব্যৱস্থা কৰা হৈছে ।

## Re : Complaints against the District Elementary Education Officer, Dhubri.

Sri Giasuddin Ahmed, asked :

591. Will the Minister of Education be pleased to State ?

(a) Whether the Govt. has received any public complaint against the present District Elementary Education Officer, Dhubri ?

(b) Whether it has also brought to the notice of the Government that due to misbehaviours, malpractice, negligence of duty and continuous un-authorised absence from Office on the part of the Officer the academic atmosphere in the whole District of Dhubri has been completely initiated ?

(c) Whethers will Govt. make a thorough investigation into the matter and take appropriate action ?

Sri Golok Chandra Rajbanshi ( Minister of Education (H) ) replied :

(a) Yes .

(b) Govt. have received the complaints regarding malpractises and un-authorised absence only against the D. E. E. O. , Dhubri .

(c) Deputy Commissioner , Dhubri has been asked to enquire into the allegation for taking appropriate action against the Officer concerned .

**Re : Amalgamating of M. E. & HB. E. School :**

Sri Mission Ranjan Das, asked :

Will the Minister of Secondary Education be pleased to state :

(a) Whether the Goverment is considering the proposal of amalgamating both the M. E. / M. V. School & High School which are in the same compound ?

(b) If yes, when this proposal will be effected ?

(c) If not, state reason thereof ?

Sri Goutam Bora ( Minister of State Education ) replied :

(a) Yes, Govt. is considering the proposals on merit.

(b) As soon as the required fund for the purpose is made available. The proposal is under active cosideration of Government.

(c) Does not arise.

**Re : Pre-Primary Schools.**

Shri Sashakamal Handique, asked :

593. Will the Minister of State for Education be pleased to state :

(a) Whether Government has implemented the assurance made in the Hon'ble Governors Address in Ist Session of 9 th Assembly in connection with Pre-primary Schools ?

(b) If so, the number of Schools and students thereof as at present ?

(c) If not, why the assurance has not been implemented ?

Shri Gautam Bora ( Minister of State, Education ) replied :

(a) It was not an assurance but a proposal included in the Draft Plan for the year, 1992-93 which was not finally agreed to by the Planning Commission.

(b) Does not arise.

(c) Does not arise.

**Re : Sautal Tribes script.**

Shri Rameswar Dhanowar, asked :

594. Will the Minister of state Education be pleased to state :

a) Whether Government is aware of the fact that the Sautal Tribes have developed their own script named "OL CIKI" ?

b) If yes, whether Government will introduce Sautali Language in imparting education to Sautali children in primary stage as have introduced like in Orissa, West Bengal and Bihar ?

c) If not reasons thereof.

শ্ৰীগৌতম বৰা (শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) চাওতালী লিপিৰ উদ্ভাবনৰ বিষয়ে চৰকাৰৰ হাতত তেনে কোনো তথ্য নাই ।

খ) প্ৰশ্ন নুঠে ।

গ) বৰ্ত্তমান চৰকাৰে সেই বিষয়ে বিবেচনা কৰা নাই । প্ৰশ্ন উঠিলে সৰ্বভাৰতীয় ১৯৮৬ চনৰ শিক্ষানীতি অনুসৰি ব্যৱস্থা লোৱা হব ।

## বিষয় :— সড়ক ভাংগন রোধ করার ব্যৱস্থা ।

শ্ৰীমধুসূদন তেওয়ারী জিজ্ঞাসা করছেন ঃ

595. মাননীয় বান নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) পাথারকান্দি সমষ্টির দেওয়ালী, ইচাবিল চাবাগান, কালাছড়া ও লোয়ার পোয়ার নিকট ৪৪নং জাতীয় সড়ক লংগাই নদীর ভাংগনের কবলে ইহা অৱগত আছেন কি ?

(খ) যদি অৱগত, উক্ত ভাংগন রোধ করার কি ব্যৱস্থা গ্ৰহণ করিয়াছেন ?

(গ) বন্যা নিয়ন্ত্রণ বিভাগের পাথারকান্দি সাব ডিভিসনে ঠিকাদারদের কত টাকা পাওনা আছে এবং কখন পরিশোধ করা হইবে ?

শ্ৰীহরেণ ভূমিজ ( বান নিমন্ত্রণ বিভাগের মন্ত্রী ) য়ে উত্তর দিয়েছেন ঃ

(ক) হ্যাঁ ।

(খ) কালাছড়ার ভাঙন রোধ করার জন্য "Protection of Lower powakanhum Road at 5th K.M. from erosion of river Longai on its right bank"

এবং লোয়ার পোয়ার নিকট ৪৪নং জাতীয় সড়কের ভাঙন রোধ করার জন্য "Anti-erosion of river Longai on its left bank" নামের ছুটি প্রকল্পের প্রাক্‌কলন প্রস্তুত করিয়া অনুমোদনের জন্য NEC- তে ১৯৯২-৯৩ এবং ১৯৯৩-৯৪ সালে দাখিল করা হয়েছে ।

(গ) পাথারকান্দি সাব ডিভিসনের অন্তর্গত ঠিকাদারদের আনুমানিক পাওনা ২৬২'০০ লক্ষ টাকা । বিত্তীয় স্বচ্ছলতা সাপেক্ষে পর্যায়ক্রমে পরিশোধ করার কথা বিবেচনা করা হচ্ছে ।

## বিষয় ঃ গাওঁ পঞ্চায়ত সমবায় সমিতি ।

শ্ৰীহিতেশ ডেকাই সুধিছে ঃ

মাননীয় সমবায় বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

ক) ৰাজ্যখনত মুঠতে গাওঁ পঞ্চায়ত সমবায় সমিতি লিঃ কিমান খন আছে ?

খ) ইয়াৰে কিমানখন লাভৰ ঘৰত আৰু কিমানখন লোকচানৰ ঘৰত চলিছে ?

গ) ৰাজ্যখনৰ কিমানখন সমবায় সমিতিৰ স্থায়ী 'সম্পাদক' (Secretary) নিযুক্তি হৈ আছে ?

ঘ) মুঠতে কিমানজন সম্পাদক 'নিলম্বিত' হৈ আছে ?

ঙ) সমবায় সমিতি সমূহৰ কোনো সম্পাদকে অথবা বিষয় ববীয়াই সমিতিৰ ধন আত্মসাৎ কৰিছে নেকি ?

চ) যদি কৰিছে এনে ধনৰ পৰিমান কিমান ?

শ্ৰীনগেন নেওগ (সমবায় বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে ঃ

ক) ৭০৩ খন।

খ) ২৫৫ খন লাভৰ ঘৰত আছে আৰু ৪৪৮ খন লোকচানৰ ঘৰত আছে।

গ) ৫১৬ জন। ১৫ জন নিলম্বিত হৈ আছে।

ঘ) বৰ্ত্তমান ১৫ জন কেডাৰ সম্পাদক নিলম্বিত হৈ আছে।

ঙ) হয়, কৰিছে।

চ) মুঠ ৪,৩৯,০২,০৪০.০০ টকা।

## বিষয় ঃ গ্ৰাম্য বৈদ্যুতিকৰণ।

শ্ৰীমুনিন মহন্তই সুধিছে ঃ

মাননীয় গ্ৰাম্য বৈদ্যুতিকৰণ আৰু শক্তি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ?

(ক) মৰিগাওঁ সমষ্টিৰ কোন কোন গাওঁত ইতিমধ্যে গ্ৰাম্য বৈদ্যুতিকৰণ সম্পূৰ্ণ হৈছে, কোন কোন গাওঁত বৈদ্যুতিকৰণ অসম্পূৰ্ণ হৈ আছে আৰু কোন কোন গাওঁত বৈদ্যুতিকৰণ একেবাৰে হোৱা নাই ?

(খ) মৰিগাওঁ সমষ্টিৰ তৰাবড়ি, কলমৌকৰী, ৰঙাঁদৰীয়া আৰু মৰিপূৰটপ গাওঁ পঞ্চায়তৰ অন্তৰ্গত গাওঁবোৰত ১৯৯১-৯২ আৰু ১৯৯২-৯৩ চনত কিমান বৈদ্যুতিক শক্তি যোগান ধৰা হৈছে আৰু ৰঙাঁদৰীয়া গাওঁ পঞ্চায়ত এলেকাত কিমানদিন ১৯৯২-৯৩ চনত লাইট জ্বলিছে ?

(গ) মৰিগাওঁ জিলাত ১৯৯২-৯৩ চনত বৈদ্যুতিকৰণৰ বাবদ কিমান টকা ব্যয় কৰা হল আৰু উক্ত ক'ত কেনেকৈ ব্যৱহৃত হৈছে ?

(ঘ) ১৯৯৪-৯৫ চনত মৰিগাওঁ সমষ্টিত কেইখন নতুন গাওঁত বৈদ্যুতিকৰণৰ বাবে ব্যৱস্থা লোৱা হব ?

শ্রীগোপীনাথ দাস ( ৰাজ্যিক মন্ত্রী, ( গ্রাম্য বৈদ্যুতিকৰণ ) য়ে উত্তৰ দিছে :

(ক) সমষ্টি ভিত্তিত গাওঁবোৰ নির্দ্ধাৰণ কৰা নহয় থানা ভিত্তিতহে গাওঁবোৰ নির্দ্ধাৰণ কৰি বৈদ্যুতিকৰণ কৰা হয়। মৰিগাওঁ থানাৰ মুঠ পিয়ল ভুক্ত ৩৩৪ খন আৰু পিয়ল বৰ্হিভূক্ত ৪৪ খন গাওঁ ইতিমধ্যে বৈদ্যুতিকৰণ কৰা হৈছে। একে বাৰে বৈদ্যুতিকৰণ নোহোৱা গাওঁৰ সংখ্যা হল ১ খন। উক্ত গাওঁ খনৰ নাম হল চনকা।

(খ) উক্ত গাওঁ সমূহত সৰবৰাহ কৰা বিদ্যুৎ পৰিমান নির্দ্ধাৰণ কৰা বিদ্যুৎ পৰিষদৰ কোনো পদ্ধতি নাই। চাহিদাৰ ওপৰত ভিত্তি কৰি বিদ্যুৎ যোগান ধৰা হয়।

(গ) মৰিগাওঁ জিলাত ১৯৯২-৯৩ চনৰ বছৰটোত বৈদ্যুতিকৰণ আঁচনি নথকা বাবে এই শিতানত কোনো ধৰণৰ ব্যয় হোৱা নাই।

(ঘ) পূজি সাপেক্ষে ১৯৯৪-৯৫ চনত মৰিগাওঁ জিলাৰ ৪০ খন গাওঁ বৈদ্যুতিকৰণ কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে।

## বিষয় :— প্রাথমিক বিদ্যালয় চৰকাৰীকৰণ।

শ্রীনজমুল হকে সুধিছে :

৫৯৮। মাননীয় শিক্ষা বিভাগৰ মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাবনে :

(ক) ১৯৯৩-৯৪ বিত্তীয় বছৰত মুঠ কিমানখন বে-চৰকাৰী প্রাথমিক বিদ্যালয় চৰকাৰীকৰণ কৰা হব মহকুমা ভিত্তিত স্কুলৰ সংখ্যা জনাবনে ?

(খ) প্রাথমিক বিদ্যালয় চৰকাৰীকৰণৰ তালিকা প্রস্তুত কৰাৰ ক্ষেত্রত গোৱালপাৰাৰ D.E.E.O. আৰ D. I. Schools ব্যাপক দুর্নীতি কৰাৰ তথ্য চৰকাৰৰ অৱগতনে ?

(গ) উক্ত বিষয়া ২ জনক অনতি পলমে গোৱালপাৰাৰ পৰা বদলী কৰাৰ ব্যৱস্থা কৰা হবনে ?

(ঘ) গোৱালপাৰা মহকুমাৰ D. I জন যোৱা ১৬ বছৰৰ পৰা গোৱালপাৰা মহকুমাত থকাৰ কথা সচাঁনে ?

শ্রীগৌতম বৰা ( ৰাজ্যিক শিক্ষা মন্ত্রী ) য়ে উত্তৰ দিছে :

(ক) ৯৪০ খন, এতিয়াও তালিকা চূড়ান্ত হোৱা নাই।

(খ) অৱগত নহয়।

(গ) উপযুক্ত প্রমাণ পালে বিহীত ব্যরস্থা লোরা হব।

(ঘ) সত্য নহয়।

## বিষয়ঃ— বাঁধ মেরামতি ও বাঁধ নির্মাণ।

শ্রীপ্রনর কুমার নাথ জিজ্ঞাসা করছেন ঃ

৫৯৯। মাননীয় বান নিয়ন্ত্রণ বিভাগের মন্ত্রী মহোদয় অনুগ্রহ করিয়া জানাবেন কি ?

(ক) বিগত বন্যায় করিমগঞ্জ জিলার সিংলা ও লংগাই নদীর যে সকল বান নিয়ন্ত্রণ বিভাগের বাঁধ ক্ষতিগ্রস্ত হয়েছে, যে গুলি বর্ষা শুরো হওয়ার আগেই বর্ত্তমান অর্থ বছরে মেরামতি করার জন্য বিভাগীয় কর্ত্তৃপক্ষ কি কি কার্য্যকরী ব্যরস্থা গ্রহণ করেছেন, বিশদ তথ্য সদনের মেজে দাখিল করিবেন ?

(খ) করিমগঞ্জ জিলার দক্ষিণ করিমগঞ্জ সমষ্টির বরুয়ালা গাওঁ পঞ্চায়েতের অন্তর্গত বরোয়ালা বাজার ও শিববারী কৃষ্ণ নগর গ্রামের মধ্যরর্ত্তী বাঁধের কিছু অংশ এবং নগেন্দ্র নগর গাঁও পঞ্চায়েতের অন্তর্গত বিরগ্রামের পূর্ব্বদিকে শনবিলের তীররর্ত্তী বীরগ্রাম-নগেন্দ্র নগর ভবানীপুর বাঁধের যে কিছু অংশ বিগত বন্যায় ক্ষতিগ্রস্ত হয়েছে এব্যাপারে সরকার অরহিত আছেন কি ?

(গ) গ্রামীন SC জনগনের বৃহত্তর স্বার্থে বর্ণিত ক্ষতিগ্রস্থ বাঁধের অংশ গুলি বন্যা শুরো হওয়ার আগেই বর্ত্তমান অর্থ বছরে মেরামতি করার ব্যরস্থা নিয়েছেন কি ?

(ঘ) যদি হয় কখন ও কি ভাবে, যদি না কেন ?

শ্রীহরেণ ভূমিজ ( বান নিয়ন্ত্রণ বিভাগের মন্ত্রী ) য়ে উত্তর দিয়েছেন ঃ

(ক) ক্ষতিগ্রস্থ বাঁধের মেরামতির জন্য এই বিভাগ থেকে প্রকল্পের প্রাক্‌কলন প্রস্তুত করে সরকারের নতুন নীতি অনুযায়ী জেলা গ্রামীন সংস্থাকে ( DRDA ) জমা দেওয়া হইয়াছে। জেলা গ্রামীন সংস্থা প্রকল্পের কাজ আরম্ভ করিয়াছে এবং এই কর্ম্মবছরে কাজ সম্পূর্ণ হইবার সম্ভাবনা আছে।

(খ) হ্যাঁ।

(গ) হ্যাঁ, প্রকল্পের প্রাক্‌কলন প্রস্তুত করে জিলা গ্রামীন মংস্থাকে ( DRDA ) কার্য্য সম্পাদনের জন্য দেওয়া হইয়াছে।

(ঘ) হ্যাঁ, জেলা গ্রামীন সংস্থা ( DRDA ) কাজ সম্পূর্ণ করার ব্যৱস্থা নিয়েছেন ।

বিষয়ঃ— ৪র্থ শ্ৰেণী আৰু কাৰ্য্যালয় সহায়কৰ পদ মঞ্জুৰী ।

শ্ৰীজয়নাথ শৰ্ম্মাই সুধিছে ঃ

৬০০। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমৰ সমূহ ৰাজ্যত “৪ৰ্থ শ্ৰেণী আৰু কাৰ্য্যালয় সহায়ক” পদ কিমান মঞ্জুৰী হৈছিল ?

( ১৯৯১-১৯৯৪ ফেব্ৰুৱাৰী )

(খ) উক্ত পদ সমূহ ক'ত কেনেকৈ বিতৰণ হ'ল ?

( জিলা ভিত্তিত দেখুৱাব )

(গ) ছিপাঝাৰ সমষ্টিত কেইতা পদ দিয়া হ'ল ?

শ্ৰীগৌতম বৰা ( শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ) য়ে উত্তৰ দিছে ঃ

(ক) ৪০০ ( চাৰিশ ) ৪ৰ্থ শ্ৰেণীৰ আৰু ২০০ ( দুশ ) কাৰ্য্যালয় সহায়কৰ পদ মঞ্জুৰী হৈছিল ।

(খ) জিলা ভিত্তিত তালিকা সদনৰ মেজত ৰখা হ'ল ।

(গ) পদ সমূহ জিলা ভিত্তিত দিয়া হৈছে । সমষ্টি ভিত্তিত দিয়া হোৱা নাই ।

শ্ৰীঅতুল বৰা ঃ মোৰ এটা প্ৰশ্ন আছিল যে গুৱাহাটী মহানগৰীত এল, পি, এম, ই আৰু হাইস্কুলত কিমান শিক্ষক নিযুক্তি দিয়া হৈছে আৰু কোন কোন চনত এইচ, এচ, এল্, চি পৰীক্ষা পাচ কৰিছে নাম ঠিকনা চৰকাৰে দাখিল কৰিবনে ? তাৰ উত্তৰত কৈছে যে প্ৰশ্নটো পোনপটিয়া নোহোৱাৰ বাবে উত্তৰ দিব পৰা নগল । এইটো পোনপটিয়া প্ৰশ্ন নহয় নেকি ?

## VOTING ON DEMANDS FOR GRANTS

Mr. Speaker : Now Grant on Education. Hon'ble Minister has given reply. Any clarification.

★ শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী ) ঃ অধ্যক্ষ মহোদয়, মই আৰু বেচি কথা নকওঁ । মাননীয় সদস্য সকলে বহুত পৰামৰ্শ দিছে । তাৰোপৰি যিখিনি কথা কৈছে তাৰ প্ৰায় ভাগেই টাচ কৰি গৈছো । এই বিলাক

★ Speech not corrected

কথা যাতে নাথাকে সেই উদ্দেশ্যে মহকুমা পৰিষদ লেভেললৈ উচ্চতৰ মাধ্যমিক শিক্ষা হস্তান্তৰ কৰিব বিচাৰিছো। মই আশা কৰো যিবিলাক পঞ্চায়ত গঠন কৰিব বিচাৰিছো তাৰ জৰিয়তে শিক্ষা ব্যৱস্থা ভাল ধৰণে চলিব পাৰিব। তাত বিধায়ক সকল সদস্য হব। এইখিনি অনুৰোধ কৰি শিক্ষাৰ শিতানত যি শিতানত যি কৰ্ত্তন প্ৰস্তাৱ আনিছে তাক উঠাই লৈ দাবী মঞ্জুৰীটো পাচ কৰি দিয়ে।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া : ধেমাজিত যি নিযুক্তি হৈছে তাত ৰষ্টাৰ মেইনটেইন কৰা নাই। এই ৰষ্টাৰ মেইনটেইন কৰি দিব নে নাই ? তাৰ পিছত খেলি-মেলি যি নিযুক্তি হৈছে সেই বিলাক বাতিল কৰি পুনৰ নিযুক্তি দিয়াৰ ব্যৱস্থা কৰিবনে ? খেলি মেলি কৰা বৰ্ড ভঙ্গ কৰি দিয়াৰ ব্যৱস্থা কৰিবনে ? তাৰ পিচত ধেমাজিৰ ডি, আইক বৰ্খাস্ত কৰিছেনেকি ?

★ শ্ৰীঅতুল বৰা : গুৱাহাটী মহকুমা শিক্ষা উপদেষ্টা বোৰ্ডখন ভঙ্গ কৰিছেনেকি ? শ্ৰীগোপী নাথ দাসৰ সভাপতিত্বত থকা বোৰ্ডখনে সাংঘাতিক দূনীতি কৰাৰ কাৰণে ভঙ্গ কৰিছেনেকি ?

★ শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী) : ৰষ্টাৰ কথাটো সাংবিধানিক কথা, সেইটো মেইনটেইন কৰিব লাগিব। ধেমাজিত যিজনে একচেচ্ নিযুক্তি দিছে তেওঁক নিলম্বিত কৰা হৈছে আৰু প্ৰচিচিং ড্ৰ কৰা হৈছে। উপদেষ্টা পৰিষদৰ কাৰ্য্যকাল শেষ হোৱাৰ কাৰণে আৰু পঞ্চায়ত অধিসূচনা জাৰি কৰাৰ পিচত উপদেষ্টা বোৰ্ড ভঙ্গ কৰা হৈছে।

★ শ্ৰীঅতুল বৰা : ৮ খন বোৰ্ড ভঙ্গ কৰা হৈছে, বাকী বিলাক চলি আছে। গুৱাহাটীত এতিয়াও নিযুক্তি হৈ আছে। ৮ খন বোৰ্ড কি কাৰণে ভঙ্গ কৰিছে ?

★ শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী) : বোৰ্ডবিলাক একেলগে গঠন হোৱা নাই। এবছৰীয়া কাৰ্য্যকাল হোৱা বিলাক ভাঙি দিয়া হৈছে। তাৰো-পৰি পঞ্চায়ত অধিসূচনা জাৰি কৰাৰ পিচত সকলো বিলাক ভাঙি দিয়া হৈছে।

★ শ্ৰীপদ্মেশ্বৰ দলে : মাজুলিত নিযুক্তি হোৱা নাই। Not a single appointment has been made. দুজন মেম্বাৰ দুৰ্নীতিত লিপ্ত হোৱা বাবে বোৰ্ড ভঙ্গ কৰি পেলোৱা হৈছে। সেই দুজন মেম্বাৰে আগৰ লৰা বিলাকক দিব লাগে বুলি হাইকোৰ্ট কৰিছে। ১৮ বছৰৰ কম বয়সৰ আৰু সাক্ষাৎকাৰ

---

★ Speech not corrected

নিদিয়া লৰাক নিযুক্তি দিছে। নিযুক্তি দিয়াৰ আগতে এপ্ৰভ কৰি লব লাগে। On what basis. আজিলৈকে নিযুক্তি এটা হোৱা নাই। ২৭-৩০-৪০ হাজাৰকৈ টকা লৈছে। শ্ৰীহেম প্ৰকাশ নাৰায়ণ চাহাবক সোধক। এম, পি শ্ৰীবলীন কুলি জড়িত আছে।

Mr. Speaker : This portion is totally expunged.

★ Shri Padmeswar Doley : There is a starding rule on the basis of which Govt. can go to High Court . তদন্ত সেই বিলাক বাতিল কৰিব লাগে আৰু নিযুক্তি দিয়াৰ ব্যৱস্থা লব লাগে। এই বিষয়ত স্পষ্টিকৰণ বিচাৰিছো।

★ শ্ৰীগোলোক ৰাজবংশী (শিক্ষা মন্ত্ৰী) : তিনি দিনৰ আলোচনাত এই বিষয়টো একেবাৰে আলোচনা হোৱা নাছিল। এতিয়া উল্লেখ কৰিছে যেতিয়া চাম।

★ শ্ৰীফণী ভূষণ চৌধুৰী : বঙাইগাৱঁত এটা মাহত তিনিশ নিযুক্তি হৈছে। চাৰিশ নিযুক্তি পত্ৰ আছে। The post was originally created vide Govt. No. EPG/8/92 dt 18.4.93. এই দুখন চিঠিত চেংচন হোৱা বুলি কৈছে। প্ৰাথমিক শিক্ষাধিকাৰৰ তাত এনে নম্বৰৰ কোনো চিঠি নাই। এই বিষয়টো কমিচনাৰ, ৰাজ্যিক শিক্ষা মন্ত্ৰীক জনাইছো। ২৮ তাৰিখৰ বেকদেট দি নিযুক্তি হৈ আছে। চিমলাবাৰী এম, ই, মাদ্ৰাচাত শ্ৰীবিশ্ব নাথ পাটগিৰিক নিযুক্তি দিয়া হৈছে। ১০'৩০ বজাত তেওঁক সোধাত কলে যে এজন ছাত্ৰ স্কুল নহল। ৯জন ছাত্ৰৰ বিপৰীতে ১০ জন শিক্ষকক নিযুক্তি দিয়া হৈছে। এই বিষয়ে তদন্ত কৰি নিযুক্তি বাতিল কৰিবনে ? এই মুহূৰ্ত্তত নিযুক্তি দিলে কি কৰিব ?

★ শ্ৰীগোলোক ৰাজবংশী, ( শিক্ষামন্ত্ৰী ) :— মাননীয় অধ্যক্ষ মহোদয়, মই আগতেই কৈছো যে এই সম্পৰ্কত প্ৰত্যেক জিলাৰ উপায়ুক্ত সকলক যদি কিবা আসোঁৱাহ আছে সেই বিলাক তদন্ত কৰিবলৈ দিয়া হৈছে। বিশেষ ভাৱে চাবলৈ গলে কৰ'বাত বেছি নিযুক্তি দিছে বা ক'ৰবাত কম হৈছে। এই গোটেই কথা বিলাক উপায়ুক্ত সকলক তদন্ত কৰিবলৈ দিয়া হৈছে। মাননীয় সদস্যই যদি বিশেষ কিবা কথাৰ প্ৰতি দৃষ্টিগোচৰ কৰিব বিচাৰে আমাক জনালে নিশ্চয় তদন্ত কৰিম।

শ্ৰীপ্ৰমোদ গগৈ :— অধ্যক্ষ মহোদয়,, শিক্ষা বিভাগৰ আলোচনা হওতে মাননীয় সদস্যসকলৰ বেছি ভাগে এটা কথা চৰকাৰৰ দৃষ্টিগোচৰ কৰিছে।

★ Speech not corrected

সেইটো হৈছে নিযুক্তিৰ ক্ষেত্ৰত হোৱা খেলিমেলি। নজন ছাত্ৰ-ছাত্ৰী থকা স্কুলৰ কাৰণে দহ জন শিক্ষক নিযুক্তি দিয়া ইত্যাদি কথাও ইয়াত উল্লেখ কৰিছে। ১৯৯২ চনৰ শেষত আৰু ১৯৯৩ চনৰ আৰম্ভণীতে শিক্ষা বোৰ্ড সকলো বিলাক ভঙ্গ কৰি দিছিল আৰু তাৰ পিচত চৰকাৰৰ ফালৰ পৰা নিয়োগৰ ক্ষেত্ৰত গাইড লাইন চাৰ্কুলেট কৰিছিল সকলো মাননীয় সদস্যলৈ। তাত কোৱা হৈছিল যে এলিমেণ্টৰি এডভাইচৰি বোৰ্ডে এটা চিলেক্ট কমিটি কৰিব আৰু চিলেক্ট কমিটিয়ে শিক্ষক নিযুক্তিৰ কাৰণে তালিকা প্ৰস্তুত কৰিব। চিলেক্ট কমিটিৰ সদস্য সকল হব শিক্ষক আৰু ইন্টিগ্ৰিটি থকা ধৰণৰ লোক আৰু যাৰ ওপৰত কাৰো কোনো সন্দেহ নাই তেনকুৱা লোকক লৈ শিক্ষা বোৰ্ডে চিলেক্ট কমিটি গঠন কৰিব বুলি চৰকাৰৰ পৰা চাৰ্কলাৰত জনাইছিল আৰু চিলেক্ট কমিটিয়ে প্ৰস্তুত কৰি দিয়া তালিকাৰ পৰা শিক্ষা বোৰ্ডে শিক্ষক নিযুক্তি দিয়াৰ কথা আছিল। এতিয়া মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিছাৰিছো যে অসমৰ বিভিন্ন জিলা আৰু মহকুমাত শিক্ষা বোৰ্ড বিলাকে চৰকাৰে দিয়া গাইডলাইন মতে চিলেক্ট কমিটি গঠন কৰিছিল নে নাই? বা চিলেক্ট কমিটিয়ে তালিকা প্ৰস্তুত কৰিছিল নে নাই। আমি জনাত শিৱসাগৰত কোনো চিলেক্ট কমিটি নাই। মাননীয় অধ্যক্ষ মহোদয়, মই এটা দৃষ্টান্ত দাঙি ধৰিছো। মোৰ সমষ্টিত এটা স্কুললৈ মই মিটিঙৰ কাৰণে গৈছিলো। পিচপৰা ঠাইৰ স্কুল উৰিলামগুৰি এম-ই স্কুল। তাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ত্ৰিশ জন কিন্তু শিক্ষক নিয়োগ কৰা হৈছে পচিশ জন। ক'ত বহে যেতিয়া সুধিলো কলে যে চকী দুখন আৰু টেবুল দুখন, ডেক্স-বেঞ্চ ছয় জোৰ। সেই কাৰণে বহিবলৈ ঠাই কাৰণে কেতিয়াবা আহে আৰু কেতিয়াবা নাহে। এনেকুৱা কিছুমান স্কুল আছে য'ত শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী সমান সমান হৈছে। আন এটা অভিযোগ উঠিছে যি সকল শিক্ষকক নিযুক্তি দিয়া হৈছে সেই সকলৰ বহুতৰ ক্ষেত্ৰতে চাৰ্টিফিকেট বিলাক সত্য হয় নে নহয় সন্দেহ আছে। সেই কাৰণে মন্ত্ৰী মহোদয়ৰ পৰা জানিব পাৰোনে যে চৰকাৰৰ পৰা দিয়া গাইডলাইন যি যি ঠাইত অমান্য কৰা হৈছে সেই ঠাইত দিয়া নিযুক্তি বিলাকৰ ক্ষেত্ৰত চৰকাৰে কি বিশেষ ব্যৱস্থা লব? যি বিলাক বোৰ্ডে চৰকাৰৰ গাইডলাইন অমান্য কৰি নিযুক্তি দিছে সেই বিলাকৰ ক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা লব?

★ শ্ৰীগোলোক ৰাজবংশী, (শিক্ষা মন্ত্ৰী): অধ্যক্ষ মহোদয়, এই কথা বিলাক বাতৰি কাকতত ওলাইছে আৰু বিধান সভাত আলোচনা হৈছে। সেই

★ Speech not corrected

কাৰণে গোটেই কথা বিলাক চাবলৈ জিলাৰ উপায়ুক্ত সকলক তদন্ত কৰিবলৈ দিয়া হৈছে। এইটো কথা নহয় যে সকলো বোৰ্ডেই বেয়া কাম কৰিছে বা সকলো ঠাইতে বেয়া কাম হৈছে। তেনেকৈ এটা জেনেৰালাইজ কৰিব নোৱাৰি। যদি তেনে বিশেষ এটা কথা জনায় তেতিয়াহলে সেইটো চাব লাগিব।

★ শ্ৰীচন্দ্ৰ মোহন পাটোৱাৰী ঃ ত্ৰিশ জন ছাত্ৰ-ছাত্ৰী থকা স্কুলত পচিশ জন আৰু ন জন ছাত্ৰ-ছাত্ৰী থকা ঠাইত দহ জন শিক্ষক নিযুক্তি দিয়াৰ কথা মাননীয় সদস্য ফণীভূষন ৰায়ে উল্লেখ কৰিছে। মাননীয় সদস্য শ্ৰীগগৈ ডাঙৰীয়া আৰু শ্ৰীৰায় ডাঙৰীয়াৰ বিশেষ ভাবে জনোৱা এই দুই ক্ষেত্ৰত কি ব্যৱস্থা লব সেইটো জনাব লাগে। উপায়ুক্তক তদন্ত কৰিবলৈ দিয়াতো নহয়। দুজন মাননীয় সদস্যই বিশেষ ভাবে কোৱা এই দুটা ক্ষেত্ৰত কি ব্যৱস্থা লব সেইটো জনাব লাগে।

শ্ৰীগিয়াচুদ্দিন আহমেদ ঃ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষামন্ত্ৰী মহোদয়ে পৰোক্ষ নহয় প্ৰত্যক্ষ ভাবেই স্বীকাৰ কৰিছে যে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত দুই এটা এক্সচেপশ্বন বাদে বাকী বিলাকত খেলি মেলি হৈছে। প্ৰায় সমগ্ৰ অসমতে শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত এটা অভূতপূৰ্ব্ব আৰু ভয়ংকৰ বেমেজালিৰ সৃষ্টি হৈছে। এনেকুৱা অৱস্থাত শিক্ষাৰ ভবিষ্যত ধ্বংস হোৱাৰ উপক্ৰম হৈছে। এই পৰিস্থিতিত গোটেই কথা বিলাক চালিজাৰি চাবলৈ আৰু সেই সম্পৰ্কে তদন্ত কৰিবলৈ এটা সদনকমিটি গঠন কৰি দিব নোৱাৰি নেকি ? কিয়নো মন্ত্ৰী মহোদয়ে এটা কথা কৈছে যে উপায়ুক্ত সকলক তদন্ত কৰাৰ কাৰণে দায়িত্ব দিয়া হৈছে। কিন্তু তাতকৈও ভাল কথা হব যদি চৰকাৰৰ সদিছা আছে এই ক্ষেত্ৰত এটা সৰ্ব্বদলীয় সদন কমিটি কৰি শিক্ষাৰ ক্ষেত্ৰত যিমান বিলাক বেমেজালি হৈছে সেই বিলাকৰ সম্পৰ্কে এটা সুস্থ তদন্ত কৰা হওক।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া ঃ অধ্যক্ষ মহোদয়, লগতে এতিয়ালৈকে হোৱা এই সকলো বিলাক কথাৰ ওপৰত এখন শ্বেতপত্ৰ প্ৰকাশ কৰিব লাগে। মোৰ সমষ্টিত সাম্প্ৰদায়িক ভিত্তিত নিযুক্তি দিয়া হৈছে। ট্ৰাইবেল লোকসকল কচাৰী, দেউৰী সকলো মিলিয়েই হৈছে। কাগজতো প্ৰকাশ পাইছে আৰু মোৰ হাতত কাগজো আছে এই বিলাক ট্ৰাইবেল আদি সাম্প্ৰদায়িক ভিত্তিত নিযুক্তি দিয়া হৈছে। সেই কাৰণে মাননীয় সদস্য গিয়াচুদ্দিন আহমেদ ডাঙৰীয়াই কোৱাৰ দৰে এটা সদন কমিটি কৰি দিব লাগে।

---

★ Speech not corrected

★ শ্ৰীগোলোক ৰাজবংশী, (শিক্ষা মন্ত্ৰী): অধ্যক্ষ মহোদয়, এটা সৰ্ব্বভাৰতীয় নৰ্মচ্ আছে সেইটো হৈছে চল্লিশ জনীয়া ছাত্ৰ-ছাত্ৰীৰ কাৰণে এজন শিক্ষক। তাতকৈ বেছি যদি হৈছে ক'ৰবাত সেইটো কম শিক্ষক থকা ঠাইলৈ বদলি কৰি আনিব লাগিব। গোটেই কথা খিনিৰ ছবি খন আমাৰ আগত আছে। ইতিমধ্যে বহু কেইটা হাইকোৰ্টো হৈছে।

(ভইচ: যোৰলগ হৈছে।)

আনকি বহু ক্ষেত্ৰত এনেকুৱাও হৈছে যে আমাৰ শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত ৰেহাই দিয়া হৈছে কিন্তু তাৰ পিচত হাই কোৰ্টৰ পৰা হুকুম দিছে যে তেওঁবিলাকক ৰেহাই দিব নোৱাৰি। যি কেইটা দিন চাকৰি কৰিছিল সেই সময়ৰ কাৰণেও দৰমহা দিব লাগিব। এই বিলাকত ফাইনেন্‌চিয়েল ইন্‌ভল্‌ভমেণ্টৰ কথা আছে। এই বিলাকৰ ক্ষেত্ৰত বিশেষ প্ৰশ্নৰ কাৰণে বিশেষ উত্তৰ দিবলৈ ভাল। কেন্দ্ৰৰ পৰা পোৱা টকা যাতে ঠিক মতে খৰচ হয় আৰু ঘূৰি যাব লগীয়া নহয় সেইটো চাব লাগিব।

★ শ্ৰীগিয়াচুদ্দিন আহমেদ: সদন কমিটি কৰাৰ কথা কি ক'লে?

★ শ্ৰীগোলোক ৰাজবংশী, (শিক্ষামন্ত্ৰী): ইতিমধ্যে তদন্ত কৰিবলৈ দিয়া হৈছে। সেইটো ওভাৰলেপ কৰা ঠিক নহব।

★ শ্ৰীদিলীপ কুমাৰ শইকীয়া:— সাম্প্ৰদায়িক ভিত্তিত দিয়া নিযুক্তি বিলাকৰ ক্ষেত্ৰত কি ব্যৱস্থা লব?

Mr. Speaker : Minister has already given his reply.

শ্ৰীদিলীপ শইকীয়া: অধ্যক্ষ মহোদয়, সাম্প্ৰদায়িক ভিত্তিত নিযুক্তি দিয়া ব্যক্তিক দোষী সাব্যস্ত কৰিব নেকি?

★ শ্ৰীগোলক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী): অধ্যক্ষ মহোদয়, মই কৈছোৱেই যে ডি, চি, ক তদন্ত কৰিবলৈ দিয়া হৈছে।

★ শ্ৰীঅতুল বৰা: অধ্যক্ষ মহোদয়, কিছুমান স্কুলত শিক্ষক-শিক্ষয়িত্ৰী অবৈতনিক ভিত্তিত চাকৰি কৰি আছে। সেই শিক্ষক-শিক্ষয়িত্ৰী সকলৰ ভাষা কি হব? সেই কাৰণে মই কৈছো যে বেছি থকা বিলাকৰ কম থকা বিলাকলৈ নিব নোৱাৰে। মন্ত্ৰী মহোদয়ে ডি, চি, ক তদন্ত কৰিবলৈ দিছে যদিও সেইটো ঠিক নহব, কাৰণ ডি, চি, য়ে অসমৰ কাঠ নি ৰাজস্থান পোৱাইছে।

★ Speech not corrected

মাননীয় অধ্যক্ষ : মাননীয় সদস্য সকলক মই কওঁ যে বৰ্ত্তমান গ্ৰেণ্টৰ ওপৰত আলোচনা হৈ আছে, মন্ত্ৰীয়ে উত্তৰ দিব, আপোনালোকে যদি সেই উত্তৰ ভাল পায় তেতিয়া হলে কৰ্ত্তন প্ৰস্তাৱ উঠাই লব আৰু যদি ভাল নেপায় তেতিয়া হলে কৰ্ত্তন প্ৰস্তাৱ উঠাই নলব। ইণ্ডাষ্ট্ৰিৰ ওপৰত আলোচনা হব আছে আৰু অহা কালি স্বাস্থ্য বিভাগৰ আছে, তাতো সময় যাব। মন্ত্ৰীয়ে উত্তৰ দি আছে।

★ শ্ৰীমনসিং ৰংপি : অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে নিযুক্তিৰ ক্ষেত্ৰত ওৱন ইজ টু ওৱান বুলি কৈছে, কিন্তু আমাৰ ওৱান ইজ টু টু হৈ আছে। ডিফু গভৰ্নমেণ্ট কলেজত এতিয়াও পোৱা নাই, এইটো উত্তৰ দিব নে ?

★ শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী ( মন্ত্ৰী ) : অধ্যক্ষ মহোদয়, কাৰ্বি আংলঙত কিছু শিক্ষক নিয়োগ কৰা সম্পৰ্কে যিটো কৈছে, কেনেকৈ নিযুক্তি দিয়া হয় সেইটো বিবেচনা কৰি থকা হৈছে।

★ শ্ৰীমিলন চন্দ্ৰ বড়ো : অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্টীকৰণ বিচাৰিছো। মাধ্যমৰ ক্ষেত্ৰত কি ভিত্তি লোৱা হৈছে ? এইটো আমাক স্পষ্ট ভাবে জনাব লাগে। অসমৰ হাইস্কুল লেভেলত বিভিন্ন মাধ্যমত শিক্ষা দান দিয়া হয়, কলেজ, হায়াৰ চেকেণ্ডৰীত অসমীয়া মাধ্যমত শিক্ষা দিয়া হয়। ইয়াৰ বিনিময়ত অসমীয়া মাধ্যম বাদে অন্যান্য মাধ্যমত শিক্ষা লৈ আছে। এই ক্ষেত্ৰত তেওঁলোকে শিক্ষা লোৱাত অসুবিধা হৈ আছে। বিশেষকৈ বড়ো মাধ্যমৰ ছাত্ৰ ছাত্ৰী হাইস্কুলৰ পৰা বড়ো ভাষাত শিক্ষা লৈ আছে, কলেজত বড়ো ভাষা নোহোৱাকৈ শিক্ষা লৈ আছে। এই ক্ষেত্ৰত চৰকাৰে নীতিগত ভাবে চিন্তা চৰ্চা কৰিছে নে নাই, আৰু কৰিব নে নাই ?

★ শ্ৰীমহিবুল হক : অধ্যক্ষ মহোদয়, আমাৰ ধুবুৰী জিলাত এটা ডাঙৰ বৈশম্য বহু দিনৰ পৰাই চলি আছে। মই ভাবো আমাৰ ধুবুৰী জিলাক নেগলেক্ট কৰা হৈছে। আমাৰ হাইস্কুল আছে, এল, পি, স্কুল আছে, সেই বিলাক ১৯৭৮ চনৰ পৰাই চৰকাৰীকৰণ কৰিবলৈ বাকী আছে। আনহাতে ১৯৯৩ চনৰ স্কুল চৰকাৰীকৰণ কৰা হৈছে। কিয় কৰা হৈছে ? ধুবুৰী জিলাত ১৯৭৮ চনৰ পৰাই ১৯৯৩ চনলৈ বেক লগ আছে, সেই বিলাক লোৱা হব নে নাই আৰু চৰকাৰে বিবেচনা কৰিব নে ?

---

★ Speech not corrected

★ শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্ত : মাননীয় অধ্যক্ষ ডাঙৰীয়া, মাননীয় সদস্য সকলৰ স্পষ্টীকৰণৰ মাননীয় মন্ত্ৰী মহোদয়ে পোন পতীয়া উত্তৰ দিয়াৰ পিচত আমি পৰবৰ্ত্তী কাৰ্য্যসূচীলৈ যোৱাটো ভাল হব।

★ শ্ৰীআলাউদ্দিন সৰকাৰ : মাননীয় অধ্যক্ষ মহোদয়, এই প্ৰসঙ্গত আমাৰ মাননীয় সদস্য শ্ৰীজয়নাল আবেদিন চাহাবে কৈছেই। কাৰ্য্যকৰী কৰাতে এম, এল, এ, সকলৰ লগত সংশ্লিষ্ট হব নে? তেখেত সকলে একো নাজানে। সেই কাৰণে এম, এল, এ, ৰ জ্ঞাতাৰ্থে এম, এল, এ, ক সামৰি লোৱা হব নে?

★ শ্ৰীহিতেশ্বৰ ডেকা : মাননীয় অধ্যক্ষ মহোদয়, এটা স্পষ্ট বিষয়ত এলিগেশ্বন দিয়া হৈছিল, সেই সম্পৰ্কে মন্ত্ৰী মহোদয়ে কিয় নিমাত। এটা শব্দও কিয় নকলে? এই বিষয়ে জনাব নে?

শ্ৰীজীউৰাম বড়ো : মাননীয় অধ্যক্ষ মহোদয়, কিছুমান স্কুল এটা মাধ্যমত থাকি গৈছে, কিছুমান এটা মাধ্যমত নহব। আৰবী মাধ্যমৰ চৰকাৰীকৰণ হোৱা ২২ খন স্কুল আছে, তাত ২২ জন শিক্ষক দিবনে? বড়ো মাধ্যম স্কুলত চায়েন্স টিচাৰ চেঙচন দিয়া হোৱা নাই। বিশ্ব বিদ্যালয়ত বড়ো বিভাগ খোলা হলে সেই বিভাগৰ চাৰ্টিফিকেট দিয়া হব নে?

★ শ্ৰীগোলোক চন্দ্ৰ ৰাজবংশী (মন্ত্ৰী) : অধ্যক্ষ মহোদয়, বিশ্ববিদ্যালয়ত বড়ো মাধ্যম ঘোষনা কৰাৰ কথা কৈছে, এই বিষয়ে বড়ো সাহিত্য সভাৰ লগতো আলোচনা কৰা হৈছে। বিশ্ববিদ্যালয়ৰ নৰ্মচ মতে শতকৰা ৫৫ নম্বৰ যিয়ে নেপায় সি শিক্ষক হব নোৱাৰে। কিন্তু অসম চৰকাৰে ৰিলাক্স কৰি বড়ো মাধ্যমত যাতে শিক্ষা দিব পাৰি যি সকলে শতকৰা ৫০ ভাগ নম্বৰ পায় সেই সকলৰ কাৰণে বড়ো মাধ্যমৰ শিক্ষক চেঙচন দিয়া হৈছে। চাপাতগ্ৰাম, বঙাইগাওঁ, বিজনী, গোসাইগাওঁ, টঙলা আদি কলেজ বিলাকত যিটো ৰিলাক্সৰ নৰ্মচ আছে সেইটো হলে সোনকালে বড়ো শিক্ষক লব পৰা হব। বিজনীত শ্ৰীজীবেশ্বৰ কোঁচ এম, এ, ৪৯'৬ পাৰচেণ্ট আৰু বড়ো লেঙগুৱেজৰ নীৰু বসুমতাৰী ৫২'৭ পাৰচেণ্ট। তেনেকুৱা দুই এজন আছে, নৰ্মচ কুৱালিফাই অটমেটিক পায়। বাকী হাইস্কুল, হায়াৰচেকেণ্ডাৰীতো হব। সিদ্ধান্ত লোৱা হোৱাৰ পিচত মাদ্ৰাছাতো অন্তৰ্ভুক্ত হব। ডি, এচ, ই, ৰ বিষয়ে আগতে কোৱা হৈছিল। শিক্ষাৰ মাধ্যমৰ নীতি মতে শিক্ষক সকলক নিযুক্তি দিয়া হব।

---

★ Speech not corrected

★ শ্ৰীমিলন চন্দ্ৰ বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ভাষাৰ মাধ্যমৰ কথাহে কৈছো। হাইস্কুল বিলাকত ভাষাৰ মাধ্যম ললে। ইংৰাজীটো এডিশ্যনেল হিচাবে লয়। কিন্তু যি বিলাক বড়ো মাধ্যমৰ স্কুল আছে তাৰ লৰা ছোৱালী বিলাকে যিটো স্কীপত পঢ়ে সেইটো দেৱনাগৰী স্কীপ। সেই ছাত্ৰসকলে দেবনাগৰী স্কিপত শিক্ষা লাভ কৰি আহি কলেজ বিলাকত ইংৰাজী মাধ্যমত শিক্ষা লাভ কৰিবলৈ সুবিধা নাপায়। সেই ছাত্ৰ সকলে কলেজত কি মাধ্যমত শিক্ষা লব। ইংৰাজীটো পুনৰ কম্পালচৰী কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব নেকি ?

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, এইটো এটা বৰ 'ইমশ্যনেল আৰু নেশ্যনেল'। এই মাধ্যমৰ ওপৰত আগতে আন্দোলন হৈ গৈছে, এইটো চাব লাগিব, আজি এই বিষয়ে কব পৰা নেজাব।

★ শ্ৰীহিতেশ্বৰ ডেকা ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ে যিটো কৈছে সেইটো নহয়, ১৯৭২ চনত এই মাধ্যম সম্পৰ্কে আন্দোলন হৈছিল তেতিয়া কলেজ সমূহৰ মাধ্যম ইংৰাজী আৰু অসমীয়া দুয়োটা কৰা হৈছে।

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্যসকলে ডি, এচ, চিৰ বিষয়ে কৈ আছে যদিও কেৱল ডি, এচ, চিয়ে নহয় ইয়াৰ উপৰিও অন্যান্য বহুত বিলাকৰ বহুত কথা আছে বহুতে উল্লেখ কৰিছে। সেইবোৰ আতাইবিলাক চাবলৈ আছে, মই সেই গোটেইখিনি চাম।

★ শ্ৰীআব্দুল জেলীল ৰাগিবী ঃ মাননীয় অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে আমাৰ মাদ্ৰাছা বিলাক চৰকাৰে লৈছে যদিও অন্যান্য বিলাকে প্লেনৰ পৰা দৰমহা পাইছে কিন্তু মাদ্ৰাছা বিলাকক নন-প্লেনৰ পৰা দৰমহা দি আছে। অন্যান্য বিভাগসমূহৰ দৰে মাদ্ৰাছাৰ দৰমহা প্লেনৰ পৰা দিয়াৰ ব্যৱস্থা কৰি দৰমহা বিলাক ৰেগুলাৰ কৰাৰ ব্যৱস্থা কৰিবনেকি ?

★ শ্ৰীগোলোক ৰাজবংশী (মন্ত্ৰী) ঃ মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে কৰা প্ৰশ্নৰ উত্তৰ মোতকৈ তেখেত নিজে যেতিয়া মাদ্ৰাছা বৰ্ডৰ মেম্বাৰ সেই বিষয়ে বেচিকৈ তেখেতেহে জানিব।

Mr. Speaker : Mr. Sarmah you had moved the cut motion. Would you please withdraw your cut motions.

---

★ Speech not corrected

★ শ্ৰীজয় নাথ শৰ্ম্মা : মাননীয় অধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটো উঠাই লব খোজো কিন্তু তাৰ আগতে মাননীয় মন্ত্ৰীয়ে এটা কথা কব লাগিব মোক উত্তৰটো নেলাগে। শিক্ষাৰ ক্ষেত্ৰত বহুত কথাই কৈছে, তেখেতে সেইবোৰ বিবেচনা কৰক। যি জনে নিতী নেজানে তেওঁক দুষী সাব্যস্ত কৰি লাভ নাই আৰু যি জনে নীতি জানিও নেজানাৰ ভাও জুৰে তেওঁকহে দুষী সাব্যস্ত কৰিব লাগে। শিক্ষা মন্ত্ৰীয়ে জানে, জানিও কোৱাৰ বাবে মই প্ৰতিবাদ কৰিছো, এই প্ৰতিবাদ ৰাখিয়ে মই কৰ্ত্তন প্ৰস্তাবটো উঠাই লৈছো।

Mr. Speaker : Is it the pleasure of the House to grant leave to withdraw the Cut motions ? ( Voices : yes, yes ).

The Cut motion is withdrawn. Now, I put the motion before the House for approval. The question is 'that a sum of Rs. 763.31.11,000 be granted to the Minister-in-charge to defray the charges which will come in course of payment during the year ending 31st March, 1995 for the administration of "Education".

The motion is passed. The Grant No. 26 passed. Now. Grant No. 58, Minister, Industries to move.

★ Shri Bizit Saikia ( Minister ) : Sir, on the recommendation of the Governor of Assam, I beg Sir, to move that a sum of Rs. 63,67, 65,000 be granted to the Minister in-charge to defray the charges which will come in course of payment during the year ending the 31st March, 1995 for the administration of 'Industries'.

Mr. Speaker : There are as many as 4 cut motions notices in this Grant standing in the name Honourable members : Shri Zoiinath Sarma, Shri Nizamuddin Khan, Shri Sasakamal Handique, Dewan Joynal Abedin, Shri Nazmul Haque, Shri Chandra Mohon Patowary, Shri R. N. Kalita, Shri Binod Gowala, Shri Hiteswar Deka, Shri Bhupen Rai and Shri Bubul Das. I now request the members to move.

★ Speech not corrected

Shri Zoii Nath Sarma : Sir, on our behalf Shri Paniram Rava will move.

শ্রীপানীৰাম বড়ো ঃ মাননীয় অধ্যক্ষ মহোদয়, মই প্ৰস্তাৱ কৰিব খোজোঁ যে' ১৯৯৪-৯৫ চনৰ বাজেটৰ ২য় খণ্ডৰ ১৩ অংশৰ ১-৭ পৃষ্ঠাত থকা 'উদ্যোগ' শিতানৰ ৫৮ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ৬৩,৬৭,৬৫,০০০ টকা এশ টকাৰে হ্ৰাস কৰা হওঁক, অৰ্থাৎ সমুদায় মঞ্জুৰী ৬৩ ৬৭,৬৫,০০০ টকা, এশ টকাৰে হ্ৰাস কৰা হওঁক।' মাননীয় অধ্যক্ষ মহোদয়, বাজেট বক্তৃতা আৰু ৰাজ্যপালৰ ভাষণত কোৱা হৈছিল ১৯৯১ চনত কেন্দ্ৰীয় চৰকাৰে নতুন উদ্যোগ নীতি গ্ৰহণ কৰাৰ পিচত উদ্যোগৰ ক্ষেত্ৰত অসমক আগবঢ়াই নিব পৰা হব। কিন্তু এই উদ্যোগ নীতিৰ বিষয়ে কেনে ধৰণৰ পৰ্য্যালোচনা হৈছে সেই বিষয়ে কব খুজিছো। কিন্তু উদ্যোগ নীতিৰ জৰিয়তে অসমত উদ্যোগবিলাক কেনেধৰণে পৰিচালিত হৈছে। বৃহৎ, মজলীয়া, ক্ষুদ্ৰ উদ্যোগ সমূহে অসমত লাভ কৰিব পৰা নাই। কেছা মাল যথেষ্ট পৰিমানে নোহোৱাৰ কাৰণে এই উদ্যোগ সমূহৰ কৰ্ম্মচাৰী সকলে লাভ কৰিব পৰা নাই। উদ্যোগৰ ক্ষেত্ৰত পলিচি এটা হব লাগে। অসম এখন কৃষি প্ৰধান দেশ। অসমৰ ক্ষেত্ৰত কৃষিৰ কাৰণে কোনো উদ্যোগ পঢ়ি-তোলাৰ ক্ষেত্ৰত ব্যৱস্থা লোৱা নাই। কৃষিৰ ক্ষেত্ৰত অসমত যথেষ্ট কেছা সামগ্ৰী পোৱা যায় আৰু অসমত ইয়াৰ উদ্যোগ গঢ়ি উঠিব পাৰে। অসমত প্ৰত্যেক জন অসমীয়াৰ ঘৰে ঘৰে তাত শাল আছে, এই তাত শিল্পৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰি শিল্প গঢ়িব পাৰে। অসমৰ যথেষ্ট খাল বিল নদী আছে তাৰ পৰা মাছৰ পোনা পুহী যথেষ্ট পৰিমানে আৰ্থিক দিশত স্বসলতা লাভ কৰিব পৰা যায়। অসমৰ চুফাৰীৰ ক্ষেত্ৰত উদ্যোগ গঢ়িব পাৰে। এই চুফাৰিৰ পৰা ৰং তৈয়াৰ কৰিব পাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, যোৱা ২২-৩-৯৪ তাৰিখে উদ্যোগমন্ত্ৰীয়ে প্ৰশ্নোত্তৰ কালত কৈছিল যে অসমত ১৭৩২ টা উদ্যোগ বন্ধ হৈ আছে আৰু ৬ টা ৰুগ্ন অৱস্থাত আছে। ১৯৯১ চনত যি উদ্যোগনীতি লৈছিল, সেই নীতিৰ ফলত অসমৰ উদ্যোগবিলাক বন্ধ হৈ গৈছে। যাৰ ফলত উদ্যোগত কাম কৰা ৮,৬৬০ জন কৰ্ম্মচাৰী ক্ষতিগ্ৰস্ত হব লগা হৈছে। আমাৰ অসমত ১৯৮৪ চনৰ ৭ এপ্ৰিলত সেই সময়ৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াই আধাৰ শীলা স্থাপন কৰা উদ্যোগটো নলবাৰী জিলাৰ নাগকুছিত থকা একমাত্ৰ ৰাজহুৱা খণ্ডৰ অসম চিনটেক্স লিমিটেড নামৰ উদ্যোগটো ১৯৮৬ চনৰ ২০ জুনত আনুষ্ঠানিকভাৱে

মুকলি কৰিছিল তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তদেৱে। সেই উদ্যোগটোত উপযুক্ত পৰিমাণে বিজুলি সৰবৰাহ নোপোৱাৰ কাৰণে যথেষ্ট ক্ষতিগ্ৰস্ত হব লগা হৈছে। ১৯৮৭-৮৮ চনত ১৮৯ মেট্ৰিক টন, ১৯৮৮-৮৯ চনত ৪৯৩ মেট্ৰিক টন, ১৯৮৯-৯০ চনত ৫০৬ মেট্ৰিক টন, ১৯৯০-৯১ চনত ৩৭৫ মেট্ৰিক টন, ১৯৯১-৯২ চনত ২৭৭ মেট্ৰিক টন। মুঠ ৬ বছৰত ১৮৪৯ মেট্ৰিক টন হৈছে। অভিযোগ মতে উৎপাদনৰ বাবে প্ৰয়োজনীয় সৰ্ব্বমুঠ ৩৭৫০ মেট্ৰিক টন কেঁচা মালৰ ভিতৰত বিগত কালছোৱাত ১৯০১ মেট্ৰিক টন কেঁচামাল হে যোগান ধৰাৰ ফলত নিয়মীয়া উৎপাদন আঁচনি মতে হোৱা নাই। তাৰোপৰি উদ্যোগটো চলাৰ বাবে নিয়মীয়া বিজুলি যি ধৰণে পাব লাগিছিল সেই ধৰণে পোৱা নাই। বিজুলী সমস্যা উদ্যোগটোৰ এটা প্ৰধান সমস্যা। ১৯৮৬ চনৰ পৰা ১৯৯২ চনলৈকে বিজুলী সৰবৰাহৰ তালিকাখন এনে ধৰণৰ ১৯৮৬ চনত ২৯১ ঘণ্টা ৫৯ মিনিট ১৯৮৭ চনত ৫০৬ ঘণ্টা ৪ মিনিট, ১৯৮৮ চনত ৯০৭ ঘণ্টা ৩৩ মিনিট, ১৯৮৯ চনত ৮৮৪ ঘণ্টা ১৪ মিনিট, ১৯৯০ চনত ১৪০২ ঘণ্টা, ১৯৯১ চনত ২০১৬ ঘণ্টা ১৬ মিনিট আৰু ১৯৯২ চনত ২১৯৭ ঘণ্টা ৫৮ মিনিট। হিচাবমতে এই কালছোৱাত ৮২৯৭ ঘণ্টা বিজুলী কম সৰবৰাহ হোৱাত উদ্যোগটোত উৎপাদন প্ৰয়োজনমতে নোহোৱাটো স্বাভাৱিক। ইয়াৰ পৰা দেখা যায় বছৰটোত ৩৪৫ দিন বিজুলী নাপায়। সেইকাৰণে এই উদ্যোগটোৰ জৰিয়তে পলিয়েষ্টাৰ সূতা উৎপাদন কৰিবলৈ যি প্ৰচেষ্টা আছিল, প্ৰাথমিক অৱস্থাত ২৫ হেজাৰ মহুঁৰাৰ আচঁনি আছিল যদিও ১৭২৮০ মহুঁৰাৰেহে কাম চলোৱা প্ৰায় ৮ হেজাৰ মহুঁৰা কম হোৱাটো স্বাভাৱিক। ২৫ হেজাৰলৈ সম্প্ৰসাৰণ কৰিব পৰাহলে উদ্যোগটো কৃতকাৰ্য্যতাত যথেষ্ট লাভ কৰিব পাৰিলেহেঁতেন। ইতিমধ্যে ১৯৯২-৯৩ চনত জানুৱাৰী মাহত প্ৰাইভেট চেক্টৰক দিবৰ কাৰণে নিবিদা আহ্বান কৰিছিল। যোৱা ২২ তাৰিখৰ প্ৰশ্নোত্তৰত মাননীয় উদ্যোগ মন্ত্ৰী মহোদয়ে কৈছিল যে ২ কোটি ২৭ লাখ টকা দিয়াৰ পিচত এই উদ্যোগটো ব্যক্তিগত ব্যৱসায়ীক দিয়া কথাটো পুনৰ পৰ্য্যালোচনা কৰি ব্যৱস্থা লোৱা হব পাৰে। প্ৰতি বছৰে ৭৫০ মেট্ৰিকটন কেঁচা সামগ্ৰী নোহোৱাৰ কাৰণে কৰ্ম্মচাৰী সকলৰ দুখ কুলাই পাচিয়ে নধৰা হৈছে। থিক তেনেকৈ কৰিমগঞ্জ জিলাৰ পাথাৰি চাহ বাগিছাত ১৪ জন বনুৱা অনাহাৰত মৃত্যু হোৱাৰ দৰে এই উদ্যোগৰ বনুৱা সকলৰও তেনেকুৱা অৱস্থাই হব। মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ে এই বিষয়টোৰ প্ৰতি গুৰুত্ব দিব বুলি মই আশা ৰাখিছো। নলবাৰী জিলাৰ ঘগ্ৰাপাৰাত যাৰতীয় ব্যৱস্থা লবলৈ যথেষ্ট প্ৰচেচিং চেণ্টাৰ তাত মুকলি কৰা

হোৱা নাই। অনতি পলমে এই প্ৰচেচিং চেণ্টাৰটো মুকলি কৰি দিয়াত চৰকাৰে সহায় কৰিব বুলি আশা ৰাখিলো। ১৯৮৭-৮৮ চনত ৰাজাঘাট বানেকুছিত এটা প্ৰচেচিং চেণ্টাৰ খোলাৰ ব্যৱস্থা কৰা হৈছিল। অসমৰ যিবোৰ তৈল ক্ষেত্ৰ আছে কেৱল অসমৰে নহয় গোটেই ভাৰতবৰ্ষৰ কথা— ৩১ তাৰিখৰ ভিতৰত এই তৈল ক্ষেত্ৰ ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰাৰ কাৰণে নিবিদা আহ্বান কৰিছে। এইবিলাক ব্যক্তিখণ্ডলৈ গলে অসমৰ ৰাজহৰ ক্ষেত্ৰত যথেষ্ট ক্ষতিগ্ৰস্ত হব। মই আশা ৰাখিছো এই ক্ষেত্ৰত মন্ত্ৰী মহোদয়ে নিশ্চয় প্ৰতিবাদ কৰিব। অসমৰ তৈলক্ষেত্ৰ হস্তান্ত কৰাটো অগ্ৰণি ভূমিকা লৈছে। অসমৰ তৈল ক্ষেত্ৰবিলাক ব্যক্তিগত খণ্ডক নিদিবৰ কাৰণে চৰকাৰে প্ৰতিবাদ কৰিব লাগে লগতে এটা ৰিজলিউচন লৈ কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণও কৰিব লাগে। ২৩ মাৰ্চৰ নতুন দৈনিক কাকতত প্ৰকাশ পাইছে যে প্ৰাগবছিমি এই উদ্যোগটোত বাহিৰা কৰ্ম্মচাৰী ৮০% নিয়োজিত কৰি উদ্যোগটো ক্ষতিগ্ৰস্ত কৰিব বিচাৰিছে। এই উদ্যোগটোত স্থানীয় লোকে অগ্ৰাধিকাৰ পাবৰ কাৰণে চৰকাৰে সহায় কৰিব লাগে। যিহেতু ১৯৯১ চনত গোটেই ভাৰতবৰ্ষৰ কাৰণে যি উদ্যোগ নীতি লৈছে সেই ক্ষেত্ৰত অসমখন যাতে আগবাঢ়ি যাব পাৰে তাৰ কাৰণে গুৰুত্ব দিব বুলি মই আশা ৰাখিছো। উদ্যোগৰ ক্ষেত্ৰত ভাৰত চৰকাৰে প্ৰধানমন্ত্ৰী ৰোজগাৰ যোজনাত উদ্যোগ খুলাৰ কাৰণে এটা আচঁনি লৈছিল। এই আচঁনিৰ জৰিয়তে শিক্ষিত নিবনুৱা সকলক ১ লাখ টকা ঋণ দিয়াৰ কথা ওলাইছে। নলবাৰী টাউন আৰু টিহুত এই আচঁনি খনৰ কাৰণে নিবনুৱা সকলৰ এখন তালিকা প্ৰস্তুত কৰা হৈছিল। তালিকাভুক্ত থকা সকলক পাবলগীয়া সুবিধা কণ নিদি অন্য ধৰণে অন্য লোকক সা-সুবিধাখিনি দিয়া হৈছে। এই ক্ষেত্ৰত গুৰুত্ব দিব বুলি মই মাননীয় বিভাগীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো। এইখিনি কৈ কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মোৰ বক্তব্য ইমানতে সামৰণি মাৰিলো।

★ শ্ৰীশশকমল সন্দিকৈ : মাননীয় উপাধ্যক্ষ মহোদয়, এই কৰ্ত্তন প্ৰস্তাৱ যিটো উদ্যোগ বিভাগৰ ওপৰত অনা হৈছে সেইটো সমৰ্থন কৰি মই তুষাৰ মান কম বুলি ওলাইছো। ভাৰত চৰকাৰে যিটো নতুন অৰ্থ নৈতিক নীতি গ্ৰহণ কৰিছে তাৰ পৰিণতি কি হব তাৰ উত্তৰ কি হব এই বিধান সভাতে পাইছো। গোটেই দেশখনত যিটো আৰাহাওৱা সৃষ্টি হৈছে তাৰ দ্বাৰা

★ Speech not corrected

প্ৰাইভেট কোম্পানী বিলাকৰ কিছু ক্ষতি হৈছে। যোৱা ২২-৩-৯৪ তাৰিখে মোৰ এটা লিখিত প্ৰশ্ন উত্তৰত মন্ত্ৰী মহোদয়ে কৈছিল যে ১৭০০ টা কল-কাৰখানাৰ ক্ষতি হৈছে তাৰে এটাহে চৰকাৰী খণ্ডৰ আৰু বাকী আটাইবিলাক প্ৰাইভেট কোম্পানী। লিখিত প্ৰশ্ন উত্তৰত মন্ত্ৰী মহোদয়ে স্পষ্ট ভাবে জনাইছে যে ৰুগ্ন উদ্যোগ ৬টা আৰু বন্ধ হোৱা উদ্যোগ গোট ১৭৩২ টা, ৬ টা ৰুগ্ন উদ্যোগৰ মাত্ৰ এটাহে চৰকাৰী খণ্ডৰ, বন্ধ হোৱা আটাইবোৰ বেচৰকাৰী। বৰ্ত্তমানৰ এই আৱাভওৱাত চৰকাৰী খণ্ডত কল-কাৰখানা বিলাক ভালকৈ চলিব নোৱাৰে। বিত্তমন্ত্ৰী মহোদয়ে লিখিত প্ৰশ্ন উত্তৰত কৈছিল কি, আমাৰ বিদ্যুত্ উৎপাদন ক্ষেত্ৰত কি হৈছে ? দেখা যায় বিদ্যুৎ উৎপাদন আগতে ১৫০ মেগাওৱাট আছিল তাৰ পিচত ১৩০ আৰো ১৪০ মেগাওৱাট হ'ল কিন্তু আমাৰ অসম বিদ্যুত্ বোৰ্ডত কৰ্ম্মচাৰীৰ সংখ্যা কিমান ? এ, এচ, ই,বিত কৰ্ম্মচাৰীৰ সংখ্যা ২৩ হাজাৰ ৩শ ২৭ জন, সেই হিচাবে এইবাৰ কৰ্ম্মচাৰীৰ সংখ্যা কমি গৈ ২৩২১২ জন, এই সংগঠনটোত কিমান বিষয়া আছে আপোনালোকে জানেনে ? আপুনি শুনি আচৰিত হব, মুখ্য অভিযন্তা— ৯ জন আৰু এডিশ্যনেল মুখ্য অভিযন্তা— ৯ জন, অধিক্ষক অভিযন্তা— ৬৩ জন। মুঠতে ১৪ জন কৰ্ম্ম-চাৰীৰ ভিতৰত এজন বিষয়া আনহাতেদি উত্তৰ প্ৰদেশত বিদ্যুৎ উৎপাদন হয় ৮ হেজাৰ মেগাওৱাট কিন্তু কৰ্ম্মচাৰীৰ সংখ্যা হ'ল ৭৭/৭৮ হাজাৰ কিন্তু তাত মুখ্য অভিযন্তা হ'ল মাত্ৰ এজন। অসম চৰকাৰে কয় অসমৰ উদ্যোগ বিলাকত লোকচান হয়, আচলতে কৰ্ম্মচাৰীৰ কাৰণে লোকচান নহয়। ৰিজাৰ্ভ বেঙ্কৰ সমীক্ষাত তেওঁলোকে কৈছে যে শতকৰা ৯০ ভাগ উদ্যোগ বন্ধ হয়, কিন্তু সেই বন্ধ কৰ্ম্মচাৰীৰ দোষৰ কাৰণে নহয়। চৰকাৰে অভিযোগ কৰে যে কৰ্ম্মচাৰী সকলৰ ওৱৰ্ক কালচাৰটো নোহোৱা হৈছে, অভাৰনাইট তেওঁলোকে বোনাচ বিচাৰে আৰু প্ৰমোশ্যন বিচাৰে অথচ কোনো কাম নকৰে, তেনেস্থলত লোজাৰৰ কাৰণটো কি ? আনহাতেদি কেন্দ্ৰৰ ৰাজ্যিক উদ্যোগ মন্ত্ৰীয়ে কৈছে বেচিভাগ উদ্যোগ বন্ধ হৈছে 'ৰং-মেনেজমেণ্টৰ' কাৰণে। আমাৰ চৰকাৰৰ মেনেজ-মেণ্টৰ বেলিকা কিমান ক্ষমতা আছে ? মেনেজাৰ জনে কি কৰিছে আৰু তেওঁ কোন ? বোৰ্ড অব ডিৰেক্টৰচ কেনে চলি আছে ইয়াৰ কিবা খবৰ ৰাখিছে নে ? অসমত টি-কোৰপৰেশ্যনৰ যিটো মেনেজমেণ্টৰ ব্যৱস্থা আছিল সেইমতে এই কোৰপৰেশ্যন কোম্পানী এক্টমতে কৰা হৈছিল নে নাই ? কিয়নো কোম্পানী এক্ট মতে যদি কোনোবা এজন ডাইৰেক্টৰ সেই কোম্পানীত থাকে তেওঁৰ কোনো অওহী-বওহী সেই কোম্পানীত মেনেজাৰ পোষ্টত থাকিব নোৱাৰে। কিন্তু আজি কি হৈছে

সকলোবিলাক কথাই অনিয়মত চলি আছে, ৪০ লাখ টকা দি মাটি কিনিছে গুৱাহাটীত। ৰাজাবাৰী চাহবাগিছাখনৰ অৱস্থাটো অতি শোচনীয় হৈছে বানপানীত গড়াখহনীয়াই বাগানখনৰ বিস্তৰ ক্ষতি কৰিছে, অথচ বান নিয়ন্ত্ৰণ বিভাগৰ লগত যোগাযোগ কৰি তাৰ কোনো প্ৰতিৰোধৰ ব্যৱস্থা কৰা নাই, অসমত উদ্যোগ গঢ়াৰ কাৰণে অসম চৰকাৰে বিচাৰেনে ? কিয়নো অসমত উদ্যোগ গঢ়িবলৈ প্ৰধানকৈ এতিয়া বিদ্যুৎ আৰু কেচা সামগ্ৰী দৰকাৰ, কিন্তু বিদ্যুৎ উৎপাদনৰ কাৰণে চৰকাৰে কি কৰিছে ? আমিয়ে হওঁ বা আমাৰ মন্ত্ৰী সকলেও বাহিৰত গৈ অসম কেচা সামগ্ৰীৰ কাৰণে বিখ্যাত বা ইয়াত প্ৰচুৰ কেচা সামগ্ৰী আছে বুলি কৈ ফুৰো কিন্তু তাৰ ব্যৱহাৰৰ কাৰণে আমাৰ ৰাজ্যত আমি কি কৰিছো। ৰ-মেটেৰিয়েলচ আমাৰ ৰাজ্যত প্ৰচুৰ পৰিমানে আছে বুলি আমাৰ চৰকাৰৰ ফালৰ পৰা কৈ থকা হয়। কয়লা ইয়াত প্ৰচুৰ পৰিমানে পোৱা যায় কিন্তু আমাৰ যিটো মাইনচ এণ্ড মিনাৰেলচ বিভাগ আছে সেই বিভাগটোক প্ৰশ্ন কৰোতে যোৱা বছৰত কৈছিল সামান্য পৰিমানে পোৱা গৈছে আৰু পিছৰ বছৰত জনালে কোনো তথ্য নাই। যদিয়ো আমাৰ ৰাজ্যখনত কয়লা প্ৰচুৰ পৰিমানে উৎপন্ন হয় আৰু বাহিৰৰ ৰাজ্যত যথেষ্ট পৰিমানে ৰপ্তানী কৰা হয় কিন্তু চৰকাৰে নিজেই নাজানে কয়লা ক'ত উৎপন্ন হয়। সেইদৰে তেলৰ উৎপাদনৰ ক্ষেত্ৰত আপোনালোকে মনিটৰ কেনেকৈ কৰে তাৰ উত্তৰত জনা গৈছে কোনো চেনেল নাই। শিৱসাগৰত এটা অভিযোগ আহিছে যে তাত এটা অফিচ আছে আৰু তাত মাত্ৰ এজন পিয়ন আৰু ক্লাৰ্ক আছে, গতিকে এনে বিলাক ব্যৱস্থাৰ জৰিয়তে চৰকাৰে কি কৰিব ? মাননীয় উপাধ্যক্ষ মহোদয়, আজিৰ পেপাৰত চাব ভাৰত চৰকাৰে ইয়েমেনৰ পৰা নেচাৰেল গেচ কিনিছে, আকৌ উত্তৰ প্ৰদেশৰ ৰাজীব গান্ধীৰ সমষ্টিত এগ্ৰিকালচাৰৰ উন্নতীকৰণৰ কাৰণে ইউৰিয়া ইত্যাদি যোগান দিয়াৰ কাৰণে ১৭শ কিলোমিটাৰ পাইপেৰে গেচ কঢ়িয়াই আনি কামত লগাবলৈ যো-যা কৰিছে কিন্তু আমাৰ ৰাজ্যত আমি কি কৰিছো, আমি ৪০০০ কিউবিক বাৰ নেচাৰেল গেচ বিনা কামত জ্বলাই শেষ কৰি দিছো। অসম চৰকাৰে কিয় এতিয়ালৈকে নেচাৰেল গেচৰ ওপৰত ৰাজহুৱা খণ্ডত বৃহৎ উদ্যোগ কিয় গঢ়ি তুলিব পৰা নাই ? অসমত প্ৰথম ৰাজহুৱা খণ্ডত যিটো গেচ বেদ ইন্দ্ৰাষ্ট্ৰি হৈছিল সেইটো হ'ল হিন্দুস্থান ফাৰটিলাইজাৰ কোৰপৰেশ্যন (এইচ, এফ, চি) কিন্তু এই উদ্যোগটোৰ কেনে দুৰৱস্থা হৈছে তাৰ খবৰ চৰকাৰে লৈছে নে ? তাত যোৱা ১০-১-৯৪ ইং তাৰিখে কেন্দ্ৰীয় চৰকাৰে এখন চাৰ্কুলাৰৰ যোগেদি জনাইছে যে তাত চাতাই

কৰা হব। যদি এইটোয়েই হয় তেতিয়া হলে আমাৰ ইয়াৰে ১৫শ মান কৰ্ম্মচাৰীৰ লগে লগে চাকৰিৰ পৰা চাতাই হব, অকল সেইটোয়েই নহয় এই উদ্যোগৰ লগত আনুষঙ্গিক ব্যৱসায় যেনে যি সকলে ঠিকাদাৰৰ লগত অন্যান্য কামত লাগি থাকি ৰোজগাৰ চলাই আছে তেওঁলোকেও চাফাৰ কৰিব আৰু এই লোকৰ সংখ্যাও কম নহয়। উপাধ্যক্ষমহোদয় মই আপোনাৰ দৃষ্টি আকৰ্ষন কৰিব বিচাৰিছো এই এইচ, এফ চিৰ পৰা উৎপাদন হোৱা ইউৰিয়া, এমোনিয়া ইত্যাদি উপাদান বিলাক আমাৰ ইয়াত কৃষি কাৰ্য্যত ব্যৱহাৰ হৈ থাকে আৰু ইয়াৰ ওপৰতেই সৰু-সুৰা কিছুমান উদ্যোগ চলি আছে, যদি এইচ, এফ, চিৰ অৱস্থা এনে ধৰণৰ হয় তেতিয়াহলে সেই উদ্যোগ বিলাক অটোমেটিক বন্ধ হৈ যাব, সেইদৰে নামৰূপ সাৰ-কাৰখানাটো যে ৰুগ্ন হৈ পৰিল তাৰ কাৰণ কি আৰু কি লষ্ট হৈছে সেইবিলাক অসম চৰকাৰে বিচাৰ কৰি চাইছে নে ?

আজি ডাংকেল ড্ৰাফট্ৰ যোগেদি কি হৈছে ? আমাৰ ফচ্‌ফৰাচ কাৰখানা দুটা বন্ধ হৈ যাব অসমৰ নামৰূপত থকা ফাৰ্‌টিলাইজাৰ ফেক্টৰীত চিফেষ্ট ফাৰ্‌টিলাইজাৰ প্ৰডাকচন্ হয়। পৃথিবীৰ ভিতৰত ফাৰটিলাইজাৰ কৰ্পোৰেচনৰ নাম আছে ? ইয়াৰ ৰিটেন্‌চন প্ৰাইচ্ হ'ল ২৯৬০ টকা অথচ ইয়াত কিয় লষ্ট্ হৈ আছে ? তাৰোপৰি অসমত নেচাৰেল গেচ্, চিমেণ্ট আদি প্ৰডাক্‌চন হৈ থাকে। কিন্তু লাভ হোৱা নাই কিয় ?

আমাৰ ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে সিদিনাখন ৰামকুণ্ডত এটা ফাৰটিলাইজাৰ কৰ্পোৰেচন উদ্বোধন কৰিছে। তাতো ৰিটেনচন প্ৰাইচ ২৯৬০ টকা— কিন্তু তাত ভাৰত চৰকাৰে ৫ হেজাৰ টকা চাব্‌চিদি দিছে। আমাৰ অসমৰ ক্ষেত্ৰত কিয় চাব্‌চিদি দিয়া নাই ? ইয়াৰ উৎপাদনৰ ক্ষমতা হৈছে ৩ হেজাৰ ৫০০ মেট্ৰিক টন। কিন্তু আমাৰ অসমৰ কাৰণে ৰিটেনচন দিছে মাত্ৰ ২৬৬০ টকা— গতিকে লাভ হব ক'ৰ পৰা ?? এইবোৰ কথা সূক্ষ্ম ভাবে বিচাৰ কৰিব লাগে। ভালদৰে চিন্তা কৰি চাব লাগিব যে— কিয় অসমৰ মাৰ্কেট্ বেয়া হৈছে ?? এতিয়া ভায়েৰ'ল এলীড্ ইণ্ডাষ্ট্ৰিৰ বাবে প্ৰস্তাৱ দিছে। ইয়াৰ পৰা কি লাভ হব ? মই এজন ৰিটায়াৰ্ড ইঞ্জিনিয়াৰক লগ পাই এই বিষয়ে সুধিছিলো। তেখেতৰ নাম মিঃ কলীয়া। সুধিলো আপোনালোকে কি ইনষ্টল কৰিছে ? উত্তৰত কলে— এইটো এইড্ ব্যৱস্থা। ইয়াৰ দ্বাৰা বেয়াখিনি দি দিছে। তাৰ বাবে আপোনালোকে পাৰ্টচ্ আৰু এক্স্‌পাৰ্ট টাইৱানৰ পৰা আনিব লাগিব। এনেকুৱা ব্যৱস্থা পৃথিবীত আজিলৈকে শুনা নাই। গতিকে ইয়াৰ পৰা কি আশা

কৰিব পাৰি ? যাৰ কাৰণে ভায়েৰ'ল ইণ্ডাষ্ট্ৰিৰ পাৰ্টচ্, মেচিনেৰী আদি টাইৱানৰ পৰাহে জানিব লগা হয় । সেই কাৰণে মই কব বিচাৰিছো যে— যিবিলাক প্লেন উদ্যোগৰ কাৰনে কৰা হয়— সেই বিলাক এনেয়ে যাবলৈ দিব নালাগে । তাৰ বাবে কিছুমান ফৰমোলা কৰিব লাগে— যাতে অধিক উৎপাদনত সহায়ক হয় ।

আজি আপোনাৰ বাজেটত ঔষধৰ কাৰণে চাবচিদি নাই । কিন্তু এপ্ৰিল মাহতেই ইয়াৰ বাবে ৩ কোটি টকা দিব লগীয়া হ'ল ? তাৰ কোনো ইঙ্গিত বাজেটত নাই ? সেইদৰে বহুতো শিল্পত চাবচিদি নাই, পাৱাৰত চাবচিদি নাই । তেতিয়াহলে ইয়াত এটা নতুন বাজেট কাৰ কাৰণে দিছে ? এপিএল পেট্ৰ-কেমিকেলৰ বাবে ৩ কোটি চাবচিদি দিব পাৰে— অসমৰ কাৰণে কিয় দিব নোৱাৰে ? যদি চাবচিদি দিব নোৱাৰে— তেন্তে এই নতুন বাজেট্ অনাৰ কি অৰ্থ আছে ? অইল ইণ্ডিয়াই ৭৫ কোটি কিউবিক মিটাৰত গেচ উৎপাদন কৰি আছে— উৎপাদন কৰিলে কি হব ? এনেয়ে জ্বলাই দিছে । প্ৰতি দিনে চৰকাৰী হিচাব মতে শতকৰা ৭৫ মিলিয়ন গেচ জ্বলাই দিছে । মানুহে বিচাৰিলে অইল ইণ্ডিয়াই কয়— গেচ নাই— বন্ধ হৈ আছে । এনেকৈ বন্ধ হৈ থাকিলে কি হব ? চেকেণ্ড এক্সপানচন কেতিয়া হব ? ইয়াৰ বাবে ৯৯'৯৯ ক্লেইম কৰিব পাৰে । চেকেণ্ড এক্সপানচনত বহুতো বস্তু প্ৰডাক্চন কৰিব পাৰি । য'ত ৯৯'৯৯ দাবী কৰিব পাৰে— তাত গেচ উৎপাদন যদি বন্ধ হৈ থাকে— তেতিয়াহলে ফৰমেলিন, মিথানল আৰু ডাম্পিং কেতিয়া উৎপাদন হব ? অসমৰ উদ্যোগত উৎপাদিত হোৱা সামগ্ৰীৰ যদি প্ৰাইচ্ ফিক্স হৈ থাকে— তেন্তে লাভ নহব কিয় ? ডামপিং অসমৰ বজাৰত ৩০ হেজাৰ মেট্ৰিক টন পৰ্য্যন্ত উৎপাদন কৰিব পাৰি । ফৰমেলিন বিক্ৰী কৰি ১২ শ কোটি টকা পাব পাৰি । কিন্তু এই ফৰমেলিন, ডামপিং কেতিয়া উৎপাদন হব আৰু কেতিয়া বিক্ৰী হব ? যদি তাকে নকৰে-- তেন্তে চৰকাৰে আৰু কৰিব কি ?

এতিয়া দেখা গৈছে চেকেণ্ড এক্স্পানচনটো 'নবাৰডক' দিব বিচাৰিছে । তাৰ বাবে ট্ৰেঞ্চপোৰ্টৰ বাবদ চাবচিদি ২ কোটি টকা দিব । তেওঁলোকক দুবছৰ সময় দি চাওক । দুবছৰৰ ভিতৰত তেওঁলোকে প্ৰমাণ কৰি দেখুৱাওক । তাৰ বাবে ইমান খৰধৰ কিয় ? অসমৰ ফাৰটিলাইজাৰ কৰ্পোৰেচন বন্ধ হৈ যাব ধৰিছে । তাৰ কাৰণে কিন্তু কোনো খৰধৰ নাই । এইবোৰে তাত এফেক্ট্ নকৰে ?

অইল ইণ্ডিয়াই যিমান গেচ প্ৰডাক্চন কৰে-- তাৰ শতকৰা ৮০ ভাগ হিন্দুস্তান ফাৰটিলাইজাৰ কৰ্পোৰেচনে কনজিউম কৰে । হিন্দুস্তান ফাৰটিলাইজাৰ

কর্পোৰেচনে ৭৫ কোটি ঘন মিটাৰ সাৰ উৎপাদন কৰে। তেওঁলোকে শতকৰা ৮০ ভাগ বিলাই দিছে। বাকীবিলাক বাগান আদিলৈ যায়। আজি গেচ কোম্পানীয়ে গেচ দিব নোৱাৰাৰ কাৰণে মৰিছে। এইটো আটাইতকৈ লাভজনক উদ্যোগ। এনেকৈ যদি হয়— তেতিয়াহলে অসমৰ গেচ কোম্পানীও এদিন মৰি থাকিব। এপিএল'ত চিত্- ২ থাকে। সেইটো তেওঁলোকে নুবুজে।

আজি উদ্যোগৰ ক্ষেত্ৰত কলিকতাৰ বজাৰ ভাল। সকলো সামগ্ৰী কলিকতাত পোৱা যায়। এই বিলাক কলিকতাৰ পৰা আনিবলৈ হলে কষ্ট্‌প্ৰাইজ বেচি লাগে। সেইটো কথা চিন্তা কৰিব লাগে। মই এটা কথা কব বিচাৰিছো- আজি অসমৰ ইণ্ডাষ্ট্ৰি বিলাকৰ এনেকৈয়ে যদি দুৰ্দ্দশাগ্ৰস্ত হয় নাইবা অসমৰ ফাৰটিলাইজাৰ কৰ্পোৰেচন যদি বন্ধ হৈ যায় তেনেহলে অসমৰ গেচ কোম্পানী থাকিবনে ? এইবিলাকো কোনোবা সময়ত একেই অৱস্থা হবগৈ। গতিকে মই ঘোষণা কৰিছো- ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে নিজে গৈ ৰামকুণ্ডত ৫ হেজাৰ চাবচিদি দিব পাৰে— কিন্তু অসমৰ ক্ষেত্ৰত কিয় ডেৰ হেজাৰ চাবচিদি দিব নোৱাৰে ? আমাৰ উদ্যোগত উৎপাদিত সামগ্ৰীৰ বজাৰৰ মূল্য ৪৪৫০ টকা— কিন্তু বিভিন্ন ৰাজ্যৰ ইণ্ডাষ্ট্ৰি সমূহে কি কৰিছে ? তেওঁলোকৰ ইণ্ডাষ্ট্ৰিত উৎপাদিত সামগ্ৰীৰ বজাৰৰ মূল্য ৫ হেজাৰ ৬ হেজাৰ। ৫/৬ হেজাৰৰ ঠাইত আমি পাইছো মাত্ৰ ৪৪৫০ টকা— সেইটো আচৰিত মানিব লাগে।

আমাৰ ইয়াত ইণ্ডাষ্ট্ৰিসমূহৰ ফুল ইউটিলাইজেচন হোৱা নাই। এটা শিল্পৰ নামত শতকৰা ৬৫ ভাগ দিব লাগে। কিন্তু দেখা গৈছে— আৰ বি, আই'ৰ ৰিপৰ্ট মতে— লো-ইউটিলিটি আৰু ৰং পলিচি কৰা হৈছে। এইবোৰৰ বাবে মেনেজমেণ্টৰ ডিফেক্ট্‌ বুলি ৰিপৰ্টত উল্লেখ কৰিছে। যোৰহাট ৰিচাৰ্চ লেবৰেটৰী বস্তু তৈয়াৰ কৰিবৰ কাৰণে কিছুমান ফৰমোলা উলিয়াইছে। সেইবিলাক ইণ্ডাষ্ট্ৰি বিভাগে গ্ৰহণ কৰিছে নে ? কিন্তু চণ্ডীগড়ৰ পৰা মানুহ আহি সেইবোৰ কিনি লৈ গৈছে, বোম্বেৰ পৰা আহি লৈ গৈছে। আমাৰ ইয়াত তামোলৰ বাকলিৰ ওপৰত ৰিচাৰ্চ্‌ কৰি ফৰমোলা বাহিৰ কৰিছে— কিন্তু কিনোতা নাই। জনচন আৰু নিকলচন উদ্যোগত যিটো প্ৰপীন তৈয়াৰ হয়— তাৰ ৰ-মেটেৰিয়েলচ্‌ অসমত বহুত পোৱা যায়— তেনেস্থলত অসমত প্ৰপীনৰ উদ্যোগ কিয় নহব ? আজি অৰ্থনীতিৰ ক্ষেত্ৰত নতুন শিল্পনীতিৰ কথা উল্লেখ কৰিছে। বাজেটত দেখিছো নতুন ইণ্ডাষ্ট্ৰিৰ বাবে পলিচি কৰিছে আৰু তাৰ বাবে ৭০ লাখ টকা

ধৰিছে। কিন্তু গ্ৰাণ্ট্‌চ্‌ ইন এইডত ৫ কোটি টকা ধৰিছে। এইটো কিয় দিব লাগে? মই বুজি পোৱা নাই। উপাধ্যক্ষ মহোদয়, ৰাষ্ট্ৰপতিৰ শাসনকালত অসমৰ দুটা ঠাইৰ নাম পেপাৰত জিলিকি উঠিছিল। এটা চৰাইপুং আৰু আনটো লক্ষীপথাৰ।

উপাধ্যক্ষ মহোদয়, মই অসম চৰকাৰক সুধিছো আমাৰ ৰিচাৰ্চ লেবোৰেটৰিত কিমান কি আবিস্কৃত হৈছে? তাত কিমান ইণ্ডাষ্ট্ৰী বনোৱা হ'ল? আজি আমাৰ কেচঁা সামগ্ৰীবিলাক আছে সেইবিলাক বাহিৰৰ পৰা কিনি লোৱা হৈছে। আমাৰ ইয়াতে থকা তামুলৰ বাকলিৰ পৰা উদ্যোগ গঢ়াৰ কিবা ফৰমুলা ৰিচাৰ্চ লেবোৰেটৰীত উলিওৱা হৈছে নে? এই তামুলৰ বাকলিবিলাক বাহিৰৰ মানুহে কিনি লৈ গৈছে। ইন্দোনেছিয়া, মালয়এছিয়াই লৈ যায়। ৰঙৰ উদ্যোগৰ বাবে দৰকাৰী কেচঁা সামগ্ৰী অসমৰ বুকুতে আছে। অসমৰ তামোল বাহিৰলৈ নি ৰং উদ্যোগ গঢ়ি তোলা হৈছে। জেনচন এণ্ড নিকলছন ক'ৰ কেচঁা সামগ্ৰী লৈ গঢ়ি উঠিছে? কেফেইনৰ কেচঁা মাল অসমৰ নহয় জানো? আজি নতুন উদ্যোগ নীতিৰ কথা কোৱা হৈছে। আজিৰ বাজেটত আমি দেখিছো নিউ ইণ্ডাষ্ট্ৰিয়েল পলিচিত বহুত লাখ টকা গ্ৰাণ্টৰ কথা। আমি ইয়াৰ প্ৰটেষ্ট কৰিছো। নতুন উদ্যোগ নীতিয়ে আমাৰ কি উপকাৰ সাধিব? উপাধ্যক্ষ মহোদয়, অসমত যি সময়ত ৰাষ্ট্ৰপতি শাসন চলিছিল তেতিয়া অসমৰ চৰাইপুং আৰু লক্ষীপথাৰৰ কথা গোটেই ভাৰতবৰ্ষত প্ৰচাৰ হৈছে। এই ঠাই দুখনত হোৱা ঘটনা গোটেই ভাৰতবৰ্ষৰ নিৰপত্তা কথা জড়িত হৈ আছিল। সেই ঠাইৰ গাতে লাগি আছে অসমৰ তৈল ক্ষেত্ৰ ডুলিয়াজান। আজি অসমৰ তৈল ক্ষেত্ৰসমূহ বাহিৰৰ কোম্পেনীক দিবলৈ বিচৰা হৈছে। অসমৰ চৰকাৰে প্ৰ'টেষ্ট কৰিব লাগিছিল। অসমত আজি ফ্ৰান্সৰ কোম্পেনী আৰু ইটালীৰ কোম্পেনীক দিয়া হৈছে। তেওঁলোকৰ লগত ভাৰত চৰকাৰে প্ৰতি টনত ড্ৰিলিং কৰাৰ বাবে ৫ শতাংশ ৬ শতাংশ পোৱাৰ বাবে চুক্তি কৰিছে। সেই কোম্পেনীয়ে তেলৰ দাম মেক্সিকান থিওৰি মতে ঠিক কৰে। চৌদি আৰব হৈ মেক্সিকো সাগৰেৰে ভাৰতবৰ্ষৰ দূৰত্ব কিমান হয় তাৰ ওপৰত ভিত্তি কৰি তেওঁলোকে তেলৰ দাম নিৰ্দ্ধাৰণ কৰে। আজি ওপেকৰ মতে তেলৰ দাম কমি গৈছে। গতিকে আমাৰ ইয়াত তেলৰ দাম কমি গৈছে। চৌদি আৰবৰ কথা বেলেগ। কাৰণ তাত তেলতকৈ পানীৰ দাম বেছি। ভাৰতবৰ্ষ পৰাধীন হৈ থকা সময়ত ডুলিয়াজানত যেতিয়া বাৰ্মা অইল কোম্পেনীয়ে কাম কৰি আছিল। ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছত তেওঁলোকে অসমক ড্ৰাই এৰিয়া বুলি জনাইছিল।

অসমৰ ভূ-গৰ্ভত তেল নাই। ভাৰতবৰ্ষৰ সেই সময়ৰ প্ৰধান মন্ত্ৰী জৱাহৰলাল নেহেৰুৱে বাৰ্মা এণ্ড কোম্পেনীৰ অধীনত থকা তৈলক্ষেত্ৰ সমূহ নিজা উদ্যোগত ৰিফাইন কৰিবলৈ বিচাৰিলে। তেওঁলোকে ৰিফিউজ কৰিছিল। তাৰ পিছত আহিল ও এন জি ছি। ভাৰতবৰ্ষৰ চাৰিওফালে তেল সিচৰিত হৈ আছে। কিন্তু আমাৰ ভালদৰে উদ্ঘাটন কৰা হোৱা নাই। ডিগবৈত যি বাৰ্মা এণ্ড কোম্পেনীয়ে তেল নাই বুলি কৈছিল সেই বাৰ্মা কোম্পেনীৰ লগত আৰু কেলটেকছৰ লগত চুক্তি কৰিছে ভাৰতবৰ্ষৰ উদ্যোগ গঢ়িবলৈ। তেওঁলোকক নাহৰকটীয়া, বোম্বে আদি তৈল ক্ষেত্ৰ দিবলৈ বিচৰা হৈছে। আমাৰ আজিও ৰিফাইনিং ক্ষমতা নাই। অসমত ৰিফাইনেৰী পাতিব নোখোজে। কাৰণ অসম চীনৰ ওচৰত। কেতিয়াবা চীনে লৈ যাব। অসমত যি কেইটা ৰিফাই-নেৰী আছে সেই কেইটা আনিবলগীয়া হৈছিল কিমান আন্দোলন কৰি সেই কথা সকলোৱে জানে। আজি নুমলি গড়ত ৰিফানেৰী পাতিব ওলাইছে অসম চৰকাৰৰ ১১ শতাংশ অংশৰে। কোম্পেনী আইনে কি কয়? কোম্পেনী আইন মতে ১১ শতাংশ অংশ থাকিলে পৰিচালনাৰ ক্ষেত্ৰত কোনো অধিকাৰ নাথাকে। সকলো বিলাক পৰিচালনাৰ ক্ষমতা থাকিব কোম্পেনীৰ হাতত। এই উদ্যোগ-বিলাক কোম্পেনী আইনমতে ৰেজিষ্ট্ৰেচন কৰা হৈছে। নুমলিগড়ত কি হব আমি আগতে গম পাইছো। উপাধ্যক্ষ মহোদয়, এতিয়া আমাৰ মানব অধিকাৰ সম্পৰ্কে বিভিন্ন কথা ওলাইছে। আমেৰিকাই কেতিয়াবা সমৰ্থন কৰে কেতিয়াবা নকৰে। কেতিয়াবা যদি ভাৰত আৰু পাকিস্থানৰ মাজত যুদ্ধ হয় তেতিয়া কোনে কাক সমৰ্থন কৰে ঠিক নাই। কিন্তু তৈল ক্ষেত্ৰসমূহ তেওঁলোকে এৰি দিব নিবিচাৰে। কাৰণ সেইবিলাক তেওঁলোকৰ দখলত আছে। তেওঁলোকক ৰিফাইনিং অধিকাৰ দিয়া বাবে মূল্যও নিৰূপন কৰিব তেওঁলোকে। বিতৰণো কৰিব তেওঁলোকে। আমাৰ যোগান মন্ত্ৰীৰ একো কাম নাই। তেখেতক প্ৰশ্ন কৰি ঠকাসৰকা কৰি দিওঁ কিন্তু তেখেতে উত্তৰো দিয়ে। কাম কিন্তু একো নহয়। বেছিভাগ উদ্যোগৰে কেন্দ্ৰ বিন্দু হৈছে অসম। সেই কাৰণে উদ্যোগ বিভাগৰ বাজেটৰ ওপৰত আলোচনা কৰিবলৈ বিচাৰিছো। কিন্তু কি হব— জেইচা ৰাজা তেইচা মন্ত্ৰী ধিটিং টিং। আজি মানৱ অধিকাৰৰ ক্ষেত্ৰত চীনে কি কৰিছে? জাপানে ধমকি দি বাধা দিছে। বুঢ়া আঙুলি দেখুৱাই দিছে। চীনে কৈ দিছে তেওঁলোকৰ ভিতৰুৱা কথাত কোনেও মাত মাতিব নোৱাৰে। আমাৰ দেশৰ কথা আমি চাম। তাতকৈ আৰু কিবা কব লাগেনে? উপাধ্যক্ষ মহোদয়, অলপতে হৈ যোৱা ঘটনা এটাৰ কথা কবলৈ বিচাৰিছো—

১৫ খন ৰাষ্ট্ৰৰ যেতিয়া সন্মিলন হৈছিল তাত আমাৰ প্ৰধান মন্ত্ৰীয়ে বেলেগ কলে আৰু সংসদত বেলেগে কলে। উন্নয়নশীল দেশ সমূহে কমোন্নয়ন দেশ সমূহক বাধা দি থকা বুলি কৈছে কিন্তু এই দেশ সমূহেই টকা পইচা দি সহায় কৰিব লাগিব। ১৯৫৪ চনত কি হৈছিল ? আমি আজি বুৰঞ্জী জনা দৰ্কাৰ হৈ পৰিছে। আমি আজি ইউ, এন, ও, বৃটিশৰ কথা কওঁ। আমি কি কৰিছো। জৱাহৰলাল নেহেৰু, মহাত্মাগান্ধী, ইন্দিৰা গান্ধী যি সকল কংগ্ৰেছৰ উত্তৰাধিকাৰী আছিল তেওঁলোকক কি কৰিছো ? তেওঁলোকক আমি আজি হত্যা কৰা নাই নে ? তেওঁলোকেতো কোনোদিনে ব্যক্তিগত খণ্ডৰ কথা কোৱা নাছিল। তেওঁলোকে ৰাজহুৱা খণ্ডৰ কাৰণেই চিঞৰিছিল। ভিলাই-তিফা কাৰখানা, নামৰূপৰ সাৰ কাৰখানা আদি ৰাজহুৱা খণ্ডৰে উদ্যোগ আছিল। আজি আমি সেইবিলাক উদ্যোগকো ব্যক্তিগত খণ্ডৰ নিয়াৰ কথা চিন্তা কৰিছো ? অসমত যেতিয়া চাহ উদ্যোগক ৰাষ্ট্ৰীয়কৰণ কৰিম বুলি কলে তেতিয়া আনকি জৱাহৰলাল নেহেৰুও স্তব্ধ হৈ যাব লগীয়া হ'ল। আমাৰ অৰ্থনীতিৰ বল নাই, টেকনোলোজি নাই অথচ তথাপি চাহ উদ্যোগক ধ্বংস কৰি দিম বুলি সকিয়নী দিয়ে। ভাৰতীয় চাহ সন্থাই কি কৰিছে ? এইটো আসাম টি, সেইটো দাৰ্জিলিং টি হব নোৱাৰে ইত্যাদিক লৈ ব্যস্ত। ভিতৰত থাকে শ্ৰীলংকাৰ চাহ বাহিৰত লিখা থাকে ইণ্ডিয়ান টি আনফালে শ্ৰীলংকাৰ উৎপাদিত চাহত লিখা থাকে ভাৰতীয় চাহ। ইয়াৰ পৰা আমি কি পাইছো ? সিদিনা ৰাজ্যপালৰ ভাষণত ও বাজেট ভাষণত কৈছে যে অসমত চাৰে তেৰ লাখ নিবনুৱা আছে। কিন্তু এই নিবনুৱা সমস্যা সমাধান কৰিব কেনেকৈ ? মই সিদিনা কৈছিলো যোৰহাট ৰিচাৰ্চ লেবৰেটৰীয়ে কি ফৰ্ম্মুলা লৈছে সেইবিলাক আমি নাজানো। চৰকাৰে নিবনুৱা সমস্যা সমাধানৰ ক্ষেত্ৰত কি এক্সপ্লোৰ কৰিছে সেইটোও নাজানো। আমাৰ যিখন বাজেট মহাৰাষ্ট্ৰৰ অকল উদ্যোগ বিভাগতে আমাৰ গোটেই বাজেটৰ টকা ধৰিছে বুলি সিদিনা এজন আই এ এচ অফিচাৰে কৈছিল। আমি অসমে কি কৰিছো ? কাৰ সমান আমি হব বিছাৰিছো ? আমি যদি আজি অসমখনক ভাল পাওঁ, ভাৰতবৰ্ষখনক ভাল পাওঁ তেনেহলে আমি সেইমতে কাম কৰিব লাগিব। মই অৱশ্যে আমাৰ উদ্যোগমন্ত্ৰীক ব্যক্তিগত ভাবে ভাল পাওঁ কিন্তু তেখেতৰ বিষয়ে বাহিৰত যিবিলাক শুনিছো বেয়া লাগে। আমি যে অকল উদ্যোগেৰেই নিবনুৱা সমস্যা সমাধান কৰিব পাৰিম সেইটো নহয়, নিবনুৱা সমস্যা সমাধান কৰিবলৈ হলে আমি ভূমিৰ আমুল পৰিবৰ্ত্তন কৰিব লাগিব, বান নিয়ন্ত্ৰন কৰিব লাগিব। আমাৰ অসমত অৱশ্যে গেছৰ

ওপৰত বহুতবিলাক উদ্যোগ গঢ়ি উঠিব পাৰে। যি সময়ত ভাৰতবৰ্ষই বিদেশৰ পৰা গেছ কিনি আনিবলগীয়া হৈছে সেই সময়ত অসমৰ বুকুত গেছৰ ওপৰত জুই জ্বলিয়ে আছে। আজি আমি ৱৰ্ল্ড মাৰ্কেটৰ কথা কৈছো। মোৰ হাতত তথ্য আছে ৱৰ্ল্ড মাৰ্কেটত আমি মাত্ৰ শতকৰা ·০৫ ভাগ পাৰ্টিচিপেট কৰিব পাৰো। যিবিলাক বিগ কেপিটেলিষ্ট দেশ আছে তেওঁলোকে শতকৰা ৮৬ ভাগ পাৰ্টিচিপেট কৰে। অকল আমেৰিকাই শতকৰা ৪৫ ভাগ পাৰ্টিচিপেট কৰে। আমিনো কি উৎপাদন কৰিব পাৰিছো যাৰ কাৰণে ৱৰ্ল্ড মাৰ্কেটত পাৰ্টিচিপেট কৰিব পাৰিম ? অসমত জনতা চাবোন আছিল কিন্তু বজাৰত বহুতধৰণৰ চাবোন ওলাল, বহুত নামৰ চাবোন ওলাল লিৰিল ইত্যাদি। আজি আৰু আমাৰ সেই জনতা চাবোনৰ ঢেলা কোনেও নিকিনে। ১৯৮৫ চনতে অসমত দিতাৰজেন ফেক্টৰী হব বুলি মাটিবাৰী পৰ্যন্ত দিয়া হ'ল কিন্তু কিয় নহ'ল আজিও অসমৰ ৰাইজে নাজানে। উদ্যোগ মন্ত্ৰী শ্ৰীশইকীয়া ডাঙৰীয়া মোৰ ব্যক্তিগত বন্ধু। কিন্তু অসমৰ স্বাৰ্থত আজি তেখেতে কি কৰিছে ? তেখেতেযেন প্ৰাইভেটাইজেচনৰ বাহিৰে একোই নাজানে ? মন্ত্ৰীজন বা মন্ত্ৰী সভা কিহৰ কাৰণে ? অসমত ৪৭ টা উদ্যোগ আছে। এইবিলাকক ব্যক্তিগত খণ্ডত নিয়াৰ কাৰণে মন্ত্ৰী নালাগে, কমিচনাৰ নালাগে। তেখেত সকলৰ বিষয়ে বাহিৰত ঢেৰ ওলাইছে, কবলৈ বেয়া লাগে। কি ৰেটত কি কৰিছে সকলো শুনিছো। কিন্তু বৰ্ত্তমান বিভাগটোৱে যি কৰি আছে তাৰ কাৰণে মন্ত্ৰী সভা বা বিষয়াৰ দৰকাৰ নাই। তেখেত সকলে একো নকৰিলেও প্ৰাইভেটাইজেচন হব। আমি বাতৰি কাকতত পঢ়িছো আমাৰ শ্ৰীহেমেন বৰুৱা ডাঙৰীয়াইও কৈছে যে চাহৰ পৰা অসমৰ বহুত লাভ হব, এইবাৰ অকল চাহৰ পৰাই ৩৬ কোটি টকা বেছি পাব বুলি কৈছে। এইটো তেখেতে বৰ ডাঙৰ কথা কৈছে কিন্তু আন্তৰ্জাতিক শ্ৰমিক সন্থাই কি কৈছে ? অসমৰ চাহ শিল্পত ২৬ হাজাৰ শিশু শ্ৰমিক আছে, আই, এল, ওৰ নীতি নিয়ম মানি চলিলে এই শিশু শ্ৰমিক সকলৰ অৱস্থা কি হব ? আই, এল, ওৰ নিৰ্দ্দেশনা মানি চলিব লাগিলে নিশ্চয় অসমৰ চাহ বাগান সমূহ বেয়াকৈ ক্ষতিগ্ৰস্থ হব। কাৰণ এতিয়াও অসমত বুঢ়ী মাকক নাতিয়েকৰ হাজিৰা দি আছে। এই বিলাক Exploitation নহয়নে ?

অধ্যক্ষ মহোদয়, এতিয়া যদি 'ওৱল্ড ট্ৰেড' ধৰে তেন্তে আমাৰ চৰকাৰে চাহ বাগিচা বিলাকক কেনেকৈ ৰক্ষা কৰিব। তেওঁলোকে কৈছে যে যিবিলাক শিল্পত শিশু শ্ৰমিক থাকিব সেই বিলাক শিল্পৰ উৎপন্ন সামগ্ৰী তেওঁলোকে 'বয়কট' কৰিব। আমাৰ চাহ শিল্পটো এনেকুৱা এটা শিল্প তাত এগুন নিয়োগ

কৰি তিনিগুণ মুনাফা পোৱা যায়। কিন্তু এই মুনাফা বিলাক কলৈ যায়। এই মুনাফা বিলাক বিভিন্ন ফাকত পেলাই লৈ যোৱা হয়। আৰু চাৰ্টাড একাউটেণ্টে সেইবিলাকৰ 'বেলেঞ্চ চিট' বনায় গতিকে তাত সেই বিলাক ধৰাৰো কোনো সুৰুঙা নাথাকে। মই কৈ থৈছো অসমৰ শিল্পৰ ক্ষেত্ৰত, উদ্যোগৰ ক্ষেত্ৰত এটা প্ৰচণ্ড আক্ৰমণ আহি পৰিছে। গতিকে মই উদ্যোগ মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে তেখেতে আমাৰ শিল্প উদ্যোগ বিলাক বচাবৰ কাৰণে বিশেষ দৃষ্টি দিব লাগে। আমাৰ তেল শিল্প, ফাৰ্টিলাইজাৰ, টেক্সটাইলক্ষেত্ৰত যি খিনি টকা প্ৰয়োজন, বাজেটত সেইখিনি দিয়াৰ ব্যৱস্থা কৰিব লাগে। আমি দেখিছো, এডভাৰটাইজিঙত বেচি টকা ধৰা হয়। চেলাৰীত বহুত পইচা খৰচ কৰা হয়। নানা বিসংগতি আমি বাজেট খনত দেখিবলৈ পাইছো। নতুন শিল্প উদ্যোগ স্থাপনৰ ক্ষেত্ৰত বাজেট খনত কোনো প্ৰভিজন নাই। বাজেটত নতুন উদ্যোগৰ ক্ষেত্ৰত ৫ কোটি টকা ধৰা হৈছে। কিন্তু তাত চাবচিডিৰ কোনো ব্যৱস্থা নাই। নতুন শিল্প উদ্যোগ গঢ়ি উঠিবলৈ হলে চাবচিডিৰ ব্যৱস্থা ৰাখিব লাগিব। তেতিয়াহে আমাৰ নিবনুৱা যুৱকসকল এই ক্ষেত্ৰত আগবাঢ়ি আহিব। উদ্যোগ সম্প্ৰসাৰণৰ ক্ষেত্ৰত আন এটা দৰকাৰী কথা হ'ল 'পাৱাৰ', বিদ্যুত শক্তি। এই বিভাগত অসমত ৯ জন মুখ্য অভিযন্তা আছে, কিন্তু কাৰ্য্য ক্ষেত্ৰত একো নাই। কেইজনমানৰ প্ৰমোচন যোৱা বছৰ হৈছে। কিন্তু শক্তি উৎপাদনৰ ক্ষেত্ৰত কোনো অগ্ৰগতি নাই। গতিকে মই দাবী জনাইছো, এই বিলাক বন্ধ কৰিব লাগে। অসমত শিল্পৰ উন্নতি ঘটাবলৈ হলে বিদ্যুৎ শক্তি আৰু যাতায়ত এই দুটা দিশত গুৰুত্ব দিব লাগিব। কিছু কিছু ক্ষেত্ৰত টেক্সৰ বিষয়ত শিঠিল হব লাগিব। আমাৰ উজনি অসমত পলিঠিন বেগ উৎপাদন কৰা কেইটামান উদ্যোগ আছিল, তেওঁলোকে পলিথিন বেগ তৈয়াৰ কৰি সাৰ কাৰখানাত যোগান ধৰে। কিন্তু এই উদ্যোগ কেইটা কলিকতাৰ পলিথিন বেগ উৎপাদন কৰা উদ্যোগৰ আগত তিষ্ঠিব নোৱাৰিলে। কাৰণ কলিকতাত কৈ আমাৰ ইয়াত টেক্স ৪% বেচি ফলত আমাৰ ইয়াতকৈ কলিকতাৰ বিক্ৰীমূল্য বহুত কম হয়। কিছু বছৰ আগতে আমাৰ কেষব গগৈ ডাঙৰীয়া বিত্তমন্ত্ৰী থাকোতে এই উদ্যোগ কেইটাৰ ক্ষেত্ৰত টেক্স কিছু শিথিল কৰি দিয়াৰ ব্যৱস্থা কৰিছিল আৰু তেতিয়া এই উদ্যোগ কেইটাই ডেৰ লাখ টকাকৈ লাভ কৰিবলৈ সমৰ্থ হৈছিল। চাবচিডিৰ ব্যৱস্থা থাকিলেহে নতুন উদ্যোগ গঢ়ি উঠাত সহায় হয়। এনে চাবচিডি প্ৰথম ৫ বছৰ দিয়ক, তাৰ পিচত যেতিয়া উদ্যোগটো স্বাৱলম্বী হব তেতিয়া বন্ধ কৰি দিয়ক। আমাৰ ল'ৰা

বিলাকে উদ্যোগ খোলাৰ ক্ষেত্রত উদ্যোগ বিভাগৰ পৰা যিমান সহায় পাব লাগে সিমান সহায় নোপোৱাৰ বাবে বেংক বিলাকেওঁ ঋণ আদি দিয়াৰ ক্ষেত্রত 'এভইড' কৰা দেখা যায়। আজি চাবচিডি লাভ কৰিছে যদি হোটেল ব্যৱসায়ে চাবচিডি লাভ কৰিছে। আজি হোটেল চিলাৰায়ে পাইছে, কালিলৈ অন্য এখনে পাব। কিন্তু যি বিলাক সৰু সৰু উৎপাদন কেন্দ্ৰ, ফুড প্ৰচেচিং উদ্যোগ, সেইবিলাকে পোৱা নাই। আমাৰ উদ্যোগ গঢ়িবলৈ হলে এটা লক্ষ্য থাকিব লাগিব, এটা উদ্দেশ্য থাকিব লাগিব যিসকল নিবনুৱা যুৱক উদ্যোগ খোলাৰ কাৰণে আগবাঢ়ি আহিছে. তেওঁলোকক বিত্তৰ ব্যৱস্থা, লাইচেঞ্চৰ ব্যৱস্থা আদি কৰি দিব লাগে। চাহবাগিছা বিলাকক যি বিলাক মাটি ঘূৰাই দিয়াৰ কথা ভাবিছে, সেই মাটি নতুন শিল্প কৰিবৰ কাৰণে দিয়াৰ ব্যৱস্থা কৰিব লাগে। মই ভাবো এই ক্ষেত্রত এটা ক্ষেত্রত এটা নতুন দৃষ্টিভংগী লৈ আগ বাঢ়িব লাগিব। আমাৰ এটা বিভাগত এজন এম, ডি নিয়োগ কৰে আৰু এবছৰ মান পিচতেই তেওঁক বদলি কৰি অন্য এটা বিভাগলৈ লৈ যায়। কোনো এটা প্ৰতিষ্ঠানৰ সকলো বিলাক কাম-কাজ বুজি উঠিবলৈ এবছৰ সময় যথেষ্ঠ নহয়। তেওঁলোক আই, এ, এচ, অফিচাৰ হ'ল বুলিয়েই ইমান সোনকালে সকলো বুজি উঠিব নোৱাৰে। বহুতো টেকনিকেল কথা থাকে, সেইবিলাক বুজিবলৈ তেওঁলোকক সময় দিব লাগে, তেতিয়াহে প্ৰতিষ্ঠানটোৱে উন্নতি কৰিব পাৰিব। মই আৰু বিশেষ নকওঁ, অসমৰ উদ্যোগ শিল্প বচাই ৰাখিবৰ বাবে আমি যিখিনি দিহা পৰামৰ্শ আগবঢ়াইছো, সেইখিনি গ্ৰহণ কৰি উদ্যোগ ক্ষেত্রত উন্নতিৰ কাৰণে চেষ্টা কৰিব বুলি আশা ৰাখি মোৰ ব্যক্তব্যৰ সামৰণি মাৰিলো।

Mr. Deputy Speaker : Now I call upon Hon. Member Shri Dewan Joynal Abedin or Nazmul Haque to Speak.

★ শ্ৰীনজমুল হক : মাননীয় উপাধ্যক্ষ মহোদয়, শিল্প বিভাগৰ কৰ্ত্তণ প্ৰস্তাৱৰ ক্ষেত্রত মই যিখিনি বক্তব্য ৰাখিম, সেই বক্তব্যখিনি, বক্তব্য হিচাপে নধৰি বহুমূলীয়া পৰামৰ্শ হিচাপে ধৰিব। আমাৰ ৰাজ্যখনত শিল্পক্ষেত্রত বৰ দুখলগা অৱস্থা হৈছে। বহুতো উদ্যোগ প্ৰতিষ্ঠান ধ্বংশপ্ৰাপ্ত হৈছে, বহুতো উদ্যোগ প্ৰতিষ্ঠানত লালবাটি জলিছে। আমাৰ ৰাজ্যখনৰ উদ্যোগ ক্ষেত্ৰৰ বিৰুদ্ধে এক ভীষণ ষড়যন্ত্ৰ চলিছে।

---

★ Speech not corrected

মাননীয় উপাধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে উদ্যোগ বিভাগৰ মন্ত্ৰী মহোদয়ক পৰামৰ্শ দিব খুজিছো যে অসম ৰাজ্য খনত যিমানবোৰ প্ৰাকৃতিক সম্পদ আছে সেইবোৰ সদব্যৱহাৰ নোহোৱাৰ কাৰণে আমাৰ ৰাজ্যখন উদ্যোগৰ ক্ষেত্ৰত পিচপৰি আছে আৰু তাৰ ফলত আমাৰ ৰাজ্য খনৰ উঠি অহা যুৱক যুৱতী সকলৰ ভবিষ্যত একেবাৰে অন্ধকাৰ হৈ পৰিছে। আজি বেকাৰ সমস্যাই চৰকাৰক জুৰুলা কৰি পেলাইছে আৰু যি দুই এঠাইত নিযুক্তি দিয়াও হৈছে সেই ক্ষেত্ৰত নিযুক্তিৰ নামত যিবোৰ ঘটনা ঘটিছে সি অতি দুভাগ্যজনক। আজি নিযুক্তিৰ নামত দূনীতিয়ে চাৰিওফালে শিপাই পেলাইছে। এই দুনীতিয়ে ৰাজধানী দিশপুৰতো ঢাক্কা মাৰিছে। সাধাৰণ শিক্ষকৰ চাকৰিৰ ক্ষেত্ৰতো ৪০/৫০ হাজাৰ টকা লৈছে। উপাধ্যক্ষ মহোদয়, আপুনি শুনিলে আচৰিত হব মেট্ৰিকত ফাষ্ট ডিভিজনত দুটা বা তিনিটা বিষয়ত লেটাৰ সহ পাছ কৰা লৰায়ো আজি চাকৰি পোৱা নাই। অথচ কেইবাবাৰো মেট্ৰিক পাছ কৰিব নোৱাৰা আৰু কম্পাৰটমেণ্টেল দি পাছ কৰা লৰায়ো টকা দি চাকৰি পাইছে। তাৰ ফলত আমাৰ ৰাজ্যখনৰ শিক্ষা ব্যৱস্থাৰ লগতে অন্যান্য ক্ষেত্ৰতো কৰ্ম্মদক্ষতা কমি আহিছে। যদি এনেবোৰ কথা চলি থাকিবলৈ দিয়া হয় তেনেহলে কম দিনৰ ভিতৰতে এনে এটা অৱস্থা হব যিটো চৰকাৰৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যাব। সেই কাৰণে আমাৰ শিল্প বিভাগটোত যাতে যথেষ্ট মনোযোগ দিয়া হয় আৰু অসমত যিমানবোৰ কেচামাল আছে সেইবোৰৰ প্ৰকৃত ব্যৱহাৰ কৰিব পৰাকৈ নতুন উদ্যোগ গঢ়ি তুলি ৰাজ্য খনক শিল্পৰ ক্ষেত্ৰত আগুৱাই নিয়াৰ লগতে নিবনুৱা সমস্যাও সমাধান কৰাত ব্যৱস্থা হাতত লব বুলি মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো।

উপাধ্যক্ষ মহোদয়, এই খিনিতে মই 'অশোক পেপাৰ মিল' সম্পৰ্কে অলপ কব খুজিছো। এই মিলটো মোৰ ঘৰৰ ওচৰতে। এই মিলটোৰ এটা অফিচ কলিকতাৰ অসম হাউচতো আছে আৰু মই তালৈ কেইবাৰো গৈছো। তাত মই এটা কথা জানিব পাৰিলো যে অশোক পেপাৰ মিলত যি কাগজ তৈয়াৰ হৈছিল সেই কাগজ বৰ উৎকৃষ্ট মানৰ আছিল আৰু ভাৰতৰ সকলো ৰাজ্যতে ইয়াৰ যথেষ্ট চাহিদা আছিল। কিন্তু আজি সেই মিলটোৰ যিটো অৱস্থা হৈছেগৈ সেইটো প্ৰায় ধ্বংস হোৱাৰ পথত। এই মিলটো ধ্বংস হোৱাৰ বাবে সেই সকলেই দায়ী যি সকলক সেইটো চাবলৈ দিয়া হৈছিল। তলৰ পৰা ওপৰলৈ সকলোৱে অমনোযোগিতা আৰু কৰাপচনৰ কাৰণেই এই মিলটো ধ্বংস হব লগা হ'ল। এইটো পুনৰ জীৱিত কৰাৰ কাৰণে অসম চুক্তিত উল্লেখ আছিল যদিও চৰকাৰে সেই দায়িত্ব আজিলৈকে

লোৱা আমি দেখা নাই। সেইদৰে ৰাজ্যখনৰ আৰু কেইবাটাও উদ্যোগ ধ্বংস হব ধৰিছে বা ইতিমধ্যে ধ্বংস হৈছে। আজি অসমত এনে এটা পৰিস্থিতি হৈছে যে যিজন উদ্যোগ মন্ত্ৰীয়েই যিটো উদ্যোগত এবাৰ হাত দিছে সেইটোৱেই ভস্ম হৈছে। সেই কাৰণে মই আমাৰ উদ্যোগ মন্ত্ৰী বিজিত শইকীয়া ডাঙৰীয়াক এটা কথা পৰামৰ্শ দিব খোজো যে তেখেতে যেন আৰু উদ্যোগ ভস্ম নকৰে। ইতিমধ্যে মাননীয় সদস্য শ্ৰীশশ কমল সন্দিকৈ ডাঙৰীয়াই এই ক্ষেত্ৰত কেইবাটাও কথা উল্লেখ কৰি গৈছে। আজি এটা গেচৰ চিলিণ্ডাৰৰ কাৰণে মানুহে সপ্তাহৰ পিচত সপ্তাহ ঘুৰি ফুৰিব লগা হৈছে। কিন্তু আমাৰ ৰাজ্য খনতে লাখ লাখ কিউবিক মিটাৰ গেচ পুৰি পেলোৱা হৈছে। সেই কাৰণে আমাৰ ৰাজ্যখনত যিবোৰ ক্ষেত্ৰত উদ্যোগ গঢ়ি তোলাৰ থল আছে সেইবোৰত চৰকাৰে সথোচিত মনোযোগ দিব লাগে আৰু ৰাজ্যখনত যিবোৰ দুৰনীতি চলি আছে সেইবোৰ বন্ধ কৰাৰ ব্যৱস্থা হাতত লব লাগে। এই ক্ষেত্ৰত যদি চৰকাৰৰ সদিচ্ছা নাথাকে তেনেহলে আমি শিল্পৰ ক্ষেত্ৰত কোনো দিনেই উন্নতি কৰিব নোৱাৰিম আৰু ৰাজ্য খনৰো উন্নতিত ব্যাঘাত জন্মিব। এই খিনিতে মই আৰু এটা কথা কব খোজো যে আমাৰ বিধান সভাৰ কিছুমান কমিটি আছে আৰু সেই কমিটিবোৰে চৰকাৰৰ কাম কাজৰ খতিয়ান, দুৰ্নীতি আদি কথাবোৰ পৰীক্ষা নিৰীক্ষা কৰি চৰকাৰক ব্যৱস্থা লবলৈ পৰামৰ্শ দিয়ে। কিন্তু এই ক্ষেত্ৰত মই এটা কথা দেখিবলৈ পাইছো যে এই কমিটি-বোৰে যিবোৰ কথা পৰীক্ষা-নিৰীক্ষা কৰে বিশেষকৈ দুৰ্নীতিৰ ক্ষেত্ৰত যিবোৰ কথা এই কমিটিবোৰৰ দৃষ্টি গোচৰ হয় তেনে বহু ক্ষেত্ৰত যিসকল দুৰ্নীতিত লিপ্ত থকা বিষয়া সেই সকলৰ কোনোবা হয়তো ইতিমধ্যে ঢুকাইছে বা ৰিটায়াৰ কৰি গৈছে। গতিকে তেনেবোৰ কথা এই কমিটিয়ে চোৱা চিতা কৰি কি লাভ হৈছে সেইটো মই বুজিব পৰা নাই। দুৰ্নীতি সম্পৰ্কত কোনো অভিযোগ উৎথাপিত হলেও তাক বিচাৰ কৰি চোৱা নহয়। আজি কেইবাদিনো ধৰি কৰ্ত্তন প্ৰস্তাৱ উৎথাপন কৰি বিভিন্ন বিভাগৰ ক্ষেত্ৰত আলোচনা কৰি থকা হৈছে।

মাননীয় উপাধ্যক্ষ ঃ— আপুনি কৰ্ত্তন প্ৰস্তাৱৰ ওপৰত এতিয়া আৰু কব নালাগে। আপুনি ইণ্ডাষ্ট্ৰিৰ ওপৰত কওক।

শ্ৰীনজমুল হক ঃ— উপাধ্যক্ষ মহোদয়, মই শিল্প বিভাগটোত হৈ থকা দুৰ্নীতি সম্পকেহে কব খুজিছো।

উপাধ্যক্ষ মহোদয়, মই আৰু এটা সৰু কথা কৈ মোৰ বক্তব্য সামৰণি মাৰিম। আমাৰ ৰাজ্যত শিল্পৰ কাৰণে যথেষ্ট পটেনচিয়েলিটি আছে। শিল্প

উদ্যোগ বঢ়াবলৈ হলে কিছুমান বস্তুৰ অত্যন্ত প্ৰয়োজন তাৰ ভিতৰত বিদ্যুৎও এটা। অসম চৰকাৰে আজি অসমত উৎপাদন হোৱা বিদ্যুৎ অন্যান্য ৰাজ্যত যোগান ধৰিছে। তাৰ বাবে অৱশ্যে ৰাজহ পাব। হাইড্ৰইলেকট্ৰিক প্ৰজেক্ট কৰি যদি অসমত বিদ্যুৎ উৎপাদন কৰিবপাৰে তেনেহলে আৰু উদ্যোগ কৰিব পাৰিলেহেতেন। আজি বাৰিষা কালত আমাৰ ব্ৰহ্মপুত্ৰ নদী পানীৰে উপচি পৰে কিন্তু চৰকাৰে এই পানী সম্পদ ব্যৱহাৰ কৰিব পৰা নাই। মই শিল্প মন্ত্ৰীক অনুৰোধ কৰো শিল্পৰ উন্নতি কৰিবলৈ হলে যোগাযোগ ব্যৱস্থা উন্নত কৰিব লাগিব তাৰ লগতে বিদ্যুৎ উৎপাদনো বঢ়াব লাগিব। হাইড্ৰ-ইলেকট্ৰিক প্ৰজেক্টই হওঁক, থাৰ্মেল প্ৰজেক্টয়েই হওঁক বিদ্যুৎ উৎপাদন বঢ়াব লাগিব। এইখিনি কৰিব পাৰিলে অসম ৰাজ্যত ডাঙৰ ডাঙৰ উদ্যোগ গঢ়ি উঠিব। গতিকে মোৰ এই পৰামৰ্শ শিল্প মন্ত্ৰীক অসম চৰকাৰৰ জৰিয়তে আগবঢ়ালো।

শ্ৰীমুকুট শৰ্ম্মা (মন্ত্ৰী):- আপুনি যিটো বান নিয়ন্ত্ৰণৰ কথা কৈছে ব্ৰহ্মপুত্ৰৰ মাটি পানীয়ে লৈ গৈ আছে। উদ্যোগ কত হব ?

শ্ৰীনজমূল হ'ক : মই শিল্প উন্নয়নৰ বাবে মোৰ পৰামৰ্শ আগবঢ়ালো। এই কথা খিনি গঠন মূলক হিচাবে লৈ যি ব্যাপক দূৰ্নীতি চলিছে সেইখিনি আতৰ কৰি শিল্প মন্ত্ৰী মহোদয়ে ৰুদ্ৰ ৰূপ ধাৰণ কৰি শিল্প উন্নয়ন কৰাৰ আশা ৰাখি কৰ্ত্তন প্ৰস্তাৱটো সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

★ শ্ৰীভূপেন ৰায় : মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱটোৰ সমৰ্থন জনাইছো। মই মোৰ ভাষণ বেছি দিঘলীয়া নকৰো। কাৰণ নতুন উদ্যোগ নীতি যিটো কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰিছে তাৰ যোগেদি আমাৰ মনোভাবো প্ৰতিফলিত হৈছে। আপোনালোকে নিশ্চয় জানে যে, অসম ৰাজ্যিক টেক্স-টাইলচ কৰ্পোৰেচন নোৱাপাৰাত যিটো বস্ত্ৰ উদ্যোগ আছিল সেইটো আজি ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হল। আমাৰ উপাধ্যক্ষ মহোদয় আগতে তাৰ চেয়াৰ-মেন আছিল গতিকে তেখেতে এইটো ভালকৈ জানে। আমাৰ যিবিলাক ৰুগ্ন ইন্দ্ৰাষ্টি যেনে অশোক কাগজ কল আদি সেইবিলাক আজি বন্ধ হৈ গৈছে। কিছুমান ইন্দ্ৰাষ্টিক আজি ব্যক্তিগত খণ্ডলৈ দিয়াত অগ্ৰাধিকাৰ দিয়া হৈছে। কিন্তু প্ৰকৃত্বতে নোৱাপাৰাৰ সূতা কলটো বন্ধ হোৱা নাছিল। এই বন্ধ নোহোৱা মিলটো ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰা হল। এতিয়া কথা হল

★ Speech not corrected

এই মিলটো যোৱা ১৯-৭-৯৩ তাংৰ পৰা ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিলে মাত্ৰ ৭ লাখ টকাৰ বিনিময়ত। ৮৯ শতাংশ হস্তান্তৰ কৰা হল আৰু ১১ শতাংশ আমাৰ চৰকাৰৰ হাতত থাকিল। গতিকে এই মিলৰ ওপৰত চৰকাৰৰ কি ক্ষমতা থাকিব ? মই কব বিচাৰিছো যে চলি থকা মিলটো কিয় হস্তান্তৰ কৰা হল ? এইটো নীতি সংগত হৈছেনে ? উদ্যোগ মন্ত্ৰী মহোদয়ৰ পৰা স্পষ্টীকৰণ বিচাৰিছো। আপোনালোক সকলোৱে জানে আমি সকলোৱে কাপোৰ পিন্ধো। আমাৰ মাননীয়া সদস্যা প্ৰমীলা বাইদেউৰ কাপোৰ ঘৰতে বোৱা। বাকী সকলোৱে বাহিৰৰ পৰা আনি পিন্ধো। গতিকে অসমৰ থলুৱা মিল এটা নোৱাপাৰাত যিখিনি কাপোৰ উৎপাদন হৈছিল তেনেস্থলত আমাৰ চৰকাৰে এটা পৰিকল্পনা কৰি এই মিল ধ্বংস কৰি দিলে। বিজয় গোৱেংকাৰ হাতত এই মিল হস্তান্তৰ কৰা হল। এই মিলটো কৰোতে ৩৫ লাখ টকা ব্যয় কৰা হৈছিল এতিয়া মাত্ৰ ৭ লাখ টকাতে হস্তান্তৰ কৰিলে। ৰাইজে বিবেচনা কৰা প্ৰয়োজন। এইটোৱেই যদি নতুন উদ্যোগ নীতি হয় তেনেহলে ৰাইজৰ কি উপকাৰ হব ? অসম এখন দুখীয়া ৰাজ্য, গতিকে ৰাইজ কেনেকৈ উপকৃত হব। এই কথা আমি সকলোৱে চিন্তা কৰা উচিত। আমাৰ উদ্যোগ মন্ত্ৰীয়ে যোৱা বছৰ উদ্যোগৰ শিতানত উচ্চ চিন্তা কৰাৰ বাবে বিদেশ ভ্ৰমণ কৰিছিল ২৫ লাখ টকা ব্যয় কৰি। আমিও আশা কৰিছিলো তেখেতৰ মনোভাৱ বহল হব ? কিন্তু মনোভাৱ বহল নহল। তেখেত ভ্ৰমনৰ পৰা অহাৰ পিচত যি সকল মানুহে মিলত কাম কৰিছিল সেইসকলৰ দৰমহা বন্ধ হল। মিলটো হস্তান্তৰ কৰাৰ সময়ত বিজয় গোৱেংকাৰ লগত যিটো আন্দাৰষ্টেন্দিং আছিল আজি তেওঁ সেই কথা ৰাখিব পৰা নাই। মিলৰ কৰ্ম্মচাৰী সকলে ৪ মাহৰ পৰা দৰমহা পোৱা নাই। তেওঁলোকে যথেষ্ট কষ্ট ভোগ কৰিবলগীয়া হৈছে। জীৱন নিৰ্ব্বাহ কৰিবলৈ এটা বিপদৰ সন্মুখীন হৈছে। এই কথা মন্ত্ৰী মহোদয়ে নিশ্চয় জানে। বিজয় গোৱেংকাই ইতিমধ্যে মিলটোৰ পৰা কিছুমান সামগ্ৰী বিক্ৰি কৰিছে। ৩৫ কোটি টকা ব্যয় কৰি বনোৱা মিলটো ৭ লাখ টকাত কিনাৰ পিচত তেওঁৰ কি দায়বদ্ধতা থাকিব ? এইটো সকলোৱে জানে। মিলটো লোৱাৰ পিচত তাত থকা পলিয়েষ্টাৰ বিক্ৰি কৰি পাইছে ২৫ লাখ ৪৭ হাজাৰ ২৫০ টকা। প্ৰচেচিং কাপাৰ বিক্ৰি কৰি পাইছে ১০ লাখ ৭৬ হাজাৰ টকা আৰু পৰি থকা লোহা বিক্ৰি কৰি পাইছে ৩২ হাজাৰ টকা। তেনেধৰণে পায় বহু টকা পাইছে। এই বস্তুখিনি বিক্ৰি কৰাৰ পিচত মালিক মিলৰলৈ নোযোৱা

হল। মিলটো ৭ লাখত কিনি বস্তু বিক্ৰি কৰি পালে ১ কোটি ৫৫ লাখ টকা। গতিকে কোন ব্যক্তি সেই মিললৈ আগবাঢ়ি যাব ? মই মন্ত্ৰী মহোদয়ৰ ওচৰত এই কথাটোৰ দৃষ্টিগোচৰ কৰালো। পাঠিনি চাহ বাগিচাত খাবলৈ নাপাই যি ধৰণে লেবাৰ বিলাক মৃত্যুৰ মুখত পৰিছে নোৱাপাৰা মিলৰ কৰ্ম্মচাৰী সকলৰো একেই অৱস্থা হব। নোৱাপাৰাৰ মিলৰ জৰিয়তে অসমৰ কিমানখিনি উন্নতি কৰিব পাৰিলেহেতেন। তাৰ বাবে আজি বহুতো ব্যৱস্থা ওলাইছে। অসম ৰাজ্যিক টেক্সটাইলচ কৰ্পোৰেচনে লেটাৰ অৱ ইনদেন্ট পাইছিল। ১০.৯৫০ টন কেপাচিটিৰ উদ্যোগ গঢ়ি তোলাৰ ব্যৱস্থা তাত আছিল। আজি নোৱাপাৰাৰ সূতাৰ কলটো নতুন উদ্যোগ নীতিৰ বলি হল। তেনেধৰণে নাথ কুছিত যিটো মিল আছিল সেইটোও বলি হল। তেনেধৰণে বহুতো উদ্যোগ নতুন উদ্যোগ নীতিৰ যোগেদি মৃত্যুৰ মুখত পৰিছে।

উপাধ্যক্ষ মহোদয়, আজি নাথকুচিৰ মিলটোও মৃত্যু হৈছে— এই নতুন উদ্যোগ নীতিৰ ফলতে। এই নতুন উদ্যোগ নীতিৰ ফলত আমি কিমান লাভবান বা উপকৃত হৈছো নে নাই সেই বিষয়ে কিছু কথা মন্ত্ৰী মহোদয়ৰ দৃষ্টি গোচৰ কৰিলো। মাননীয় সদস্য শ্ৰীনজমুল হক্ ডাঙৰীয়াই অশোক কাগজ কলৰ, কথা কৈছেই। এই কাগজ কলটো পুনৰ চলোৱাৰ বাবে বৰ্তমানৰ চৰকাৰ আগ্ৰহী নহয়। নতুন উদ্যোগ নীতি অনুযায়ী এই অশোক কাগজ কলটো এটা ৰুগ্ন উদ্যোগ, ইয়াক ব্যক্তিগত খণ্ডলৈ হস্তান্তৰ কৰিব লাগিছিল— আমি তাত বাধা দিয়া নাই। চৰকাৰে ভাবিছিল অশোক কাগজ কলটো ব্যক্তিগত খণ্ডলৈ হস্তান্তৰিত কৰিবলৈ ওলালে ৰাইজে প্ৰতিবাদ কৰিব আৰু তেতিয়া ইয়াক বাদ দিব। কিন্তু যেতিয়া দেখিলে ৰাইজে ইয়াৰ প্ৰতিবাদ কৰা নাই সেয়ে চৰকাৰেই ইয়াক এৰি দিলে। আজি ইয়াৰ চিকিৎসালয় বন্ধ, স্কুল বন্ধ, কৰ্ম্মচাৰীৰ দৰমহা নাই— ই আজি বন্ধ হৈ আছে। আনহাতে অশোক কাগজ কলৰ গুৱাহাটীত যি সকল বিষয়া, কৰ্ম্মচাৰী আছে তেওঁলোকক পদোন্নতি দিয়া হৈছে। কিন্তু মিলত থকা বাকী শ্ৰমিক সকলৰ ক্ষেত্ৰত কি কৰা হৈছে ? এই ক্ষেত্ৰত চৰকাৰৰ নতুন উদ্যোগ নীতি নিমাত, মন্ত্ৰী নিমাত। অশোক কাগজ কলৰ ইমানবোৰ টকাৰ সম্পত্তি আজি এনেয়ে পৰি আছে। কিছুদিনৰ আগতে মিলটোৰ মেনেজাৰ আৰু বিষয়া মিলি মিলৰ চৌহদত থকা শালকাঠ বিক্ৰী কৰিব ওলাইছিল। কৰ্ম্মী সকলে এই বিষয়ে মিল কৰ্তৃপক্ষক জনোৱাত একো কাম নোহোৱাত পুলিচক আবেদন দিয়ে এই কাঠ বিক্ৰী বন্ধ কৰিবলৈ। কিন্তু আচৰিত কথা যি সকল কৰ্ম্মীয়ে পুলিচক এই বিষয়ে জনাইছিল সেই সকলক মিল কৰ্তৃপক্ষই চাকৰিৰ পৰা

নিলম্বিত কৰিছে। গতিকেই বুজা যায় যে ইয়াৰ লগত মিল কৰ্তৃপক্ষ ভিত-ৰুৱাকৈ জড়িত আছিল। উপাধ্যক্ষ মহোদয়, আমাৰ দলৰ আৰু কেইবাজনো মাননীয় সদস্যই এই বিষয়ে বক্তব্য ৰাখিব— গতিকে মই বেছি দীঘলীয়া নকৰো। নতুন উদ্যোগ নীতিৰ ফলত আমি কেনেকৈ ক্ষতিগ্ৰস্ত হৈছো সেই বিষয়ে ২-১ টা কথা কৈছো। আজি নোৱাপাৰাৰ সূতা কলটো এতিয়াও খুলিব পৰা অৱস্থাত আছে। কিন্তু ৭ লাখ টকাত এজনে মিলটো কিনাৰ পিচত যেতিয়া ১ কোটি ৫৫ লাখ টকাৰ সামগ্ৰী মিলটোৰ পৰা তেওঁ বিক্ৰী কৰিব পাৰে তেনে ক্ষেত্ৰত সেইটো তেওঁ কিয় খুলিবলৈ যাব ? চৰকাৰেও এই ক্ষেত্ৰত বিশেষ জোৰ দিব নোৱাৰে কিয়নো চৰকাৰৰ অংশ মাত্ৰ ইয়াত ১১ ভাগহে। মই চৰকাৰক অনুৰোধ কৰিছো যাতে নোৱাপাৰাৰ এই সূতা কলটো পুনৰ খোলাৰ ব্যৱস্থা হাতত লয়। মালিক পক্ষক এই কলটো খোলাৰ কাৰণে চৰকাৰে বাধ্য কৰিব লাগে, যদি চৰকাৰে মালিক পক্ষক কল খুলিবলৈ বাধ্য কৰিব নোৱাৰে তেন্তে কি ব্যৱস্থা গ্ৰহণ কৰিব চৰকাৰে আজি স্পষ্টকৈ ইয়াত কব লাগে। ইয়াকে কৈ মই মোৰ বক্তব্য সামৰণি মাৰিলো।

★ শ্ৰীৰামেন্দ্ৰ নাৰায়ণ কলিতা :- মাননীয় উপাধ্যক্ষ মহোদয়, আজি উদ্যোগ বিভাগৰ ওপৰত যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত মই দুই এষাৰ কথা কৈ বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব খুজিছো। উপাধ্যক্ষ মহোদয়, ১৯৯১ চনতে কেন্দ্ৰীয় চৰকাৰে নতুন উদ্যোগ নীতি ঘোষণা কৰিছিল। এই নীতিৰ ফলত উদ্যোগৰ স্থাপনৰ ক্ষেত্ৰত বা অন্যান্য ক্ষেত্ৰত যথেষ্ট সৰলিকৰণ কৰা বুলি ইতিমধ্যে কোৱা হৈছে। আজি আমি দেখিবলৈ পাইছো যে ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্য উদ্যোগৰ ক্ষেত্ৰত যথেষ্ট আগবঢ়া কিন্তু আমাৰ ৰাজ্য অসমখন উদ্যোগৰ ক্ষেত্ৰত এতিয়াও যথেষ্ট পিচপৰি আছে। চৰকাৰৰ নতুন উদ্যোগ নীতিৰ ফলত যিখিনি সা-সুবিধা পাব লাগে সেইয়া ভাৰতবৰ্ষৰ সকলো ৰাজ্যই পাব। কিন্তু কথা হৈছে অন্যান্য ৰাজ্যৰ তুলনাত উদ্যোগৰ ক্ষেত্ৰত অসম যথেষ্ট পিচপৰা— এইটো কথা সকলোৱে স্বীকাৰ কৰিছে। কেন্দ্ৰীয় চৰকাৰে নতুন উদ্যোগ নীতি ঘোষণা কৰিলে, ইয়াৰ ফলত ৰাষ্ট্ৰীয় পৰ্য্যায়ত বা আন্ত ৰাজ্যিক পৰ্য্যায়ত বিভিন্ন সুবিধা গ্ৰহণৰ ক্ষেত্ৰত অসমে সমানে জোৰ দিব পাৰিবনে নাই, আগবাঢ়িব পাৰিবনে নাই, এইটোহে আলোচনাৰ বিষয় হোৱা উচিত। ১৯৯১ চনত ঘোষণা কৰা নতুন উদ্যোগ নীতিৰ ফলত ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগতে

★ Speech not correted

অসমেও যদি সা-সুবিধা খিনি সমানে গ্ৰহণ কৰিবলগীয়া হয়; তেন্তে অসম এই ক্ষেত্ৰত যথেষ্ট পিচপৰি থাকিব। সেয়ে অসমৰ ক্ষেত্ৰত তথা সমগ্ৰ উত্তৰ পূৰ্ব্বাঞ্চলৰ ক্ষেত্ৰত এই নতুন উদ্যোগ নীতিৰ সবলিকৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে আৰু অধিক সৰলিকৰণ কৰিব লাগিব। ৰাজ্য চৰকাৰে এই ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ লগত আন্তৰিকতাৰে যোগাযোগ কৰিব লাগিব, কেন্দ্ৰীয় চৰকাৰেও এই ক্ষেত্ৰত চফট কৰ্ণাৰ লব লাগিব উত্তৰ পূৰ্ব্বাঞ্চলৰ কাৰণে। এনে বিশেত বিশেষ কিছু ৰেহাই আদায়ৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰিছেনেকি এই বিষয়ে মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো। ১৯৯১ চনৰ নতুন উদ্যোগ নীতিৰ ফলত কেন্দ্ৰীয় চৰকাৰে ১৯৯৫ চনলৈকে ট্ৰেন্সপৰ্ট চাবচিদি দিছে তাৰ মানে আৰু এবছৰলৈ এই চাবচিদি থাকিব। ১৯৯৫ চনত কেন্দ্ৰীয় চৰকাৰে এই চাবচিদি উঠাই লব। এতিয়া যদি কেন্দ্ৰীয় চৰকাৰে এই টেন্সপৰ্ট চাবচিদি উঠাই লয়, উপাধ্যক্ষ মহোদয়, আপুনি জানেই অসমৰ ভৌগলিক অৱস্থাৰ কথা, অসমৰ পিচপৰা অৱস্থাৰ কথা, এনে হলে অসম তথা উত্তৰ পূৰ্ব্বাঞ্চল আৰু অধিক পিচপৰি যাব। আমাৰ এই অঞ্চলৰ ট্ৰেন্সপোৰ্ট বটলনেকৰ কথা সকলোৱে জানে। ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যৰ লগে লগে যদি অসম তথা উত্তৰ পূৰ্ব্বাঞ্চলৰ ৰাজ্য সমূহৰ ক্ষেত্ৰটো এই ট্ৰেন্সপোৰ্ট চাবচিদি উঠাই দিয়া হয় তেন্তে অসমত আৰু নতুন কোনো উদ্যোগ স্থাপন নহব।

সেই কাৰণে উপাধ্যক্ষ মহোদয়, যি টেন্সপৰ্ট চাবচিদি অব্যাহত ৰাখিবৰ কাৰণে উত্তৰপূৰ্ব্বাঞ্চলীয় ৰাজ্য কেইখনৰ কাৰণে কি ব্যৱস্থা গ্ৰহণ কৰিছে আৰু কেন্দ্ৰীয় চৰকাৰক এই বিষয়ে কিবা অৱগত কৰিছে নে নাই এই সম্পৰ্কে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো। আপুনি জানে যে ১৯৮৬ চনত অসমত অসম গণ পৰিষদ চৰকাৰ থাকোতে অসমৰ বাবে নতুন উদ্যোগ নীতি ঘোষণা কৰা হৈছিল। সেই নতুন উদ্যোগ নীতিকে ১৯৯১ চনত আমাৰ বৰ্ত্তমান ৰাজ্য চৰকাৰে কিছু মডিফিকেচন কৰি গ্ৰহণ কৰিছে তাক ভাল পাইছো। বৰ্ত্তমান এই উদ্যোগ নীতি গ্ৰহণ কৰি বহুতো সা-সুবিধা দিয়া হৈছে। কিন্তু কথা হল উদ্যোগ নীতি ১৯৯১ চনতে গ্ৰহণ কৰা হল কিন্তু এই বিভাগত সেইটো কাৰ্য্যকৰী কৰা হৈছেনে নাই? উদ্যোগ নীতিৰ ফলত যিখিনি সা-সুবিধা দিব লাগে বা পাব লাগে সেই খিনি পাইছেনে নাই? মই এটা কথা কব বিচাৰিছো যে ওৱান মেন কমিটি যদি কৰা হয় তেতিয়াহলে উদ্যোগৰ ক্ষেত্ৰত সকলো সুবিধা দিয়া হব। কাৰণ এজন নিবনুৱা লৰাই যদি এটা উদ্যোগ স্থাপন কৰিব খোজে তেতিয়াহলে তেখেতক ৰেজিষ্ট্ৰেচন অৰ্থাৎ মাটি

দিব লাগিব, বিদ্যুৎ দিব লাগিব, পানী যোগান দিব লাগিব ইত্যাদি বহুতো সা-সুবিধা দিব লাগিব। যদি নিবনুৱাজনক মাটি দিব লগীয়া হয়, বিদ্যুৎ দিব লগীয়া হয়, পানী যোগান দিব লগীয়া হয় তেতিয়াহলে সেই নিবনুৱা জনে এই খিনি সুবিধা কৰি লওঁতেই তেওঁৰ তিনি/চাৰি বছৰ সময় যাব। পিচত গৈ সেই নিবনুৱা-জনৰ উদ্যোগ স্থাপন কৰিবলৈ ধৈৰ্য্য নাথাকিব। গতিকে কথা হল ৰাজ্যিক পৰ্য্যায়ত এখন ওৱান মেন কমিটি থাকে তেতিয়াহলে সেই কমিটিত ৰাজহ বিভাগৰ বিষয়া, বেংকৰ বিষয়া, বিদ্যুতৰ বিষয়া, পানী যোগানৰ বিষয়াই স্পটতে সিদ্ধান্ত লৈ উদ্যোগী জনক সহায় কৰিব পাৰে। আৰু তেতিয়াহে নিবনুৱা ল'ৰাই উদ্যোগ স্থাপন কৰিবলৈ আগবাঢ়ি আহিব পাৰে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমত কৃষি ভিত্তিক উদ্যোগ যথেষ্ট হব পাৰে। এই সম্পৰ্কে স্পষ্ট নীতি উদ্যোগ বিভাগে লৈছেনে নাই? কি কি উদ্যোগ হব পাৰে এই সম্পৰ্কে চৰকাৰৰ আঁচনি আছেনে নাই? ইয়াত এনচিলাৰি, অইল ৰিফাইনেৰী বাই প্ৰডাক্ত কৰিব পাৰে। সেই বিলাকৰ আঁচনি লৈছেনে নাই? এই বিলাক আঁচনি প্ৰস্তুত কৰিবৰ কাৰণে আজিলৈকে কোনো কমিটি গঠন কৰা নাই। আজি তিনি বছৰ পাৰ হৈ গল একো ব্যৱস্থা লোৱা নাই। এচ, এচ, আই, চি ১৯৮৮ চনৰ আগতে ভবিষ্যত নিধি আছিল ২ কোটি টকা। এতিয়া ১৯৯২-৯৩, ১৯৯৩-৯৪ চনত টাৰনঅভাৰ কিমান হৈ আছে চাওঁক। আজি দৰমহা দিবলৈ পইচা নাই। টাৰনঅভাৰ ২১ কোটি টকা বৃদ্ধি পালে কেনেকৈ। আজি দৰমহা দিব নোৱাৰা অৱস্থা কিয় হল? এইটো সমালোচনা কৰাৰ যথেষ্ট কাৰণ আছে। এচ, আই, দি, চি ১৯৮৮-৮৯ চনকে এম, এম, টি, চি ৰ এটা চেইল দিপ্ট অনা হৈছিল। এই বস্তোটোৰ ওপৰত অসমত টেক্স লগাইছে ৭ পাৰচেণ্ট আৰু কলিকতাত লগাইছে ৪ পাৰচেণ্ট। অসমৰ ৰ'মেটেৰিয়েলচৰ ওপৰত ৭ পাৰচেণ্ট লগাই দিছে। আজি অসমত ৭ পাৰচেণ্টলৈ বাঢ়ি নোযোৱা হলে কলিকতালৈ এম, এম, টি, চি চেইল ৰিপ্ৰডাক্ট উঠি নগলহেঁতেন? আই, পি, চি, এলৰ এটা চেইল ৰিপ্ৰডাক্ট তাৰ কাৰণে জইন ডিৰেক্টৰ ইয়াত থাকিব লাগে কিন্তু জইন ডিৰেক্টৰ জন থাকে কলিকতাত। সংশ্লিষ্ট জইন ডিৰেক্টৰ জন থকা হলে এচ, আই, ডি, চি পৰিচালনা কৰা হলে যিখিনি সুবিধা হলহেঁতেন সেইখিনি হোৱা নাই। আৰু চৰকাৰৰ ফালৰ পৰা যিখিনি কেচা সামগ্ৰী বণ্টন হয় সেই খিনিও ভাল সদ ব্যৱহাৰ নহয়। ইয়াৰ এটা বৃহৎ অংশ ব্যক্তিগত ব্যৱসায়ী হাতলৈ গুচি যায়। সেই কাৰণে চেইল ডিপটৰ যি সমৃদ্ধি শালী অৱস্থা হব লাগিছিল সেই খিনি দিনক দিনে নোহোৱা হৈ গৈছে।

উপাধ্যক্ষ মহোদয়, আন এটা কথা হৈছে পেৰাফিন ওৱাক্স ডিগবৈৰ পৰা আনে। কিন্তু ইয়ালৈ আমি ষ্টক কৰোতে ডিগবৈৰ পৰা গুৱাহাটী পায় মানে এই পেৰাফিন ওৱাক্সৰ কাৰণে প্ৰায় এহাজাৰ টকা বেছিকৈ ভৰিব লগীয়া হয়। ডিগবৈৰ কাগজ পত্ৰ সকলো ঠিক থাকে এচ-আই-ডি-চিৰ কাগজ পত্ৰ ঠিক থাকে যদিও চেক গেট যিবিলাক আছে সেই বিলাকত টকা দিব লগীয়া হোৱা কাৰণে প্ৰায় এহাজাৰ টকা অতিৰিক্ত ভৰিব লগীয়া হয়। ফলত ষ্টকৰ পৰা যি সকলৈ দিয়া হয় তেওঁলোকৰ পৰা বেছি দাম হাৰত অথবা এচ-আই-ডি-চিয়ে নিজে সেই অতিৰিক্ত এহাজাৰ টকা ভৰিবলগীয়া হয়। ইয়াৰ উপৰিও ১৯ ৯ চনত আসাম প্ৰিফাৰেন্সিয়েল ষ্টোৰ পাৰচেজ এক্ট কৰা হৈছিল যদিও অসমত যিমান বিলাক চৰকাৰী বিভাগ আছে সেই বিলাকে উদ্যোগ বিভাগৰ পৰা কেচা সামগ্ৰি কিনাৰ কথা আছিল যদিও সেইখন কাৰ্য্যকৰী হোৱা নাই। আৰু চৰকাৰৰ ফালৰ পৰা কঠোৰ হাতেৰে এইটো কাৰ্য্যকৰী কৰণৰ কাৰণে চাব লাগে। এই আইনৰ আধাৰত আজি অসমৰ বিভিন্ন বিভাগে প্ৰায় এশ কোটি টকা লাভ কৰিব পাৰিলেহেতেন যদিও এই আইন খন কাৰ্য্যকৰী নকৰাৰ কাৰণে প্ৰায় এশ কোটি টকা অসমৰ বাহিৰলৈ ওলাই গৈ আছে। এই এশ কোটি টকাৰ ভিতৰত উদ্যোগ বিভাগৰ পৰা এচ-আই-ডি-চিয়ে নোডেল এজেন্সি হিচাবে প্ৰায় শতকৰা পঞ্চাশ ভাগ দিয়ে। কিন্তু যি বিলাক বিভাগে বা ইণ্ডাষ্ট্ৰী কৰিবলৈ লোৱা উদ্যোগীয়ে বস্তু লব তেওঁবিলাকে নব্বৈ শতাংশ আগধন দিব লাগিব এচ-আই-ডি-চিৰ নিয়ম মতে। আৰু পোন্ধৰ দিনৰ ভিতৰত এই টকা খিনি দিব লাগিব। কিন্তু কিছুমান বিভাগে এই আইন খন সম্পূৰ্ণ ৰূপে ভাওলেট কৰিছে আৰু বাহিৰৰ পৰা বস্তু কিনি আছে। সেই আইন খন কাৰ্য্যকৰী নোহোৱাৰ মানে এচ-আই-ডি- চি এতিয়া উঠি যাবনেকি ? এই বস্তু বিলাকৰ ক্ষেত্ৰত উদ্যোগ মন্ত্ৰী মহোদয়ে চাব লাগে। তাৰ উপৰিও উপাধ্যক্ষ মহোদয়, ইণ্ডাষ্ট্ৰী বিভাগৰ পৰা ইতিমধ্যে যিটো উদ্যোগৰ বিষয়ত ইন্‌ফ্ৰাষ্ট্ৰাকচাৰ কৰিব লাগিছিল সেইটো কৰা নাই। আমি সকলোৱে জানো যে দিল্লী আদি ডাঙৰ ডাঙৰ চহৰবোৰত ৰাস্তা, বিজুলী বাতি, খোৱা পানীৰ যোগান ইত্যাদি সকলো বিলাক আছে যদিও কিছুমান ঠাই মুকলিকৈ ৰাখিছে। কোনো উদ্যোগী আহিলে তেনে বিলাক ঠাই উদ্যোগ স্থাপনৰ কাৰণে দিব পাৰে। কিন্তু আমাৰ অসমত তেনে কোনো ইন্‌ফ্ৰাষ্ট্ৰাকচাৰ দেখা নাই। যদি উদ্যোগৰ কাৰণে ইন্‌ফ্ৰাষ্ট্ৰাকচাৰ নাথাকে তেনেহলে উদ্যোগ বিভাগটো আছে কিয় ? ইণ্ডাষ্ট্ৰিয়েল পলিচি

আছে ইন্ ফ্ৰাষ্ট্ৰাকচাৰ ডেভেলাপমেণ্ট কৰপোৰেশ্বন কিন্তু কৰা হ'ল জানো ? এন-আই-ডি-চি, উদ্যোগ বিভাগ আৰু উদ্যোগ সঞ্চালকালয়ত ইঞ্জিনীয়াৰ সকল এনেয়ে বহি আছে। তেওঁলোকক দৰমহা দি ৰাখিবলগীয়া হৈছে কিন্তু ইন্ ফ্ৰাষ্ট্ৰাকচাৰ ডেভেলাপমেণ্ট কৰপোৰেশ্বন নথকাৰ ফলত আচলতে এই ইঞ্জিনীয়াৰ সকলৰ সেৱা ঠিক ভাবে গ্ৰহণ কৰিব পৰা নাই। সেই কাৰণে আমাৰ ইয়াতো উদ্যোগী আগুৱাই নাহে আৰু বাহিৰৰ পৰাও উদ্যোগী আগবাঢ়ি আহিবলৈ অসুবিধা পায়। এই কথা বিলাক বিভাগীয় মন্ত্ৰী মহোদয়ে ভালদৰে চাব লাগিব। মই মন্ত্ৰী মহোদয়ক এইটো অনুৰোধ ৰাখিলো। উপাধ্যক্ষ মহোদয়, আন এটা কথা হ'ল কৰপোৰেশ্বন বিলাকে লোকচান ভৰি থাকে তাৰ উদাহৰণ এমট্ৰনৰ কথা কবলৈ হলে সৰ্ব্বভাৰতীয় দুই এটা বিভাগৰ কথা কব লাগিব। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে আমট্ৰনে ষ্টেবিলাইজাৰ কৰিবলৈ কলিকতাৰ চিন উদ্যোগৰ যৌথ পচেষ্টাত কিছুমান কাম কৰিবলৈ লৈছিল। কিন্তু পয়ত্ৰিশ লাখ টকাৰ এটা খেলিমেলি হয়। তাৰ পিচত চেল এণ্ড পণ্ডিত কলিকতালৈ গুছি গ'ল। ফলত পয়ত্ৰিশ লাখ টকা লোকচান হ'ল। কিয় হবলৈ পালে ? এই বিলাক কথা মন্ত্ৰী মহোদয়ে তদন্ত কৰি চাবলৈ অনুৰোধ জনাইছো। এটা কৰপোৰেশ্বনে যদি পয়ত্ৰিশ লাখকৈ টকা লোকচান ভৰিব লগীয়া হয় তেতিয়াহলে কৰপোৰেশ্বন বাচি থাকিব কেনেকৈ ? ১৯৯১ চনৰ পূজাৰ আগতে এক ট্ৰাক টি-ভি কেৱল আৰু আন কিবা - কিবি বস্তু আনিলে এ-বি-চিৰ জৰিয়তে। পিকচাৰ টিউব আৰু কিট্ বিলাক এ-বি-চিৰ গুদাম ঘৰত পৰি থাকিল তিনি মাহ। ফলত বহুত পিকচাৰ টিউব বেয়া হয়। বহুত ভাঙিল। এ-বি-চিয়ে বেংকৰ লোন দি দেমাৰেজ আদিৰ ক্ষেত্ৰত কিন্তু কোনো ব্যৱস্থা নললে। ফলত কৰপোৰেশ্বনটোয়ে ভৰিবলগীয়া হ'ল। এই টকা বিলাক আমট্ৰনে কৰ পৰা দিব। ইয়াৰ পিচতো ১৯৯৩ চনত একেই অৱস্থা। ইক'নমিক ট্ৰেন্সপোৰ্টৰ দ্বাৰা পূজাৰ আগতে কিছুমান বস্তু আনিছিল কিন্তু সেই বিলাকো তিনিমাহ ধৰি পৰি থাকিল গুদামত। তাৰ কাৰণে প্ৰায় ৮৪ হাজাৰ টকা দেমাৰেজ ভৰিবলগীয়া হৈছে। এনেদৰে চলিলে লোকচান কিয় নহব। আৰু এই টকা বিলাক ক'ৰ পৰা পূৰণ কৰিব পাৰিব। পূজাৰ আগতে অহা বস্তু তিনিমাহ ধৰি কিয় পৰি থাকিবলগীয়া হ'ল। এই কথা বিলাক মন্ত্ৰী মহোদয়ে চাবলাগে আৰু উচিত ব্যৱস্থা লব বুলি আশা কৰিছো। তাৰ পিচত আকৌ ১৯৯২ চনত বিভাগৰ পৰা প্ৰায় সত্তৰ লাখ টকাৰ ৰেস্কৰ অৰ্ডাৰ দিছিল। তাৰ ভিতৰত বাৰ লাখ মান

টকাৰ যোগান ধৰিলে। বাকী পোন্ধৰ লাখ টকাৰ বস্তুৰ যোগান ধৰাৰ কথা আছিল যদিও যি চুক্তিত যোগান ধৰাৰ কথা আছিল সেই চুক্তি ভঙ্গ কৰাৰ কাৰণে যোগানৰ অৰ্ডাৰো কেনচেল হ'ল। সেই বিলাক দোকানত পৰি থাকিল কোনেও নললে। এনেকৈ প্ৰত্যেক বিষয়তে যদি লোকচান হৈ থাকে তেনেহলে আমট্ৰন দুই দিনৰ পিচত ব্যক্তিগত খণ্ডলৈ যাবলৈ বাধ্য হব। ব্যৱসায়িক-ভিত্তিত আমট্ৰনক চৰকাৰে লৈছিল যদিও পৰিচালনাৰ অভাৱৰ কাৰণে এতিয়া ব্যক্তিগত খণ্ডলৈ যাবলগীয়া হব। এই কথাটো মন্ত্ৰী মহোদয়ে চাব লাগে। অসমত এটা ইণ্ডাষ্ট্ৰিয়েল বাতাবৰণ সৃষ্টি কৰাৰ কাৰণে বলিষ্ঠ পদক্ষেপ লবলৈ মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব বুলি আশা কৰিছো। যদি ৰাজহুৱা খণ্ডত কিবা এটি-বিচ্যুতি আছে সেই বিলাক আঁতৰ কৰি হলেও এই ব্যৱস্থা নললে ৰাজহুৱা খণ্ডৰ উদ্যোগ প্ৰতিষ্ঠান বিলাক ঠিক হৈ যাব। এই কথাবিলাক চালিজাৰি চাই সেইমতে ব্যৱস্থা লব আৰু উদ্যোগ বিভাগ টনকিয়াল কৰাৰ কাৰণে মন্ত্ৰী মহোদয়ে ব্যৱস্থা লব বুলি অনুৰোধ জনাই মোৰ বক্তৃতাৰ সামৰণি মাৰিলো।

Mr. Speaker : Hon'ble Member Kosheswar Barua.

শ্ৰীকোষেশ্বৰ বৰুৱা ঃ মাননীয় উপাধ্যক্ষ মহোদয়, উদ্যোগ সম্পৰ্কে আজি এই সদনত ভালেখিনি আলোচনা আগবঢ়োৱা হৈছে। অসমৰ উদ্যোগ প্ৰতিস্থান আৰু অসমৰ উদ্যোগ পৰিচালনালৈ চায় কিছু দিনৰ পৰা সহজ হৈ থকা নাই। উদ্যোগৰ ক্ষেত্ৰত ইতিমধ্যে ভাৰত চৰকাৰেও এটা নতুন নীতি নিৰ্দ্ধাৰণ কৰি লৈছে, এইটো লিবাৰেশ্বন পল'চি আৰু ভাৰতৰ উদ্যোগ নীতিৰ প্ৰভাব আমাৰ অসমতো নিশ্চই পৰিছে। এই বিষয়ে সন্দেহ নাই। ইয়াৰ ওপৰত ভিত্তি কৰি অসম চৰকাৰেও উদ্যোগ পৰিচালনাত উদ্যোগক পুনৰ গঠন কৰাত নীতি নিৰ্দ্ধাৰণ কৰিব লাগিব। এইটো সন্দেহ নাই। এটা কথা যে উদ্যোগ প্ৰতিস্থাৰ দিশত সত্যহতে একো আঁচনি লোৱা নাই আৰু আমি দেখা নাই। কিন্তু এই উদ্যোগ বিলাক স্বাভাৱিকতে অসমত বিশেষকৈ আমি কেইটামান গেছ ভিত্তিক, তেল ভিত্তিক উদ্যোগ প্ৰতিস্থা কৰিব পাৰো আৰু তাক ভালকৈ চলাব পাৰো। দ্বিতীয়তে কৃষি ভিত্তিক উদ্যোগ গঢ়ি তুলিব পাৰো। এই ক্ষেত্ৰত মই কেইটামান পৰামৰ্শ আগবঢ়াব খুজিছো। উদ্যোগৰ ওপৰত সমালোচনা কৰি লাভ নাই। উদ্যোগৰ ক্ষেত্ৰত সম্প্ৰসাৰণ, পুনৰ গঠন আদিত গুৰুত্ব দিয়া ভাল হব বুলি মই ভাবো। কৃষি ভিত্তিত মই এই পৰামৰ্শ আগবঢ়াব খুজিছো। আমাৰ উদ্যোগৰ বিষয়ে চৰকাৰক কবলগীয়া ভালেখিনি আছে। আমি কৃষি ভিত্তিক উদ্যোগৰ ক্ষেত্ৰত ভাৰত চৰকাৰৰ যিটো ফুড প্ৰচেচিং

দপ্তৰ আৰাম্ভ কৰিছে সেইটোৰ আধাৰত ফুড প্ৰচেচিং বা কৃষি ভিত্তিক অন্য দিশ সামৰি লোৱাৰ বাবে এই দিশত আগবাঢ়িব পাৰি। আমাৰ চাহ বাগিছা বিলাক আছে, এই শিল্পৰ দ্বাৰাই উদ্যোগ চলাব পাৰি। ইয়াৰ পৰা যথেষ্ট আয় বাঢ়িব। কৃষি ভিত্তিক উদ্যোগৰ কথা কোৱা হৈছে, এইটো লাভজনক, এই উদ্যোগত ভালে সংখ্যক লোক নিয়োগ কৰিব পাৰি। সেই কাৰণে এই উদ্যোগ খিনি সুস্থিৰ কৰিবৰ কাৰণে পৰিচালনাৰ দিশত চৰকাৰে নীতিগত ভাবে দৃঢ় পদক্ষেপ ললে এই উদ্যোগ কেইটা যথেষ্ট শক্তিশালী হব। স্থিৰতাৰ পৰা যাতে অস্থিৰতা নহয় তালৈ লক্ষ্য কৰিব লাগে, তেতিয়াহে লাভ হব। আমাৰ বৃহৎ উদ্যোগ বিলাক চলা মেলাৰ ক্ষেত্ৰত বাহিৰৰ পৰা ভালেখিনি মানুহ আনিব লগা হয়। এই বৃহৎ উদ্যোগ খিনি পৰিচালনাৰ দিশত আমাৰ ইয়াত ভালেমান চায়েন্স টেক্‌নোল'জি ওলাইছে, এই মানুহ খিনিক প্ৰশিক্ষণ দিয়াৰ কাৰণে বাহিৰৰ পৰা মানুহ আনি সোমাব লাগে। আমাৰ কিছুমানৰ ধাৰণা আছে যে বাহিৰৰ পৰা মানুহ আনিলে বেয়া হয়, সেইটো নহয়, শিকিবৰ কাৰণে আনিব লাগিব। অন্যান্য দিশতো কিছুমান কথা আছে। আমাৰ ৰাষ্ট্ৰীয় উদ্যোগ বিলাক সম্প্ৰসাৰণ কৰিবলগীয়া দিশত ভালেমান কথা জৰিত হৈ আছে, ভাৰত চৰকাৰে মুক্ত উদ্যোগ নীতি ঘোষণা কৰিলে আন্তৰ্জাতিক, ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক উদ্যোগিক নীতিৰ মাজত এটা সমন্বয় স্থাপন কৰিব লাগিব। সেইটো বাজেটত নাথাকিলেও এইখিনি কথা আগ-ভাগ লব বুলি ভাবিছো। বাজেটত বিকাশৰ কথা নাই, এইটো ঠিক যে উদ্যোগৰ প্ৰতিষ্ঠাৰ দিশত বিকাশৰ কথা নাথাকিলে উদ্যোগ নহয়, ইয়াৰ পৰিপ্ৰেক্ষিতত উদ্যোগ চলাবলিবৰ কাৰণে আমাৰ যথেষ্ট টকা ধৰিছে। বিকাশেই যথেষ্ট নহয়, এইটো স্বীকাৰ কৰা দৰকাৰ। তেল, গেছ আদি কৰি বৃহৎ উদ্যোগৰ কথা আছে। এইখিনি মনোনিবেশ কৰিলে আমি যথেষ্ট আগবাঢ়িব পাৰিম বুলি ভাবিছো। আন্তৰাষ্ট্ৰীয়, ৰাষ্ট্ৰীয়, ৰাজ্যিক উদ্যোগ নীতি আমাক লাগিবই। তাৰোপৰি আমাৰ যিখিনি উদ্যোগপতি স্থানীয় ভাবে ওলাইছে সেইখিনি ওলোৱাৰ দিশত যিখিনি উৎপাদন হয়, সেই উৎপাদনৰ কাৰণে বজাৰ ভাৰতীয়, আন্তৰাষ্ট্ৰীয় দিশত উলিয়াব পৰা যায়। এই কথাটোত ৰাজ্য চৰকাৰে আগভাগ লব লাগিব। আমাৰ এই উদ্যোগপতি সকলে যাতে মাৰ খাবলগীয়া নহয় তাৰ কাৰণে আমি তেওঁলোকক সহায় কৰিব লাগিব। চৰকাৰৰ যি উদ্যোগ গঢ়ি উঠিছে সেই বিলাক যাতে নমৰে, সেই বিলাকৰ বিকাশৰ দৰকাৰ। উদ্যোগ নীতি নিয়োগৰ দিশত কিছু নহলেও কিছু

সুনিশ্চিত কৰিব লাগিব। অসমৰ গধুৰ উদ্যোগ গঢ়ি উঠা নাই। অসমত শান্তি শৃঙ্খলা নহাৰ কাৰণে ভালেখিনি উদ্যোগপতিয়ে ইয়ালৈ আহিবলৈ মন নকৰা হল। এজনে গেছৰ অনুসন্ধানত আহি যোৰহাটত বহি থাকিবলগীয়া হৈছে। এই বিষয়ে চৰকাৰে দৃষ্টি দিব লাগে। উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ আহি যাতে যি কোনো ব্যক্তিয়ে সুবিধা পায়। অসমৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত উদ্যোগ বিলাক প্ৰতিষ্ঠা কৰিবলৈ সুকীয়া ব্যৱস্থা লবলৈ আশা কৰিছো।

মাননীয় উপাধ্যক্ষ মহোদয়, ৰাজ্যৰ বেংক সমূহ আছে, এই বিলাকৰ পৰা টকা লৈ অসমৰ উন্নয়ন আৰু বিকাশৰ ক্ষেত্ৰত অসম চৰকাৰে ব্যৱস্থা হাতত লব বুলি মই আশা কৰিলো। আৰু অসমত থকা ৰুগ্ন উদ্যোগবিলাক যাতে ধ্বংস হৈ নাযায় তাক চাব লাগে। উদ্যোগ বিলাক যে প্ৰাইভেটাইজেশ্যন কৰিব সেইটোৰ ক্ষেত্ৰত সৰুলোবিলাক উদ্যোগ যে হব সেইটো ভাবিব নেলাগে। যি বিলাক ৰুগ্ন উদ্যোগ আছে সেই বিলাকৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিশেষ গুৰুত্ব আৰোপ কৰি সেই বিলাকক পুনৰ জীৱিত কৰি চলাবৰ কাৰণে চেষ্টা কৰিব লাগে।

মাননীয় উপাধ্যক্ষ মহোদয়, অসমত এতিয়ালৈকে যি বিলাক শিল্প আছে উদ্যোগ আছে সেই বিলাকক বিশেষ ভাবে চকু দিব লাগে। মই আশা ৰাখিছো মাননীয় উদ্যোগ মন্ত্ৰীয়ে মাননীয় মুখ্য মন্ত্ৰীৰ লগত যোগাযোগ কৰি বিষয়টো তেখেত সকলে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগ দপ্তৰৰ লগত বা প্ৰয়োজন হলে মাননীয় প্ৰধান মন্ত্ৰীৰ লগত যোগাযোগ কৰি অসমৰ শিল্প উদ্যোগৰ উন্নতি সাধন কৰিব। এনে ধৰণৰ আলোচনা বিলোচনাৰ মাজেৰেহে অসমৰ উদ্যোগৰ ক্ষেত্ৰত বিকাশ কৰিব পাৰিব বুলি মই ভাবো আৰু এইটো মোৰ ব্যক্তিগত অনুৰোধ। অন্যান্য ৰাজ্যৰ তুলনাত অসমৰ উদ্যোগ তেনেই চনকা। উদ্যোগৰ ক্ষেত্ৰত যি খিনি ধন আগবঢ়াইছে সেইখিনি বৰ বেছি নহয়। এই টকাখিনি হল ৬৩ কোটি ৬৭ লাখ ৬৫ হেজাৰ টকা। এই টকাখিনি দিয়া হৈছে আমাৰ অসমত থকা উদ্যোগ বিলাক চলাই যাবলৈ ৰাজ্য খনত থকা উদ্যোগবিলাক উন্নতি কৰিবৰ কাৰণে তাৰ কাৰণে গুৰুত্ব দিয়া হৈছে এই উদ্যোগ বিলাক বিকাশৰ কাৰণে দিয়া হোৱা নাই। ইয়াত যিখিনি টকা ধৰা হৈছে ৭০ কোটি টকাই নহয়। এই টকা-খিনিৰে অসমত থকা উদ্যোগসমূহ চলাবৰ কাৰণে যথেষ্ট নহয়। অসমত উদ্যোগ বিকাশ কৰিবৰ কাৰণে আৰু টকাৰ প্ৰয়োজনহে হব। এই পৰিস্থিতিত কোনোয়ে টকা খিনি দিয়াত, উদ্যোগ বিলাক চলোৱাৰ সুবিধাৰ কাৰণে

বিধিপঠালী দিব নেলাগে। শেষত মই অসমৰ শিল্প উদ্যোগৰ উন্নতিৰ ক্ষেত্ৰত এটা নতুন নীতি নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰী আৰু মাননীয় মুখ্যমন্ত্ৰী (যদিও মুখ্যমন্ত্ৰী ইয়াত নাই) তেখেত সকলৰ জৰিয়তে ভাৰত চৰকাৰৰ লগত যোগাযোগ কৰি এটা নতুন নীতি নিৰ্দ্ধাৰণ কৰিবৰ কাৰণে অনুৰোধ জনাইছো। বিশেষকৈ এইখিনি কৰিলে আমাৰ উদ্যোগৰ ক্ষেত্ৰত যি খিনি সুবিধা দিয়া হৈছে সেইখিনি বেছিকৈ পাব আৰু অসমৰ অৰ্থ নৈতিক দিশত আগবাঢ়ি যাব পাৰিব আৰু ৰাজ্যখনৰ উন্নয়ন হব বুলি আশা কৰি মাননীয় বিৰোধী পক্ষৰ সদস্য সকলে উৎথাপন কৰা কৰ্ত্তন প্ৰস্তাবটো ওঠাই লবলৈ অনুৰোধ কৰি মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰীক উদ্যোগ বিকাশ কৰিবলৈ অনুৰোধ জনাই মোৰ বক্তব্য সামৰণী মাৰিলো।

**Mr. Dy. Speaker : Hon'ble Member Shri Nagen Sarma.**

শ্ৰীনগেন শৰ্ম্মা : মাননীয় উপাধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ কাৰণে ৬৩ কোটি ৬৭ লাখ ৬৫ হেজাৰ টকা বাজেটত উথাপন কৰা হৈছে। ইয়াত কৰ্ত্তন প্ৰস্তাব উথাপন কৰা হৈছে আৰু এই কৰ্ত্তন প্ৰস্তাবৰ সমৰ্থনত মই কবলৈ বিচাৰিছো। উপাধ্যক্ষ মহোদয় উদ্যোগ বিভাগ অসমৰ কাৰণে অতি প্ৰয়োজন, অসম এখন প্ৰদেশ যি খন প্ৰদেশত ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত বিশেষকৈ উদ্যোগৰ ক্ষেত্ৰত পিচ পৰি আছে। এই ক্ষেত্ৰত উদ্যোগ মন্ত্ৰী গৰাকীয়ে বলিষ্ঠ পদক্ষেপ নললে। তেখেতে জনসংখ্যাৰ ভিত্তিত শেষত পুষ্টিকা প্ৰকাশ কৰিছিল। অসমৰ উদ্যোগৰ পদক্ষেপৰ দুটা বছৰ। উদ্যোগৰ ক্ষেত্ৰত সফল্য লাভ কৰিলে এখন ডকুমেণ্টৰীয়ে। সেইখনে ৰাষ্ট্ৰীয় পদক পাইছে। এইটো হৈছে উদ্যোগৰ সাফল্য। মাননীয় উপাধ্যক্ষ মহোদয় উদ্যোগৰ ক্ষেত্ৰত এটা 'বেনেচা' সৃষ্টি কৰিছিল অসমৰ প্ৰাক্তন মন্ত্ৰী বিশ্বদেৱ শৰ্ম্মাই, এইটো মানি লব লাগিব। তাৰ বহু দিনৰ পিচত অসমত উদ্যোগৰ ক্ষেত্ৰত অসম গণ পৰিষদ চৰকাৰে বাস্তব প্ৰচেষ্টা লৈছিলো। অসমত বঙাইগাওঁ পেট্ৰোকেমিকেল, নামৰূপৰ সাৰ কাৰখানা এইবিলাক বলিষ্ঠ পদক্ষেপ লৈছিলো যাৰ কাৰণে মাননীয় সদস্যই শলাগীব লগীয়া হৈছিল। তাৰ প্ৰমাণ আছে। বঙাইগাওঁ পেট্ৰোকেমিকেল কৰোতে কিছু সংখ্যকে কৈছিল তাত ডি, এম, চি ক্ৰেকাৰ হয় নেফটা ক্ৰেকাৰ নহয় যাৰ কাৰণে প্লাষ্টিক 'জীউন ষ্ট্ৰীম' উদ্যোগ কৰিব নোৱাৰি। এই ক্ষেত্ৰত বম্বেই প্ৰথমতে আৰম্ভ কৰি কলিকতা আৰু মাদ্ৰাজত হয়। তাৰ পিচত পঞ্জাব হাৰিয়ানা আৰু গোজৰাট এই তিনিখন ৰাজ্য বিশেষ ভাবে আগবাঢ়িছে। গুজৰাতত পেট্ৰো কেমিকেলৰ জড়িয়তে আজি

সমগ্ৰ প্লাষ্টিক উদ্যোগে লাভ কৰিছে কিন্তু অসমৰ এনে ধৰণৰ উদ্যোগৰ ক্ষেত্ৰত চালাকী কৰা হল। ডি এ টি ক্ৰেকাৰ আৰু নেফটা ক্ৰেকাৰক নিদিলে, এইটো ডাঙৰ চালাকী।

মাননীয় উপাধ্যক্ষ মহোদয়, ডিগবৈ ৰিফাইনেৰী আৰু গুৱাহাটীৰ নুনমাটি ৰিফাইনেৰীত উদ্যোগীকৰণ হব কেনেকৈ ? প্ৰতি ৮ কিলোমিটাৰত পলিষ্টাৰ ফাইবাৰ টেক্সটাইলমিল হয়তু অসমত আছে। কিন্তু অসমৰ এই ৮ টা পলিষ্টাৰ ফাইবাৰ মিন আৰম্ভ হওঁতে ব্যক্তিগত খণ্ডত বিক্ৰী কৰিবলগীয়া হৈছে। চৰকাৰে কিয় বিফলতা লাভ কৰিবলগীয়া হৈছে তাৰ কাৰণ ষ্টাডি কৰিবলৈ সদনৰ সকলো দলৰ সদস্যক লৈ এখন ষ্টাডি কমিটি গঠন কৰা প্ৰয়োজন। অশোক পেপাৰ মিলটো অসমৰ এটা ডাঙৰ উদ্যোগ আছিল। এই উদ্যোগটো বন্ধ হৈ গৈছে। অসম চুক্তিমতে কেন্দ্ৰীয় চৰকাৰে ধন দিবলৈ ৰাজি হৈছিল। কেন্দ্ৰীয় চৰকাৰে ৩৭ কোটি টকা মুকলি কৰি দিয়াৰ পিচতো এই উদ্যোগটো কিয় পুনৰ খুলিবলৈ চেষ্টা কৰা হোৱা নাই ? ১৯৮৮ চনৰ পৰা হোৱা অশোক পেপাৰ মিলটো বিস্ময় ইণ্ডাষ্ট্ৰি হোৱাৰ স্কোপ আছে। সেই কাৰণে এই উদ্যোগৰ প্ৰতি কোনো ব্যৱস্থা লোৱা নাই। চৰকাৰে দিয়া ৩৭ কোটি টকা অশোক পেপাৰ মিলটোত খৰছ নকৰি নন-প্লেনলৈ লৈ যোৱা হৈছে। নতুন উদ্যোগ গঢ়ি তুলিবৰ কাৰণে এই চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। পশ্চিমবঙ্গ, মাদ্ৰাজ, মহাৰাষ্ট্ৰ, পঞ্জাৱ আৰু হাৰিয়ানাৰ উদ্যোগৰ দৰে গঢ়ি তুলিবলৈ হলে উপযুক্ত মাটি, যাতায়তৰ সুবিধা, যোগাযোগ, বৈদ্যুতিক কৰণ আদিৰ কাৰণে সকলোখিনি ব্যৱস্থা কৰিব লাগে। আমি কেৱল বেলেগ ৰাজ্যৰ কথা কলে নহব। অন্য ৰাজ্যৰ দৰে আমাৰ ইয়াতো মৰ্য্যদা দিব লাগিব। মাননীয় উপাধ্যক্ষ মহোদয়, মই দেখিছো যে উদ্যোগ মন্ত্ৰী ডাঙৰীয়াই যোৱা ৩ বছৰে কোনো ধৰণৰ উদ্যোগৰ ব্যৱস্থা কৰা নাই। কেৱল ব্যক্তিগত খণ্ডত উদ্যোগ বিলাক বিক্ৰী কৰিবলৈ উদ্যত হৈ পৰিছে। মেনেজমেণ্টৰ অভাৱৰ কাৰণেও উদ্যোগবিলাক লোকচান হবলৈ ধৰিছে। চিনথেথিক পলিয়েষ্টাৰ উদ্যোগৰ মেনেজাৰজনে মাহে ৪০ হেজাৰ টকা যদি টি, এ, ডি, এ, লয় তেতিয়া হলে উদ্যোগটো কেতিয়াও লাভজনক নহব। ইয়াৰ কাৰণে ষ্টাডি কৰা দৰকাৰ। অসমৰ পলিয়েষ্টাৰবিলাক বোম্বাই হেট কেকত ৰং কৰা হয়। অসমৰ উদ্যোগবিলাকত ৰং কৰাৰ সুবিধা নাই। ফলত ওৱৰকিং কেপিটেল উদ্যোগসমূহে পোৱা নাই। আই, ডি, বি, আই ৰিজিঅনেল অফিচত ১৯৯১-৯৩ যিবিলাকে সহায় কৰিছে— সেই আই, ডি, বি, আই, ৰ কাৰণে উদ্যোগ মন্ত্ৰীয়ে নিশ্চয়

বলিষ্ঠ পদক্ষেপ লব লাগিছিল। নাগকুচিত থকা পলিয়েষ্টাৰ উদ্যোগটোৰ কাৰণে একো ব্যৱস্থা নোলোৱাৰ কাৰণে উদ্যোগটো ডাউনফল হৈছে। জাপজাপ কুচিত এটা পলিয়েষ্টাৰ উদ্যোগ আছে সেইটো ৮ মাহ ধৰি বন্ধ হৈ আছে। উদ্যোগ খুলিবৰ কাৰণে বেংকৰ পৰা টকা লৈছিল। সেই টকা লৈ ৮ মাহ বহি আছে। উদ্যোগটো নুখুলাৰ বাবে ইপিনে বেংক সুত দি থাকিব লগীয়া হৈছে। ভৱিষ্যতে এনেকৈ সুতেই দি থাকিবলগীয়া হয় তেন্তে উদ্যোগটোৰ লোকচান হব। এনেধৰণে অসমৰ বহুতো উদ্যোগৰ লোকচান হৈছে।

( মাননীয় অধ্যক্ষই আসন গ্ৰহণ কৰে। )

মাননীয় অধ্যক্ষ মহোদয়, অসমৰ পলিয়েষ্টাৰ উদ্যোগৰ কাৰণে অসম চৰকাৰে বলিষ্ঠ পদক্ষেপ লব লাগে। পলিয়েষ্টাৰ আঁহ তৈয়াৰ কৰাৰ কাৰণে যাক দায়িত্ব দিয়া হৈছে— তাৰে ১ টা ইউনিটে কাম আৰম্ভ কৰিছে। দ্বিতীয়টো ইউনিটে কাম আৰম্ভ কৰা নাই। মই উদ্যোগ মন্ত্ৰী ডাঙৰীয়াক এটা প্ৰশ্ন কৰিব খুজিছো কেন্দ্ৰীয় চৰকাৰে যিখিনি পইচা দিছে তাৰ বাহিৰে নিজে নিজৰ ১ পইচাও খৰচ কৰা নাই। বাকী যি কেইটা ইউনিট আছে টকা নোপোৱাৰ কাৰণে বহি আছে। মাননীয় অধ্যক্ষ মহোদয়, নাহৰকটীয়াত চালফা এচিড তৈয়াৰ কৰা এটা উদ্যোগ আছে। কিন্তু অসম চৰকাৰে এই উদ্যোগৰ কাৰণে একো ব্যৱস্থা কৰা নাই। উদ্যোগবিলাক কেৱল মৃত অৱস্থাই নহয় কোনোৰকম ধিমিক ধামাকৈ চলি আছে। উদ্যোগ খুলিবৰ কাৰণে কেপিটেল দিয়া নাই। এই চিনকো মেচিনৰ উৎপাদন শক্তি বৰ লেহেম। আৰু কোৱালিটিও ভাল নহয়। কিন্তু এনে ধৰণৰ মেচিনে আমাৰ অসম ৰাজ্যখনত কিনিবৰ কাৰণে বাধ্য কৰা হৈছে। অসমত যে পাৱাৰ লুম উদ্যোগ আছে তাত এ, আই, দি, চিয়ে ইনিচিয়েটিভ লোৱা নাই। তাত কেৱল লচ দেখুৱা হৈছে। ফলত এই উদ্যোগ বিলাক সময়ত মৃত্যু হব। এই ধৰণে অসমত উদ্যোগ চলিব নোৱাৰে। অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত ব্যৱস্থা লবলৈ হলে এটা বলিষ্ঠ পদক্ষেপ লব লাগিব। তাৰ কাৰণে মাননীয় উদ্যোগ বিভাগৰ মন্ত্ৰীয়ে এই সদনৰে সদস্য সকলৰ লৈ এখন কমিটি গঠণ কৰক। আৰু এটা ষ্টাদি গ্ৰুপ তৈয়াৰ কৰা হওঁক। এই গ্ৰুপে বিভিন্ন অঞ্চলত ভ্ৰমণ কৰি আৰু ইয়াৰ বিভিন্ন দিশ বিলাক অনুসন্ধান কৰি কত কি কি কাৰণত লোকচান হৈ আছে সেই বিলাক চালি জাৰি চাই কেনেকৈ উদ্যোগ গঢ়াৰ ক্ষেত্ৰত এটা বাস্তৱ সন্মত ব্যৱস্থা লব পৰা যায় সেই বিষয়ে

চিন্তা কৰাটো উচিত হব। মাননীয় অধ্যক্ষ মহোদয়, আৰু কেইটামান উদ্যোগ আমাৰ ৰাজ্যত সহজে হব পাৰে। আমাৰ মাননীয় সদস্য শ্ৰীশশকমল সন্দিকৈ ডাঙৰীয়াই কৈ গৈছে। চাহৰ পৰা ৰেফিন তৈয়াৰ কৰি ৰং কৰিব পাৰি। জংচনেল নিকলচন কোম্পানীয়ে কৰাৰ দৰে আমিও ৰং তৈয়াৰ কৰিব পাৰো। কিন্তু এনেধৰণৰ ৰং তৈয়াৰ কৰাৰ কাৰণে আমাৰ চৰকাৰে কোনো ব্যৱস্থা লোৱা নাই। অসমৰ চাহ বাগিছাত যিবিলাক চাহ বাকচ আছে তাত যে জিমপ্লেট ব্যৱহাৰ কৰা হয় সেইটোৰো যদিও যথেষ্ট চাহিদা আছে কিন্তু তাৰ কোনো ব্যৱস্থা কৰা হোৱা নাই। কেৱল প্লাউদৰ বোৰ্ড তৈয়াৰ কৰিছে। দিংৰ হাৰ্ড বোৰ্ডৰ যিটো উদ্যোগ হাতত লৈছিল, সেইটোও যোৱা তিনি বছৰ ধৰি সম্পূৰ্ণ নকৰাকৈ আধা কৰি পেলাই থোৱা হৈছে। অসমত দেচ ক্ৰেমফ উদ্যোগ কৰাৰ কথা আছিল। তাত ধান খেৰ ব্যৱহাৰ কৰিব পাৰিলেহেতেন। এইদৰে অসমৰ উদ্যোগ বিলাক গঢ়ি তুলিব পৰা নাই। আনহাতে তললৈহে গৈ আছে। উদ্যোগ মন্ত্ৰীয়ে এই বিলাক চকু দিয়া উচিত। অসমৰ হাৰ্ডবোৰ্ড উদ্যোগ, চিমেণ্ট ফেক্টৰী আদিকে ধৰি বিভিন্ন উদ্যোগ গঢ়াৰ ক্ষেত্ৰত অসমত যথেষ্ট স্কোপ আছে, সেইদৰে বঙাইগাও পেট্ৰো কেমিকেলচৰ পৰা একশ ৮ আঠটা ছনফটা দাউন ইন্দ্ৰাষ্ট্ৰি হব পাৰে। যাৰ দ্বাৰা গাৱলীয়া ৰাইজৰ যথেষ্টখিনি সুবিধা হলহেতেন। তেনেদৰে নুমলীগড় ৰিফাইনাৰী যিটো স্থাপন কৰা হল সেইটোত ৰাজ্য চৰকাৰৰ কোনো ক্ৰেডিট নাই। এইটো অসম চুক্তিৰ আধাৰতহে প্ৰতিষ্ঠা কৰা হৈছে। গেছ ক্ৰেকাৰৰ সম্পৰ্কত যোৱা তিনি বছৰেই আলোচনা কৰা দেখা গৈছে। কিন্তু উদ্যোগ হলে আমি দেখা নাই। ইয়াৰ ভৱিষ্যৎ কি হব সেইটোও আমি কৰ নোৱাৰো। আমাৰ অসমত উদ্যোগ গঢ়াৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ বাধা আৰু অসুবিধা আৰু চৰকাৰৰ উদাসীনতাৰ বাবে আমাৰ ইয়াৰে ২৩ জন যুৱকে গুজৰাটত গৈ উদ্যোগ স্থাপন কৰিছে। কাৰণ তেওঁলোকে বিচৰা সুবিধাখিনি পোৱা নাছিল। চৰকাৰৰ পৰা কোনো সহায় নাপায়। মাটি বিচাৰিলে দীঘলীয়া সময় লয়, পাৱাৰ লাইন বিচাৰি হাবাথুৰি খাব লাগে। দুবছৰমান সময় তাতেই শেষ হৈ যায়। তাৰ উপৰি চাবচিডি নাপায়, অন্যান্য নথি-পত্ৰ যেনে ধৰণে যোগান ধৰিব লাগে সেইটোৰ এ, আই, দি চিয়ে সময়মতে যোগান নধৰে। যাৰ ফলত তেওঁলোকে ইয়াৰ পৰা বাহিৰত যাবলৈ বাধ্য হৈছে। এই ক্ষেত্ৰত আমাৰ চৰকাৰে গুজৰাট চৰকাৰৰ নিচিনা ব্যৱস্থা কৰক। ৪৮ ঘণ্টাৰ ভিতৰতে মাটি বণ্টন কৰা, ইন্দাষ্ট্ৰিয়েল ইষ্টেট দিয়া, পাৱাৰ লাইন আৰু বেংকৰ সা-সুবিধা এই

আটাইখিনি ইন্সফ্ৰাকট্ৰাচাৰৰ সুবিধা ৪৮ ঘণ্টাৰ ভিতৰতে প্ৰদান কৰাৰ ব্যৱস্থা কৰক। ইয়াৰ কাৰণে বিভাগী মন্ত্ৰীৰ লগত আলোচনা কৰি ব্যৱস্থা লব পৰা হব। ইয়াৰ উপৰি আই, দি, বি, আই বেংক আছে জোৰ কৰি তেওঁলোকক কামত খটোৱাক। মাননীয় অধ্যক্ষ মহোদয়, অসমৰ উদ্যোগীকৰণৰ ক্ষেত্ৰত নুমলীগড়ৰ ৰিফাইনেৰীটো প্ৰেট্ৰোকেমিকেলচলৈ ৰূপান্তৰ কৰক। ইয়াৰ লগতে নেফটা, ক্ৰেক, দি, এফ আৰু গ্ৰেছ ক্ৰেকাৰ উদ্যোগ হলে আমাৰ ৰাজ্যত থকা ১৩ লাখ নিবনুৱাক কৰ্ম্ম সংস্থাপন দিয়াত বিশেষ অসুবিধা নহয়।

মাননীয় অধ্যক্ষ মহোদয়, এই শিতানত যি ৬৩ কোটি টকা দেখুৱাইছে, সেইটো বৰ বেছি নহয়। কিন্তু কেৱল এডভাৰটাইজমেণ্টৰ ক্ষেত্ৰত যি ১৩ লাখ টকা দেখুৱাইছে তাৰ দ্বাৰা দকুমেণ্টৰী ফিল্ম কৰি বিশেষ কোনো কামত নাহিব। অথচ, তাতোকৈ বহু প্ৰয়োজনীয় ট্ৰেন্সপোৰ্ট, পাৱাৰ, চাবচিদি ইত্যাদিৰ কোনো ব্যৱস্থা নাই। এনে ব্যৱস্থাত অসমত উদ্যোগ নহব। তাকে নকৰি আমাৰ যিসকল যুৱকে উদ্যোগ গঢ়িবলৈ আগবাঢ়ি আহে তেওঁ-লোকক যাৱতীয় সা-সুবিধাখিনি আগবঢ়াই উদ্যোগ গঢ়াত মনোনিবেষ কৰিলেহে উদ্যোগীকৰণৰ ক্ষেত্ৰত আমি কিছু আগবাঢ়িব পাৰিম। বিগত ১৯৮৮-৮৯ চনৰ ভিতৰত অসমত বহুতো উদ্যোগ গঢ় লৈ উঠিছিল। সেই বিলাক হ'ল চেলাইন তৈয়াৰ কৰা, ইলেকট্ৰিক ওৱাৰ বনোৱা ইত্যাদি উদ্যোগ ঠন ধৰি উঠিছিল। কিন্তু চৰকাৰৰ ফালৰ পৰা সেই উদ্যোগ গঢ়া সকললৈ সময়মতে যাৱতীয় সা-সুবিধা আগবঢ়াব নোৱাৰাৰ ফলত অসমৰ সেই উদ্যোগ বিলাক বন্ধ হোৱাৰ উপক্ৰম হল। পলিষ্টাৰ, টেক্সটাইল উদ্যোগ গঢ়িবৰ কাৰণে ইয়াৰ সা-সুবিধা বিলাক আগবঢ়াবৰ কাৰণে অনতি পলমে অসমত যুটীয়াভাৱে উদ্যোগ গঢ়াৰ প্ৰচেষ্টা হাতত লব লাগে। এই উদ্যোগৰ বাবদ সমূদায় ধন কেন্দ্ৰীয় চৰকাৰে বহন কৰক। এইটো কৰিব পাৰিলে আমাৰ অসমত উদ্যোগ হব। অশোক পেপাৰ মিলৰ সন্দৰ্ভত যিখিনি টকা কেন্দ্ৰীয় চৰকাৰে দিছে সেইখিনি ব্যৱহাৰ কৰক। তাৰ উপৰি উদ্যোগ বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ পৰা পাবলগীয়া যিখিনি টকা সেইখিনি আদায় কৰি আমাৰ যিবিলাক ৰুগ্ন উদ্যোগ আছে সেইবিলাক চালু কৰাৰ ব্যৱস্থা কৰক। এইখিনিকে কৈ কৰ্ত্তন প্ৰস্তাৱ সমৰ্থন কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো। ধন্যবাদ।

Mr. Deputy Speaker : Any other Hon'ble Member.

★ শ্ৰীযতীন মালি : মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ কৰ্ত্তন প্ৰস্তাৱৰ

★ Speech not corrected

সমৰ্থনত কিছু বক্তব্য ৰাখিব বিচাৰিছো৷ আৰু এই সম্পৰ্কত বক্তব্যৰ আৰম্ভনীতে মই এই খিনি কথা কব বিচাৰিছো৷ যে কোনো৷ চৰকাৰে এটা৷ বিভাগৰ দায়িত্ব আৰু কৰ্ম্ম সম্পৰ্কত বিশেষকৈ আজি এই সদনতে উদ্যোগ বিভাগৰ আলোচনাত পূৰ্ব্ববৰ্ত্তি সন্মানিত সদস্য সকলে তেখেত সকলৰ যি খিনি বক্তব্য ৰাখিছে তাৰ লগতে মোৰ অলপমান অনুভৱ যোগ দিব বিচাৰিছো৷। মাননীয় অধ্যক্ষ মহোদয়, উদ্যোগ বিভাগৰ দায়িত্বত যি গৰাকী মাননীয় উদ্যোগ মন্ত্ৰী আছে তেখেতে এই খিনি কথা নিশ্চয় উপলদ্ধি কৰিব পাৰিছে যে ৰাজ্যখনৰ চাৰি সীমাৰ ভিতৰত প্ৰধানকৈ যি খিনি উদ্যোগ আছে সেই খিনি সুচাৰুৰূপে পৰিচালনা কৰিব পাৰিলেই হয় কিন্তু উদ্যোগৰ লগত জৰিত বিভিন্ন সংগঠন আৰু ব্যক্তি, সংস্থাৰ লগত সম্পৰ্ক ৰখাৰ বাহিৰে আন কিবা যে উন্নয়নৰ কাম আছে সেইটো৷ চিন্তা নকৰা যেন অনুমান হৈছে।

কিন্তু অধ্যক্ষ মহোদয়, আজি দেখা গৈছে যে— ৰাজ্য খনত উদ্যোগ সম্পৰ্কত যিটো কথা চিন্তা কৰা হৈছিল — সেই সম্পৰ্কত প্ৰকৃততে আশা কৰা মতে জনসাধাৰণে পাব পৰা নাই, বিভাগে পাব পৰা নাই আৰু চৰকাৰেও সেইটো দিব পৰা নাই। তাৰ কাৰণে ইতিমধ্যে বিষয়টো সদনত বিতৰ্কিত হৈছে। মই আশা ৰাখিছো৷ যে যি যি কাৰণত উদ্যোগৰ ক্ষেত্ৰত এটা৷ বিশৃংখল সৃষ্টি হৈছে। এই কাৰণ সমূহ বিভাগে বিশ্লেষণ কৰি সেইবিলাক দূৰ কৰাৰ কাৰণে, নিয়ন্ত্ৰণ কৰাৰ কাৰণে দৃঢ় পদক্ষেপ লব লাগে। কাৰণ এইটো৷ কোনেও নিবিচাৰে আৰু ময়ো৷ নিবিচাৰো৷ যে— ৰাজ্যখনত যিবিলাক উদ্যোগ আছে — সেইবিলাক যি ধৰণে পৰিচালিত হব লাগিছিল— সেই ধৰণে পৰিচালিত হোৱা৷ নাই নাইবা৷ পৰিচালিত নোহোৱাকৈ থাকি ধ্বংস হৈ যাওক— সইটো৷ মই নিবিছাৰো৷। সেই কাৰণে মই কব বিচাৰিছো৷ যে— ৰাজ্যখনত বৃহৎ উদ্যোগেই হওক বা৷ সৰুসুৰা৷ উদ্যোগেই হওক— সেইবিলাক পৰিচালিত কৰাৰ ক্ষেত্ৰত বিভাগে চোকা৷ দৃষ্টি ৰাখি— বিসঙ্গতিসমূহ দূৰ কৰিব আৰু এই ক্ষেত্ৰত বিভাগৰ যিটো৷ দায়িত্ব— সেই দায়িত্ব ভালদৰে পালন কৰি, নিয়ন্ত্ৰণ কৰি চলাই নিব।

অধ্যক্ষ মহোদয়, আজি আন্তৰ্জাতিক ক্ষেত্ৰত, সৰ্ব্ব ভাৰতীয় ক্ষেত্ৰত উদ্যোগৰ দিশত কোৱা৷ হৈছে। কিন্তু দেখা৷ গৈছে যে— আন্তৰ্জাতিক ক্ষেত্ৰত আমেৰিকাই কিছু আগবাঢ়িছিল যদিও ইলেক্ট্ৰনিক্চত আজি জাপানে প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হৈছে— সেইটো৷ দেখি আমেৰিকাও জাপানৰ ওপৰত সংকীত হৈ পৰিছে আৰু চিন্তিত হৈ পৰিছে। জাপানে আজি যি ধৰণে বিশ্ব আন্তৰ্জাতিক বজাৰত ইলেক্ট্ৰনিক্চত আগবাঢ়ি গৈছে — তাৰ কাৰণে

প্ৰতিযোগিতা হৈছে আৰু বৃহৎ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছে। তাকে দেখি আমেৰিকাই জাপানক কেনেকৈ পিচ পেলাই ৰাখিব পাৰে তাৰ কাৰণে চেষ্টা চলাই আছে। আজি আমাৰ ইয়াত গুজৰাট, হাৰিয়ানা আৰু উত্তৰ প্ৰদেশৰ উদ্যোগৰ কথা কোৱা হৈছে। আজি এই ৰাজ্য কেইখনে কি ধৰণে সৰ্ব্বভাৰতীয় ভিত্তিত প্ৰভাৱ পেলাব পাৰিছে - সেইটো আমি জানো।

অধ্যক্ষ মহোদয়, অসমৰ ক্ষেত্ৰত উদ্যোগৰ দিশত আলোচনা কৰিব লাগিলে আমি গোৱালপাৰাৰ অশোক পেপাৰ মিল, জাগিৰোডৰ পেপাৰ মিল আৰু নামৰূপৰ সাৰ কাৰখানাৰ কথা উল্লেখ কৰিব লাগিব। আজি এই কাৰখানা সমূহৰ ক্ষেত্ৰত যিবিলাক তথ্য ভিত্তিক আলোচনা হব লাগিছিল— সেইটো নহৈ আজি সেইবিলাকৰ দুৰাৱস্থাহে আমাৰ চকুত পৰিছে। যাৰ কাৰণে আমি অতি চিন্তিত হৈ পৰিছো। আমি ইয়াত চৰকাৰী তথ্যত পোৱা গৈছে যে— প্ৰায় ১১৪৪৮ টা উদ্যোগ আজি অসমত ৰোগ্ন অবস্থাত আছে। এই ৰোগ্ন অৱস্থা দূৰ কৰাৰ কাৰণে চৰকাৰৰ বিভাগে কি কি ব্যৱস্থা লৈছে— সেইটো সদনত বহলাই কব। এই ১১৪৪৮ টা উদ্যোগৰ ৰোগ চিকিৎসা কৰিবৰ কাৰণে চৰকাৰৰ তৰফৰ পৰা কি কি আচঁনি লৈছে আৰু তাৰ কাৰণে উপযুক্ত কি কি দৃঢ় পদক্ষেপ লৈছে — এই সকলোবিলাকৰ স্পষ্টীকৰণ দিব লাগিব। যদি চৰকাৰৰ ফালৰপৰা উপযুক্ত সময়োপযোগী বলিষ্ঠ পদক্ষেপ লৈছে — তেতিয়াহলে আমাৰ বিৰোধী পক্ষৰ সমৰ্থন থাকিব। কিন্তু এই ৰোগ্ন অৱস্থাৰ পৰা উদ্যোগ সমূহ পুনৰ উদ্ধাৰ কৰিবৰ কাৰণে চৰকাৰৰ উদ্যোগ বিভাগে কোনো নীতিগত পদক্ষেপ লোৱা আমাৰ চকুত পৰা নাই। আমাৰ ইয়াত যিবিলাক উদ্যোগ আছে ১৯৯২ চনৰ ষ্টেটিচটিক মতে ইয়াত কোৱা হৈছে যে— খাদী আৰু ভিলেজ ইণ্ডাষ্ট্ৰি — এই সম্পৰ্কে উদ্যোগ বিভাগে কিমানদূৰ আগবঢ়াই নিব পাৰিছে আৰু কি কি তেওঁলোকৰ কৰণীয় কাম কৰি আছে — এই সকলোবিলাকৰ স্পষ্ট নিদৰ্শন দাঙি ধৰিব লাগিব। আমাৰ ইয়াত খাদী আৰু ভিলেজ ইণ্ডাষ্ট্ৰিৰ উপৰিও মৌ পোহা ইণ্ডাষ্ট্ৰি আছে, ভিলেজ অইল ইণ্ডাষ্ট্ৰি আছে, আইল প্ৰচেচিং ইণ্ডাষ্ট্ৰি আছে, কাৰ্পেনটেৰী আছে আৰু ব্লেক স্মীথ আছে আৰু স্মল স্কেল ইণ্ডাষ্ট্ৰী আছে। এইবিলাকৰ তথ্যভিত্তিক চাৰ্ভে কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আজি দেখা গৈছে যে— চৰকাৰৰ তৰফৰ পৰা বিভিন্ন আলোচনা-সমালোচনা, চেমিনাৰ হোৱা কথা কাগজে-পত্ৰে ওলাইছে — সেইবিলাক কি ধৰণে নবীকৰণ কৰিবলৈ লোৱা হৈছে ? আৰু তাৰ লগতে যিবিলাক কুটীৰ শিল্প আছে সেইবিলাকৰ সম্পৰ্কত উদ্যোগ বিভাগৰ যিবিলাক প্ৰয়োজনীয় পদক্ষেপ লব লগীয়া আছে — সেইটো লবৰ কাৰণে

মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। এই ক্ষেত্ৰত তেখেতে আৰু উদ্যোগ বিভাগৰ বিষয়া সকলে যাতে উদ্যোগৰ ক্ৰমোন্নতিৰ কাৰণে চিন্তা কৰিব। তাৰোপৰি কি কি কাৰণত অসমৰ উদ্যোগ পিচ পৰি আছে আৰু কি কি কৰণীয় কাম কৰিলে আগবাঢ়ি যাব পাৰিব আৰু কেনেকৈ উদ্যোগৰ পৰিবৰ্ত্তন সাধন কৰিব পাৰি তথা ধ্বংসমুখী উদ্যোগ সমূহ পুনৰ উদ্ধাৰ কৰিব পাৰি তাৰ কাৰণে মনোনিবেশ কৰিব। সেইটো নকৰি আজি উদ্যোগ বিভাগে যি ধৰণে কাম কৰিছে— সেই-টোৰে অসমৰ উদ্যোগ ধ্বংসহে কৰিব।

মই এটা কথা মাননীয় মন্ত্ৰী মহোদয়ক উনুকিয়াই দিব বিচাৰিছো যে— সৰ্থেবাৰীৰ কঁাহ পিতলৰ বাচন-বৰ্ত্তনৰ উদ্যোগৰ কাৰণে যিবিলাক কেচা সামগ্ৰীৰ প্ৰয়োজন আৰু এই উদ্যোগৰ যিটো ইন্‌ফ্ৰাষ্ট্ৰকচাৰ— তাৰ উন্নতিৰ কাৰণে কি কি পদক্ষেপ লৈছে— সকলো ব্যাখ্যা কৰি ডাঙি ধৰিব। আমি দেখিবলৈ পাইছো যে— সৰ্থেবাৰীৰ কাইঁ-পিতলৰ উদ্যোগৰ উন্নতিৰ কাৰণে কোনো পদক্ষেপ লোৱা নাই। তাৰোপৰি হাতী দাঁতৰ কাৰণে চৰকাৰৰ যিটো দৃষ্টিভঙ্গী সেইটো স্পষ্ট নহয়। এইবিলাক উদ্যোগ ভৱিষ্যতে আগবাঢ়ি যাবৰ কাৰণে চৰকাৰে কোনো ধৰণৰ ব্যৱস্থা লোৱা দেখা নগল।

অধ্যক্ষ মহোদয়, এই সম্পৰ্কে নিশ্চয় সকলোৱে একমত হব যে— আমাৰ ডি, আই, চি বিলাকৰ জৰিয়তে যিবিলাক ঋণ দিয়া হৈছে— সেইবিলাক অসমৰ কোন কোন যুৱকক দিছে? আৰু কি কি কাৰণত দিছে?? তেওঁলোকক যি যি কাৰণে ঋণ দিয়া হৈছে— সেইটো চৰকাৰৰ ফালৰ পৰা প্ৰকৃত কামত ব্যৱহাৰ কৰা হৈছে নে নাই— কেতিয়াবা চাৰ্ভে কৰিছে নে? ডি, আই, চি'ৰ জৰিয়তে ৩৫ হেজাৰ টকা লোন দিয়া হৈছে— এইবোৰ প্ৰকৃত কামত খটোৱা নাই বুলি আমাৰ হাতলৈ প্ৰমাণ আহিছে। সেইবিলাক লোন দিয়াৰ পিচত— তাৰ পৰা চৰকাৰৰ বিভাগে কিমান উপকৃত হব পাৰিছে? তাৰ বাবে যদি কোনো আচনি বা পদক্ষেপ নলয়— তেতিয়াহলে মই ভাবো বছৰি বছৰি দি থকা লোনৰ পৰা কোনো উদ্যোগেই গা কৰি উঠিব নোৱাৰে।

অধ্যক্ষ মহোদয়, কুটীৰ শিল্পৰ বাবে দুটামান কথা কোৱা ভাল হব। আমি বৃহৎ উদ্যোগ, মজলীয়া উদ্যোগ আৰু সৰু সৰু উদ্যোগৰ বিষয়ে কৈছো। কিন্তু আমাৰ যিবিলাক কুটীৰ শিল্প — সেইবিলাকৰ উন্নয়ণৰ কাৰণে এই বিভাগে প্ৰয়োজনীয় পদক্ষেপ লৈছে নে? মই ভাবো— এই কুটীৰ শিল্পসমূহৰ পুনৰ উদ্ধাৰৰ কাৰণে বলিষ্ঠ পদক্ষেপ লোৱাৰ প্ৰয়োজন।

অধ্যক্ষ মহোদয়, আমাৰ যিবিলাক অইল ৰিফাইনেৰী আছে— সেইবিলাকত যিবিলাক এনচিলিয়াৰী প্ৰডাক্‌চন হয়— সেইবিলাক ভালদৰে ডিটেষ্ট কৰি— তাৰ দ্বাৰা কি কি ইণ্ডাষ্ট্ৰি গঢ়ি উঠিব পাৰে — তাৰ প্ৰতি দৃষ্টি ৰাখি আচনি তৈয়াৰ কৰিবৰ কাৰণে কিছুমান মানুহক দায়িত্ব দিব লাগে। লগতে তেওঁলোকে দায়িত্ব পালন কৰিছে নে নাই —সেইটোও চকু ৰাখিব লাগে।

অধ্যক্ষ মহোদয়, উদ্যোগবিলাক যিবিলাক মানুহৰ জ্ঞান আছে সেই মানুহ কিছুমানক উদ্যোগৰ ক্ষেত্ৰত স্বকীয়াকৈ দায়িত্ব দিব লাগে। অসমত উদ্যোগৰ বিকাশ সম্পৰ্কে আমি বহুদিনৰ পৰা বিভিন্ন আলোচনা কৰিলো। আমাৰ অসমত যিমান বিলাক সম্পদ আছে কেচাঁ সামগ্ৰী আছে সেইবিলাকৰ ওপৰত উদ্যোগ গঢ়ি তোলাৰ কাৰণে উদ্যোগ বিভাগে প্ৰকৃততে দায়িত্ব লোৱা নাই বুলি মই ভাবো। অসমত থকা কেচাঁ সামগ্ৰী আৰু সম্পদৰ কি কি সহযোগী উদ্যোগ গঢ়ি তুলিব পাৰি এই বিষয়ে এটা চাৰ্ভে কৰিব লাগে যাতে ভৱিষ্যতে আমাৰ যুৱক-যুৱতী সকলক নিয়োগ কৰাৰ ব্যৱস্থা কৰিব পাৰি। অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে অসমৰ প্ৰতি ভাৰত চৰকাৰৰ দৃষ্টিভঙ্গি কেনেকুৱা ? উদ্যোগ মন্ত্ৰীয়ে হয়তো কব-আমাৰ যিখিনি উদ্যোগ পৰিচালনাৰ কাৰণে ফাণ্ড লাগে সেইখিনি আমাক উপযুক্ত পৰিমাণে দিয়া হোৱা নাই। এই সম্পৰ্কে কেন্দ্ৰীয় চৰকাৰৰ দৃষ্টিগোচৰ কৰাৰ কাৰণে আমাৰ চৰকাৰে প্ৰকৃত পদক্ষেপ গ্ৰহণ কৰিছে নে নাই আমাক জনাব লাগে। আমাৰ এগৰাকী বক্তাই কৈছে যে উদ্যোগ মন্ত্ৰীয়ে অসমত কি কি উদ্যোগ গঢ়ি তুলিব পাৰি তাৰ ইঙ্গিত জনাৰ কাৰণে কৰবালৈ ভ্ৰমণত গৈছিলে। কিন্তু মন্ত্ৰীয়ে তালৈ গৈ কি পালে আমাক জনাব লাগে। তেখেত নিশ্চয় ব্যক্তিগত কাৰণত তালৈ যোৱা নাছিলে। গতিকে মন্ত্ৰী গৰাকীয়ে তালৈ গৈ আমাৰ ইয়াত কি ইম্প্লিমেণ্ট কৰিলে ব্যাখ্যাৰ নিশ্চয় প্ৰয়োজন আছে। উদ্যোগমন্ত্ৰীয়ে যিবিলাক দেশ ভ্ৰমণ কৰিলে সেই বিলাকৰ লগত তুলনা কৰি অসমত কি উদ্যোগ গঢ়ি তুলিব পাৰি সেইবিলাক কাৰ্য্যকৰী কৰিব লাগে। অসমত যে কেচাঁ সামগ্ৰী থকা সত্বেও আমি আৰ্থিক কাৰণতে উদ্যোগ স্থাপন কৰিব পৰা নাই আৰু আমাৰ ৰাজ্য পিছপৰি আছে সেই বিষয়ে কেন্দ্ৰীয় চৰকাৰক দৃষ্টিগোচৰ কৰিব লাগিব। অসমত থকা কেচাঁ সামগীৰ জড়িয়তে কি উদ্যোগ গঢ়ি তুলিব পাৰি আৰু ইয়াৰ পৰা কেনে ধৰণৰ সহযোগী উদ্যোগ গঢ়ি উঠিব পাৰে সেই বিষয়ে চৰকাৰী ভাৱে চিন্তা চৰ্চ্চা কৰি আঁচনি প্ৰস্তুত কৰিব লাগে। অসমত কোন বছৰত কিমান উদ্যোগ আছিল, কোন বছৰত কিমান মৰিল

এই সম্পৰ্কে গতানুগতিক বাদানুবাদ চলি থাকিলে আমাৰ একো লাভ নহব। গতিকে আমাৰ এই আলোচনাবিলাক উদ্যোগ বিভাগে কি হিচাবে আগবঢ়াই নিলে ফলপ্ৰসূ হব সেই বিষয়ে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে। আকৌ যাতে অসমত গঢ়ি উঠা উদ্যোগ মৰি যাব লগীয়া নহয় তাৰ প্ৰতি চিন্তা-চৰ্চা কৰি শিল্প উদ্যোগবিলাকত লাগতীয়াল সকলোখিনি ইনভেষ্ট কৰিব লাগে। ইয়াকে আশা কৰি মই মোৰ বক্তব্য সামৰিছো।

Mr. Speaker : Shri Mohibul Haque.

শ্ৰীমহিবুল হক : মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে বিৰোধী পক্ষৰ মাননীয় সদস্যসকলে উদ্যোগৰ বিকাশৰ কথা কৈছে আৰু আনফালে বাজেটত বিচৰা ৬৩ কোটি ৬৭ লাখ ৬৫ হাজাৰ টকা ১০০ টকাৰে কৰ্ত্তন প্ৰস্তাৱ আগবঢ়াইছে। মই তেখেতসকলৰ কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মোৰ বক্তৃতা তথা যুক্তি দাঙি ধৰিছো। অধ্যক্ষ মহোদয়, অসম চুক্তি অনুসৰি নুমলিগড়ত তেল শোধনাগাৰৰ কাম আৰম্ভ হৈছে। কিছুমানে কৈছে এই ক্ষেত্ৰত অসম চৰকাৰৰ কোনো ক্ৰেডিট নাই। এই ক্ষেত্ৰত মই কবলৈ বিচাৰিছো যে আমাৰ চৰকাৰৰ আগতে তেখেতসকলৰ তথা অগপ চৰকাৰ আছিল আৰু অসম চুক্তি তেওঁলোকে ১৯৮৫ চনত স্বাক্ষৰ কৰিছিল। কিন্তু অগপ চৰকাৰৰ দিনত এই শোধনাগাৰ স্থাপন কৰিবলৈ সমৰ্থ নহ'ল। আমাৰ চৰকাৰখনে নুমলি-গড়ত ইতিমধ্যে তেল শোধানাগাৰৰ কাম আৰম্ভ কৰিছে। আৰু ১৯৯৭ চনত ইয়াৰ কাম সম্পূৰ্ণ হব। আমি আশা কৰিছো ইয়াৰ লগে লগে হাজাৰ হাজাৰ যুৱক-যুৱতী ইয়াত কৰ্মসংস্থান পাব। লগতে ইয়াৰ লগত জড়িত যিখিনি সহযোগী উদ্যোগ গঢ়ি উঠিব তাত হাজাৰ হাজাৰ নহয় লাখ লাখ মানুহে প্ৰত্যক্ষভাৱে আৰু পৰোক্ষভাৱে কৰ্মসংস্থান পাব। অধ্যক্ষ মহোদয়, গেছ ক্ৰেকাৰৰ কাৰণে ইতিমধ্যে জইন্ট চেক্টৰত কাম আৰম্ভ হৈছে। আৰু ইয়াৰ সহযোগী উদ্যোগ স্থাপনত ৭৫ কোটি টকা ব্যয় হব। আকৌ ১০৮ কোটি টকা ব্যয়ত মেঠানল উদ্যোগ গঢ়াৰ বাবে অসম উদ্যোগিক উন্নয়ন নিগম আৰু অসম এলইড কেমিকেলছ লিমিটেডৰ মাজত এখন বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হৈছে। আমাৰ নগাওঁত যিটো উইভিং কমপ্লেক্স আছে তাত ৪৮ খন তাত শালৰ ঠাইত বৃদ্ধি কৰি ২০২ খন তাত শাল কৰা হৈছে। অধ্যক্ষ মহোদয়, ও এন জি চি, এইচ পি চি আৰু এইচ এফ চিয়ে ইতিমধ্যে ৫১ টা সহযোগী উদ্যোগ স্থাপন কৰিবলৈ অনুমোদন জনাইছে। এইবিলাক উদ্যোগ গঢ়ি উঠিলে অসমৰ বহুত নিবনুৱা যুৱক-যুৱতীয়ে কৰ্মসংস্থান পাব। আমাৰ চৰকাৰৰ দিনত ৫ হাজাৰ

স্মল স্কেল ইণ্ডাষ্ট্ৰী স্থাপনৰ আঁচনি আছে তাৰ ইতিমধ্যে বহুত বিলাকৰ কাম আৰম্ভ হৈছে।

মাননীয় অধ্যক্ষ ঃ শ্ৰীমহিবুল হক ডাঙৰীয়া আপুনি অহা কালি কব। এতিয়া সময় হৈছে।

I have received an information from the Hon'ble Leader of the opposition about the demise of Shri Jitendra Nath Das, Ex. Vice-Chancellor of the Dibrugarh University this morning which I with profound grief would like to make an Obituary for his death.

Shri Jitendra Nath Das was born in Barpeta in the earstwhile district of Kamrup in a well-to-do family and attained his academic qualifications upto M. A. and Law with credit. After doing teachership in premier Cotton College, Assam, he entered into Assam Civil Service and was nominated to the Indian Administrative Service from where he retired.

He was responsible for bringing a booklet in the Land and Revenue Regulations, 1980. He was appointed as Vice-Chancellor of the Dibrugarh University. He was not only a abled administrator and was also an educationist and eminent lawyer as well as of author of valuable books.

This eminent educationist, abled administrator died in this early morning due to old age.

As a mark of to the departed soul I request the Hon'ble Members to rise in their seats for one minute.

The House Stands adjourned till 9 A. M. on Wednesday the 30th March 1994.

## ADJOURNMENT

The House Stood adjourned at 1-30 P. M. till 9 A. M. tomorrow, the 30th March, 1994.

**D. Talukdar**
Secretary,
Assam Legislative Assembly

Dispur
The 29th March, 1994

—×—

## পৰিশিষ্ট 'ক'

চন ভিত্তিত গোৱালপাৰা জিলাৰ এতিয়ালৈকে অমঞ্জুৰীপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়ৰ তালিকা—

| | | |
|---|---|---|
| ১৯৭৪ | — | ২ |
| ১৯৭৫ | — | ৫ |
| ১৯৭৬ | — | ৪ |
| ১৯৭৭ | — | ৪ |
| ১৯৭৮ | — | ৬৩ |
| ১৯৭৯ | — | ৩৯ |
| ১৯৮০ | — | ৬৯ |
| ১৯৮১ | — | ৩১ |
| ১৯৮২ | — | ৫৪ |
| ১৯৮৩ | — | ৭১ |
| ১৯৮৪ | — | ৮৬ |
| ১৯৮৫ | — | ১১৭ |
| ১৯৮৬ | — | ৮৫ |
| ১৯৮৭ | — | ২৬ |
| ১৯৮৮ | — | ২৯ |
| ১৯৮৯ | — | ৫ |

মুঠ = ৬৯২

## ANNEXURE— II

### List of Alloted Post ( Asstt. teacher )

| Name of candidates | Name of Schools |
|---|---|
| 1. Putul Baruah Sarma | Dakhin Beltola M. E. |
| 2. Ranjita Rani Bora | Basistha Vidyapith M. E. |

| Name of candidates- | Name of Schools |
|---|---|
| 3. Kunjalata Kakati | Bashistha Vidyapith M. E. |
| 4. Satyajit Biswashi | Hajo Adarsha M. E. |
| 5. Lina Misra | Banikanta Memorial M. E. |
| 6. Bijoy Kakati | Tetelia M. E. |
| 7. Kanaklata Kakati | Garal N. K. M. E. |
| 8. Ranjit Malakar | Hajo Boys Dr. Basic |
| 9. Usha Kakati | Sualkuchi Boys M. V. |
| 10. Pranati Pathak | Khetri M. E. |
| 11. Pranita Deka | Khehenipara Girls M. E. |
| 12. Bipul Saram | Kamrup Vidyapith M. E. |
| 13. Gita Rani Sarma | Sangshari Girls M. E. |
| 14. Bhagawan Baishya | Amingaon M. E. |
| 15. Hemen Kalita | Bongara Pachaniapara M. V. |
| 16. Tilak Sarma | Majo Girls M. V. |
| 17. Anjali Deka | Joygopal M. E. |
| 18. Nirod Deka | Hajo Girls M. V. |
| 19. Phunu Das | Satpakhali M. V. |
| 20. Shamali Sarkar | Kamakhya Vidyapith M. E. |
| 21. Apurba Kakati | Pub Guwahati Night M. E. |
| 22. Bharat Kalita | Hajo M. V. |
| 23. Dhiren Ch. Deka | Hajo M. V. |
| 24. Mukul Boro | Dhowatary Shilbharal M. E. |
| 25. Babul Talukdar | Bagta M. V. |
| 26. Madhu Pathak | Halogaon M. V. |
| 27. Bhubaneswar Beka | Ramdia Girls M. V. |
| 28. Shurendra Kalita | Janata Vidyapith M. E. |
| 29. Muchfiya Begum | Dharapur M. V. |
| 30. Shukleswar Medhi | Dadara Girls M. V. |
| 31. Mamani Baruah | Betkuchi M. E. |

| Name of candidates | Name of Schools |
|---|---|
| 32. Tajuddin Ahmed | Dhopatari Silbharal M. E. |
| 33. Ghajida Bora | Khehenipapa Girls M. E. |
| 34. Hanifuddin Ahmed | Garigaon Girls M. E. |
| 35. Biva Barah | Narkasur M. E. |
| 36. Smti Janumani Kalita | Gota Nagar Numbari M. E. |
| 37. Smti Purnima Choudhury | Ramdia Boys M. V. |
| 38. Madan Medhi | Kamrup Vidyapith M. E. |
| 39. Shayada Tanuja Ahmed | Garigaon M. E. |
| 40. Chalima Khanam | Agayathuri M. E. |
| 41. Proshanta Deka | Bet Kuchi M. E. |
| 42. Prasesh Das | Dolibari M. V. |
| 43. Dilip Deka | Maina Khurang M. V. |
| 44. Hitesh Kalita | Ramdia Boys M. V. |
| 45. Komleswer Das | Shingimari M. E. |
| 46. Probin Boro | Athiaboi Banmusa M. E. |
| 47. Alka Devi | Ramcharani M. E. |
| 48. Malika Baruah | Bangra pashnia M. E. |
| 49. Runjun Bhuya (Saikia) | Narengi M. E. |
| 50. Kasturi Khanikar | Hengrabari M. E. |
| 51. Anjumani Baruah | Shatgaon M. V. |
| 52. Joytima Sarma (Devi) | Japorigog M. E. |
| 53. Smti Bharati Kalita | Shantipur Girls M. E. |
| 54. Smti Anima Deka | Chowki M. E. |
| 55. Binu Gogoi | Boshistha Bidyapeeth M. E. |
| 56. Dinesh Kakati | Dakhin Ghy M. E. |
| 57. Ganesh Sarmah | Jalah Barlabari M. E. |
| 58. Garinanda Bez | Nunmati M. E. |
| 59. Alimuddin Ahmed | Phutukim M. E. |
| 60. Ganesh Choudhury | Silguri M. V. |

| Name of Candidates | Name of School |
|---|---|
| 61. Safikul Haque Anchary | Silguri M. V. |
| 62. Smti Miati Talukdar | Satgaon M. V. |
| 63. Bashanti Chakravorty | Narengi M. E. |
| 64. Kulendra Patowary | Naharguri Ghat M. E. |
| 65. Tapan Thakuria | Tokardia Sanpara M. E |
| 66. Sharat Das | Hatialathan M. E. |
| 67. Bhabananda Thakuria | Dakhin Ghy. M E |
| 68. Ashini Kanta Sarma | Madhab Dev Girls M. E. |
| 69 Gagan Ch Das | Kamrup M. V. |
| 70. Kanak Ch. Kumar | Guimari M. V. |
| 71. Golok Chandra Das | Kamrup M. E |
| 72. Anil Chandra Kuwar | Khatia mari M. V. |
| 73. Manjushree Boruah | Jatia M. V. |
| 74. Dilip Mudia | Birubari Rupnagar |
| 75. Mainul Haque | Shul gaon M. E. |
| 76. Munna Dutta | Sowke M. E. |
| 77. Juyania Das | |
| 78. Anil Kalita | |
| 79. Shrree Kanta | |
| 80. Minti Deka | |
| 81. Smti Gowri Das | Khili para Rajuji M. E. |
| 82. Amrit chandra Mali | Jali M. V. |
| 83, Bhupen Talukdar | Maiw khona M. V. |
| 84. Kamala Prova Minister | Telebia M. E. |
| 85. Tulumani Kalita | Lakhra M. V. |
| 86. Debashish Lahiri | Kishalaya M. E. |
| 87. Smti Rina Bhattacharjaya | Jaigopal M. E. |
| 88. Smti Anju Medhi | Betchubari M. E. |
| 89. Smti Gorima Choudhary | Jatia M. V. |

| Name of candidates | Name of Schools |
|---|---|
| 90. Shri Hamanta Baishya | Hajo Adarsha M. E. |
| 91. Smti Hatima Khatoon | Ashraful Ulam M. E. M. |
| 92. Shri Jagannath Das | Bhumoradia Hulungapara M.E.M. |
| 93. Smti Lila Prova Kalita | Tamuli Khushi M. E. |
| 94. Smti Spana Sarkar | Madhaya Choudhuripara M.E.M. |
| 95. Shri Girindra Nath Chowdhari | Gurigaon M. E. M. |
| 96. Shiek Mukta Hussain | Jawlai M. E. M. |
| 97. Smti Sharuiani Kalita | Noonmati M. E. |
| 98. Smti Himani Talukder | |
| 99. Manjushree Banik | Dakhin Beltala M. E. |
| | Chitrachal M. E. |
| 100. Shri Prashanta Kr. Banik | Chitrachal M. E. |
| 101. Smti Bharati Das | Gangasurubor M. V. |
| 102. Smti Manashi Goswami | Narengi M. E. |
| 103. Smti Rejumoni Das | Bonshoi M. E. S. |
| 104. Smti Rashmi Kalita | Tamul Chuchi |
| 105. Smti Bibha Kalita | Sjan Kuri M. E. |
| 106. Smti Chumona Medhi | Tokradia Shanpara M. E. |
| 107. Shri Debajit Saikia | New Guwahati Adarsha M. V. |
| 108. Smti Anima Medhi | Narengi M. E. |
| 109. Smti Usharani Deka | East Guwahati M. E. |
| 110. Md. Ashansul Haque | Millm M. E. |
| 111. Harchana Asha Saikia | Changshari |
| 112. Smti Bashanti Medhi Devi | Jalukbari M. E. |
| 113. Mahmad Painur Ali | Mihan M. E. |
| 114. Sanjoy Kr. Ali | Badari Das Hindi M. E. |
| 115. Miss Alina Begum | Chowki M. E. |
| 116. Cherajuddin Ahmed | Garigaon M. E. |
| 117. Ramen Sarma | Chitrachal M. E. |
| 118. Bhabendra Nath Seal | Tamuli Kuchi M. E. |

| Name of Candidates | Name of School |
|---|---|
